# ইছলামত মহিলাসকলৰ স্থান



হজৰত মিৰ্জা তাহিৰ আহমদ চাহাব খলিফাতুল মছীহ ৰাবে (ৰহঃ)ৰ
জলছা ছালানা লণ্ডনত মহিলাসকলৰ সৈতে প্ৰদান কৰা বক্তব্যসমূহ

# ইছলামত মহিলাসকলৰ স্থান

হজৰত মির্জা তাহিৰ আহমদ চাহাব খলিফাতুল মছীহ ৰাবে (ৰহঃ)ৰ জলছা ছালানা লণ্ডনত মহিলাসকলৰ সৈতে প্ৰদান কৰা বক্তব্যসমূহ

| | |
|---|---|
| নাম কিতাপ | ঃ ইছলামত মহিলাসকলৰ স্থান |
| অনুবাদক | ঃ মজিবৰ ৰহমান মুবাল্লিগ ছিলছিলা (ইনচার্জ অসমীয়া ডেস্ক) |
| মূল | ঃ ইছলাম মে ঔৰোতো কা মকাম খিতাব হজৰত খলিফাতুল মছিহ ৰাবে (ৰহঃ) |
| প্ৰথম প্ৰকাশ | ঃ ২০২০, (১০০০ কপি) |
| প্ৰকাশক | ঃ নজাৰত নশ্বৰ ও ইশ্বায়ত কাদিয়ান |
| মুদ্ৰণে | ঃ ফজলে উমৰ প্ৰিণ্টিং প্ৰেছ কাদিয়ান, জিলা: গুৰদাছপুৰ,পিন ১৪৩৫১৬ (পঞ্জাৱ) |

| | |
|---|---|
| **Name Book** | **Islamat Mahilahakolar Isthan** |
| **Original** | **Islam me Auraton ka Maqam** |
| **Lecture by** | **Hadrat MirzaTahir Ahmed Khalifatul Masih iv (rah)** |
| **Translated by** | **Mozibar Rahman Murabbi (Incharge Assamese Desk)** |
| **First Published** | **2020, (1000 Copies)** |
| **Published by** | **Nazarat Nashr-O-Ishaat Qadian** |
| **Printed at** | **Fazle Umar Printing Press Qadian,Dist: Gurdaspur, 143516(Punjab)** |

# প্ৰকাশকৰ কথা

হজৰত মির্জা তাহিৰ আহমদ চাহাব খলিফাতুল মছীহ ৰাবে (ৰহঃ)য়ে জলছা ছালানা লণ্ডনত মহিলাসকলৰ সৈতে প্ৰদান কৰা বক্তব্যসমূহ উর্দুৰ পৰা অসমীয়া ভাষাত অনুবাদ মাননীয় মজিবৰ ৰহমান চাহাব মুবাল্লিগ ছিলছিলা (ইনচার্জ অসমীয়া ডেস্কে) কৰিছে। এই পুস্তকখন মাননীয় আমান আলী চাহাব মুৰববী ছিলছিলা (সভাপতি Review কমিটি অসম),মাননীয় শ্বাহজাহান আলী চাহাব মুৱাল্লিম ছিলছিলা,মাননীয় নাজিম উদ্দিন মোল্লা চাহাব মুৰববী ছিলছিলা,মাননীয় ৰহিম বাদশ্বাহ চাহাব মুবাল্লিগ ছিলছিলা, এখেত সকলে Review কৰিছে। Review হোৱাৰ পিছত মাননীয় মজিবৰ ৰহমান চাহাব মুৰববী ছিলছিলা (ইনচার্জ অসমীয়া ডেস্কে) চালি-জাৰি চাই অত্যাৱশ্যকীয় সংশোধন কৰি কিতাপখন প্ৰস্তুত কৰি উলিয়াইছে।

ছৈয়দিনা হজৰত খলিফাতুল মছীহ আল খামিছ (পঞ্চম খলিফা)(আইঃ)ৰ অনুমোদন মর্মে প্ৰথম বাৰ কাদিয়ানৰ পৰা এই পুস্তকখন প্ৰকাশ হৈ আছে। আল্লাহ তা'লা এই ক্ষেত্ৰত সহায় সহযোগীতা আগবঢ়োৱা সকলক উত্তম পুৰস্কাৰেৰে পুৰস্কৃত কৰক,আৰু এই প্ৰকাশন সকলো ফালৰ পৰা কল্যাণমণ্ডিত কৰক। আমিন-

**নাজিৰ নশ্বৰ ইশ্বায়ত কাদিয়ান**

তাশ্বাহুদ তাউজ আৰু চুৰা ফাতিহা পাঠৰ পিছত হজুৰ (ৰহঃ)য়ে কৈছে

مَنْ عَمِلَ صَالِحًا مِّنْ ذَكَرٍ اَوْ اُنْثٰى وَهُوَ
مُؤْمِنٌ فَلَنُحْيِيَنَّهٗ حَيٰوةً طَيِّبَةً ۚ وَلَنَجْزِيَنَّهُمْ
اَجْرَهُمْ بِاَحْسَنِ مَا كَانُوْا يَعْمَلُوْنَ ۝٩٨ (16:98)

যিয়ে সৎ কাৰ্য্য কৰে পুৰুষেই হওঁক বা নাৰী আৰু বিশ্বাসত যাৰ স্থিতি দৃঢ় তেওঁ মোমিন হয়। এনেজনক আমি পৱিত্ৰ জীৱন-যাপন কৰিবলৈ (শক্তি) দিম;আৰু এনেসকলে যি উৎকৃষ্ট কাৰ্য কৰিছে তাৰ উচিত প্ৰতিদান আমি সেইসকলক নিশ্চয় দিম। (চুৰা আন নহল আয়াত ৯৮)

আজি কালি মহিলাসকল পৃথিৱীত মহিলা হিচাপে এটা গুৰুত্বপূণ তৰ্কৰ বিষয় হৈ পৰিছে আৰু দুনিয়াৰ বিভিন্ন এলেকাত মহিলাসকলৰ আন্দোলনৰ স্বাধীনতা বিভিন্ন প্ৰকাৰে দেখিবলৈ পোৱা গৈ আছে। পশ্চিমীয়া দেশবোৰত এই আন্দোলনৰ স্বাধীনতা আৰম্ভ হৈছে আৰু তাৰ প্ৰভাৱ পাশ্চাত্য দেশবোৰতো বিস্তাৰ লাভ কৰি আছে আৰু মহিলাসকল আন্দোলনৰ সেই ধৰণ অৱলম্বন কৰি আছে যিবিলাক পশ্চিমীয়া দেশবোৰত হৈ আছে। তাৰ Background সাধাৰণতে এয়াই কোৱা হয় পুৰণি ধৰ্মই মহিলাসকলৰ সকলো অধিকাৰ কাঢ়ি লৈছে আৰু মহিলাসকলক বিশেষকৈ লাঞ্ছনাৰ পাত্ৰ বনোৱা হৈ আছে যে ইছলাম মহিলাসকলক পুৰণি জীৱন-যাপন কৰাৰ বাবে বাধ্য কৰিছে। স্বাধীনতাই ইছলামৰ সভ্যতা আৰু ইছলামী সংস্কৃতি, নীতি আৰু সকলোবোৰ চৰিয়তী বাধ্যবাধকতাৰ পৰা ওলাই নিজেই মুছলমান মহিলাসকলক স্বাধীন কৰাৰ নিয়তৰে ওলাই পৰে। ইয়াৰ পূৰ্বে, বৰ্তমান যুগৰ মহিলাসকলৰ স্বাধীনতাৰ সেই ধাৰণাসমূহ উত্থাপিত কৰো, পোনপ্ৰথমে আমাৰ এয়া পৰ্যৱেক্ষণ হোৱা উচিত যে যেতিয়া ইছলাম প্ৰকাশ পায়, তাৰ

পূৰ্বে ইছলামৰ কি অৱস্থা আছিল। ইছলাম মহিলাসকলক আৱদ্ধ ৰখাৰ বাবে আহিছিল নে, স্বাধীন কৰাৰ বাবে আহিছিল ? আৰবত ইছলামৰ পূৰ্বে যাক জাহিলিয়তৰ (অজ্ঞতাৰ) যুগ বুলি কোৱা হয়। মহিলাসকলৰ ওপৰত ইমান অত্যাচাৰ কৰিছিল যিবিলাক ঘটনাসমূহ বৰ্ণনা কৰিলে সকলোৰে হৃদয় বৰ কষ্ট পায়। সেই যুগত মহিলাসকলৰ অধিকাৰৰ বাবে অন্য কোনো ধৰ্ম কামত অহা নাই। অৰ্থাৎ তাতে ইহুদী আৰু খ্ৰীষ্টানও আছিল আৰু আৰবৰ পৰা কোনো পুৰুষ মহিলাই এই স্বাধীনৰ (মহিলাসকলৰৰ স্বাধীনতাৰ) বাবে থিয় হোৱা নাছিল। মাথোন এজন অস্তিত্ব আছিল সেইজন হ'ল হজৰত মহম্মদ (ছাঃ)। তেখেত (ছাঃ)কোৰাণ মজিদৰ আলোকত মহিলাসকলক বান্ধনৰ পৰা স্বাধীন কৰাইছে। ইয়াৰ কিছু বিস্তাৰিত প্ৰমাণ উত্থাপন কৰা হৈ আছে।

## আৰবৰ সভ্যতাত মহিলাসকলৰ অৱস্থা

আৰবৰ প্ৰথা অনুযায়ী মহিলাসকলক পশুৰ নিচিনা আৰু বেলেগ বস্তুৰ নিচিনা উত্তৰাধিকাৰীত স্থানান্তৰ কৰিছিল,ল'ৰাৰ সতিনী মা, দেউতাৰ উত্তৰাধিকাৰীত ল'ৰাক দিয়া হৈছিল,আৰু তেওঁ তাইৰ সৈতে বিয়া কৰাৰ প্ৰথম অধিকাৰ ৰাখিছিল। তালাক লোৱা জন নিজৰ ইচ্ছাস্বাধীন বিয়া পাতিব নোৱাৰিছিল। বিধৱাজনী নিজৰ স্বামীৰ মৃত্যুৰ পিছত এবছৰ এন্ধাৰ কোঠালিত আৰু লেতেৰা কাপোৰত থাকিবলৈ বাধ্য কৰিছিল যে সেই বস্ত্ৰতেই থাকিব যি সময়ত নিজৰ স্বামীৰ মৃত্যুৰ সময়ত পিন্ধি আছিল আৰু ঘৰৰ পৰা বাহিৰত ওলাব দিয়া নাছিল। মহিলাসকল নিজে বদনাম হোৱাৰ চিহ্ন আছিল। যাক জীৱিত অৱস্থাতেই দফন কৰা হৈছিল; আৰু বৰ গৌৰৱৰে এই পদ্ধতিত কবিতাসমূহ বৰ্ণনা কৰিছিল যে আমি নিজৰ হাতেৰে নিজৰ ছোৱালীক জীৱিত দফন কৰি দিছোঁ। এজন আৰবী কবিয়ে উল্লেখ কৰিছে,

মোৰ ছোৱালী মোৰ জীৱনৰ কাৰণে ভাল খোজে আৰু মোৰ জীৱনৰ বাবে দোৱা কৰে, কিন্তু মই তাইৰ মত্যুৰ আশাঙ্খা কৰো কাৰণ মহিলাসকলৰ বাবে মৃত্যুই সকলোতকৈ বেছি সন্মানৰ স্থান।

মহিলা যিজনী নিজে উত্তৰাধিকাৰীৰ অধিকাৰ আছিল,তাই সম্পত্তিৰ পৰা কোনো অংশ পোৱাৰ কোনো প্ৰশ্নই উত্থাপন হোৱা নাছিল। মহিলাসকলক ব্যভিচাৰৰ অস্ত্ৰ বুলি ধাৰণা কৰা হৈছিল,সিহঁতে সোণৰ আখৰেৰে কবিতাসমূহ লিখি অজ্ঞতাৰ যুগত খানা কাবাত উলমাই ৰাখিছিল তাত এই বিষয়সমূহ লিখা আছিল,আমি মহিলাসকলৰ সৈতে এনেকুৱা ব্যৱহাৰ কৰিছোঁ,আমি মহিলাসকলৰ সৈতে তেনেকুৱা ব্যৱহাৰ কৰিছোঁ। সকলোতকৈ বেছি গৌৰৱৰ কথা এয়া আছিল যে আমি এই মহিলাজনীক নিজৰ কৰায়ত্বত কৰি লৈছো, কোনোবা নাই যে মোৰ কামৰ সন্মুখীন হ'ব পাৰিব। যিমান বেছি বেয়া কাম কৰিছে সিমানেই বেছি গৌৰৱৰ সৈতে নিজৰ কবিতাসমূহত সেইবিলাকৰ বৰ্ণনা কৰিছিল;আৰু সেইবোৰ কবিতা গোটেই আৰবত সন্মানৰ দৃষ্টিৰে দেখা গৈছিল। এই বিষয়সমূহৰ অপৱিত্ৰ কবিতাসমূহ খানা কাবাত নমুনা হিচাপে উলমাই ৰখা হৈছিল। ইয়াৰ বাহিৰেও মহিলাসকলৰ জীৱনৰ যি চিত্ৰ আছিল তাৰ বিস্তাৰিত ব্যাখ্যাৰ প্ৰয়োজন নাই।

আজি পশ্চিমীয়া দেশবোৰত মহিলাসকলক যি ধৰণৰ খেল তামাচা ভৰা হৈ আছে। যেনেকুৱা সভ্যতা নাইকিয়া হৈ পৰিছে; আৰু প্ৰত্যেক বস্তুক স্বাধীনতাৰ নামত জাৰি ৰখা হৈছে; আৰু যি পৰিৱেশ আজি ইউৰোপ, আমেৰিকা আৰু বিভিন্ন পশ্চিমীয়া দেশবোৰতেই নহয় পূব দেশবোৰতেও দেখিবলৈ পোৱা গৈ আছে। এই সকলোবোৰ কথা যাৰ ফালে আজিৰ নতুন সভ্যতা আপোনাক আহ্বান কৰি আছে,সিহঁতৰ পৰিস্থিতি ইছলাম অহাৰ পূৰ্বৰ আৰব। ইছলাম এইবিলাক বন্ধনৰ পৰা মহিলাসকলক স্বাধীন কৰাৰ বাবে আহিছিল,সিহঁতক আৱদ্ধ ৰখাৰ বাবে অহা নাছিল। মাথোন আৰবতেই নহয় বহু ৰাষ্ট্ৰত পুৰণি যুগত মহিলা সকলৰ সৈতে এনেকুৱাই

ব্যৱহাৰ কৰা হৈছিল। অৰ্থাৎ কিছুমান পূব দেশবোৰতেও আজিলৈকে মহিলাসকলৰ সৈতে অত্যাচাৰ আৰু নিৰ্যাতন সেই পদ্ধতি অনুযায়ী কৰা হৈ আছে যি পুৰণি এন্ধাৰ যুগ স্মৰণত আহে। ইছলাম এই সকলোবোৰ বেয়া আচৰণৰ পৰা মুক্তি প্ৰদান কৰিছে আৰু মহিলাসকলৰ সেইসকলোবোৰ অধিকাৰ যিবিলাক কাঢ়ি লোৱা হৈছিল,সেয়া সিহঁতক প্ৰদান কৰা হৈছে, মহিলাসকলক সেই নতুন অধিকাৰ দিয়া হৈছে যি ইছলামৰ পূৰ্বে কোনো ধৰ্মই মহিলাসকলক সেই অধিকাৰ প্ৰদান কৰা নাছিল।

আজিও ইউৰোপ, আমেৰিকা বা পাশ্চাত্য দেশবোৰত যিমান মহিলাসকলৰ আন্দোলন দেখা গৈ আছে সেয়া মহিলাসকলেই নেতৃত্ব কৰি আছে, কিমান সম্ভৱ সিহঁতে ইয়াত সফলপ্ৰাপ্ত হ'ব পাৰিছে,কিমান দূৰ সিহঁতৰ চিন্তা-ভাৱনা আৰু দৃষ্টিৰ ফলাফল মহিলাসকলৰ বাবে লাভবান প্ৰমাণিত হৈছে,সেয়া বেলেগ বিষয় যাৰ উল্লেখ পিছত আহিব।

বেলেগ কথা যি মুছলমান মহিলা গোটেই দুনিয়াৰ সন্মুখত চেলেঞ্চ দি প্ৰমাণ কৰিব পাৰে যে সকলো ধৰ্মত ইছলামৰ বাহিৰে এনেকুৱা ধৰ্ম নাই যিয়ে মহিলাসকলক অতীতৰ অত্যাচাৰৰ পৰা মুক্তি প্ৰদান কৰিছে; আৰু সভ্যতা মহিলাসকলে সেই যুগত যি উত্তৰাধিকাৰী হিচাপে পাইছিল তাৰ বিৰোধীতাই জ্ঞান উন্নত কৰিছে। আপুনি এই বিষয়ে ইহুদী সকলৰ গ্ৰন্থ অধ্যয়ন কৰি চাওঁক,খ্ৰীষ্টান সকলৰ গ্ৰন্থ অধ্যয়ন কৰি চাওঁক বা বুদ্ধিজীৱিৰ গ্ৰন্থ অধ্যয়ন কৰি চাওঁক বা কনফিউশিজম অধ্যয়ন কৰি চাওঁক, যিকোনো ধৰ্মৰ সৈতে তুলনা কৰি চাওঁক এটা ধৰ্মও এনেকুৱা নাপাব যিয়ে মহিলাসকলৰ স্বাধীনতাৰ বাবে আন্দোলন কৰিছে বা সিহঁতৰ অধিকাৰৰ বাবে এক বিস্তাৰিত আৰু মহান শিক্ষা প্ৰদান কৰিছে। হয় দুৰ্ভাগ্য বশতঃ ধৰ্মৰ সেই চেহেৰা যি আমি দেখিবলৈ পাওঁ আৰু সেই ধৰ্মাৱলম্বীৰ ফালৰ পৰা খাঁটি আকাৰে উত্থাপন কৰা হয়,তাতে মহিলাসকলক অত্যাচাৰ কৰাৰ বিভিন্ন শিক্ষা এনেকুৱা পোৱা যায়,যাৰ পৰা ভয়ঙ্কৰ আৰু ঘৃণনীয় প্ৰভাৱ সিহঁতৰ সভ্যতাত পৰে।

সঁচাকৈয়ে আজি পশ্চিমীয়া দেশবোৰৰ স্বাধীনতাৰ আন্দোলনৰ গতি পটভূমিত আৰম্ভ হয় যি সিহঁতৰ নিজৰে পটভূমি। সিহঁতৰ নিজৰ অতীতৰ উদ্ধৃতিৰ সৈতে আৰম্ভ হৈছে আৰু সেইবিলাক যি ইছলাম সিহঁতক চৈধ্যশ বছৰ পূৰ্বতেই দিছিল আজিলৈকে সেই স্বাধীনৰ গতি এই যুগতো মহিলাসকলক দিব পৰা নাই।

ইছলাম যি কিছু মহিলাসকলক প্ৰদান কৰিছে সেয়া স্বাধীন আকাৰে প্ৰদান কৰিছে আৰু কিছু বাধ্যবাধকতা আকাৰে প্ৰদান কৰিছে। সেই আৰবৰ সভ্যতা যিয়ে মহিলাসকলক গোলাম বনাই ৰাখিছিল,সিহঁতক সিহঁতৰ অধিকাৰৰ পৰা বঞ্চিত কৰি ৰাখিছিল,তাৰ বিৰুদ্ধে ইছলামৰ শিক্ষা উচ্চ কৰিছে,আৰু মহিলাসকলক সেই সকলোবোৰ অধিকাৰ প্ৰদান কৰিছে যিবিলাক সিহঁতৰ পৰা কাঢ়ি লোৱা হৈছিল। সভ্যতা আৰু সংস্কৃতিৰ নামত মহিলাসকলৰ সৈতে নিজৰ ইচ্ছাকৃত প্ৰবৃত্তিক পূৰ্ণ কৰাৰ বাবে যেনেকুৱা খেল-তামাচা বনাই লৈছিল,সিহঁতৰ স্বাধীনতা বাধ্যতামূলক আকাৰে প্ৰদান কৰিছে। এই কাৰণে যেতিয়াই আপুনি ইছলামৰ বাধ্যবাধকতাৰ ফালে দৃষ্টি নিক্ষেপ কৰিব সেয়াও এক ধৰণৰ স্বাধীনতা দেখা পাব; আৰু যেতিয়া আপুনি ইছলামৰ অধিকাৰৰ ফালে দৃষ্টি নিক্ষেপ কৰিব সেয়াও স্বাধীন হয়।

## নতুন পশ্চিমীয়া সভ্যতাত মহিলাসকলৰ অৱস্থা

এতিয়া মই আপোনালোকক আৰবৰ পটভূমিৰ পিছত ইউৰোপৰ পটভূমিৰ ফালে আহো যাতে আপোনালোকে জানিব পাৰে যে আপোনাক স্বাধীনতাৰ পয়গাম দিবলগীয়া মহিলাসকল কোন অতীতৰ সৈতে সম্পৰ্ক ৰাখে আৰু আজি কোন জিহাদত আৱদ্ধ হৈ আছে।

১৭ শতাব্দীত মহিলাসকলক যাদুৰ অভিযোগত মৃত্যুৰ শাস্তি ইমান পৰিমাণে দিয়া হৈছিল যে এক শতাব্দীৰ কিছুমান কিতাপ মতে এক লাখ মহিলাক জীৱিত জ্বলাই দিয়া হৈছিল মাথোন এই অভিযোগত যে সিহঁতে বেলেগক যাদু কৰিছিল।১৬(যোল)শতাব্দীত ধাত্ৰী মহিলাসকলৰ পৰাএই শপত লোৱা

হৈছিল সিহঁতে শিশুৰ জন্মৰ সময়ত সিহঁতক যাদু নকৰিব। মহিলাসকলৰ অত্যাচাৰৰ এয়া যি বিষয় সেয়া যদি আপুনি বেলেগ দুনিয়াৰ সভ্যতাৰ সৈতে তুলনা কৰি চায়,বাকী সভ্যতা এৰি দিয়ক ইছলাম সম্বন্ধে যি এয়া কোৱা হয় যে ইছলাম বিভিন্ন ঠাইত যোৱা চৈধ্যশ বছৰত মহিলাসকলৰ ওপৰত বৰ অত্যাচাৰ কৰিছে। এই সকলো অত্যাচাৰীসকলক একত্রিত কৰি লওঁক,সেয়া একত্রিত কৰিলে চৈধ্যশ বছৰত বিস্তাৰিত হোৱা যিমান অত্যাচাৰ মহিলাসকলৰ ওপৰত ইছলামী শিক্ষাৰ বিৰুদ্ধে হৈছিল তাৰ কেই লাখ বেছি খ্ৰীষ্টান সভ্যতাত এশ বছৰৰ ভিতৰত মহিলাসকলৰ ওপৰত হৈছে; আৰু এক লাখ মহিলা বা কম বেছি তাৰ ওচৰা-ওচৰি জীৱিত জ্বলাই দিয়া হৈছে, এই সংখ্যা আচলতে সঠিক প্ৰকাশ কৰে। এই এক লাখ মহিলা যিসকলক যাদুকৰ বুলি কোৱা হৈছিল, সিহঁতৰ যেতিয়া পৰীক্ষা লোৱা হৈছিল, সিহঁতৰ পৰীক্ষা-নিৰীক্ষাৰ ফলত যাদুকৰ বুলি কোৱা হৈছিল,এই পৰীক্ষাৰ সন্মুখীনত যিসকল মহিলাক হত্যা কৰা হৈছিল সিহঁতৰ সংখ্যাৰ কোনো ৰিকাৰ্ড নাই। মহিলাসকলক যাদুকৰ বুলি ভাৰি পৰীক্ষা এইদৰে লোৱা হৈছিল যে সেই মহিলাৰ হাত ভৰি বান্ধি সিহঁতক পুখুৰীত দলিয়াই দিয়া হৈছিল। যদি তাই ডুবি গৈছিল তেতিয়া কোৱা হৈছিল তাই নিৰ্দোষ আছিল এই কাৰণে ডুবি গৈছে আৰু মানুহৰ শাস্তিৰ পৰা ৰক্ষা পাইছে আৰু যদি বাচি গৈছিল তাইক জ্বলাই দিয়া হৈছিল। হাত ভৰি বান্ধি সিহঁতক উলমাই দিয়া হৈছিল,ভৰিৰ সৈতে পাথৰ বান্ধি দিয়া হৈছিল আৰু তলফালে জুইৰ দ্বাৰা পোহৰ কৰি দিয়া হৈছিল যাৰ ফলত সিহঁতক অত্যন্ত কষ্টৰে নিজৰ জীৱন দিব লগা হৈছিল।

মহিলাসকলৰ সম্পত্তিত কোনো ধৰণৰ প্ৰশাসনীয় স্বীকৃতি দিয়া নাছিল। ১৬ (যোল) শতাব্দীত বহু পৰিমাণে এনেকুৱা ঘটনা পোৱা যায় যে স্বামীৰ এই অধিকাৰ আছিল যে যেতিয়া মহিলাসকলৰ ওপৰত কোনো অভিযোগ আছিল তেতিয়া স্বামীৰ মাথোন এইখিনি কোৱাই যথেষ্ট আছিল যে সেই মহিলাজনীয়ে অমুক বেয়া কাম কৰিছে, যাৰ ফলত তাইক হত্যা কৰি দিয়া হৈছিল। তাৰ তুলনা আপুনি কৰি চাওঁক; চৌধশ বছৰ পূৰ্বে ইছলাম এই

বিষয়ে কি শিক্ষা প্ৰদান কৰিছে। ইছলাম মাথোন পুৰুষসকলক অভিযোগ কৰাৰ অধিকাৰ দিয়া নাই,অৰ্থাৎ মহিলাসকলকো অভিযোগ কৰাৰ অধিকাৰ প্ৰদান কৰিছে; আৰু তাৰ উত্তৰত পুৰুষসকলকো অধিকাৰ দিছে আৰু মহিলাসকলকো অধিকাৰ দিছে যে যদি শপত খাই সেই অভিযোগৰ অস্বীকাৰ কৰে তেতিয়া সিহঁতে শাস্তিৰ যোগ্য নহ'ব, পুৰুষ মহিলাৰ ক্ষেত্ৰতেও একেই, আৰু উভয়কে এই অপবাদৰ পৰা মুক্ত কৰি দিয়া হ'ব।

মহিলাসকলৰ প্ৰত্যেক দিন ১৮ ঘণ্টা কাম কৰিব লগা হৈছিল,ঘৰৰ কাম কাজ ইয়াৰ বাহিৰে কৰিব লগা হৈছিল। ইংলেণ্ডৰ মুঠ মহিলাসকলৰ সংখ্যা য'ত শিশু সকলেও অন্তৰ্ভুক্ত সিহঁতৰ এক তৃতীয়াংশ নিজৰ ঘৰৰ বাহিৰে বেলেগ কাম কৰাৰ বাবে বাধ্য আছিল। মহিলাসকলক পুৰুষৰ সম্পত্তি  বুলি ভাবিছিল। মহিলাসকল সাক্ষী দিয়াৰ অধিকাৰপ্ৰাপ্ত নাছিল। আজি ইউৰোপ চিঞৰ-বাখৰ কৰি আছে যে ইছলামে এক পুৰুষৰ প্ৰতিযোগীতাত দুই মহিলাৰ সাক্ষী নিৰ্ধাৰিত কৰিছে। এয়া সিহঁতৰ ওপৰত অত্যাচাৰ আছিল যে সিহঁতৰ কোনো সাক্ষী দিয়াৰ অধিকাৰ নাছিল।

১৮৯১ চনলৈকে অৰ্থাৎ এতিয়া শতাব্দী হিচাপে কালিৰ কথা, ইংলেণ্ড,জাৰ্মানী,নাৰ্ভে,আমেৰিকা,স্কাণ্ডে নিউইয়া ইত্যাদি দেশবোৰত মহিলাসকলৰ নিয়ম অনুযায়ী পুৰুষৰ সম্পত্তিৰ ওপৰত কোনো ধৰণৰ অধিকাৰ নাছিল। মহিলাসকলৰ ভোট দিয়াৰ কোনো অধিকাৰ নাছিল। ১৯ শতাব্দীলৈ ফ্ৰান্সত স্বামী যদি মহিলাক তালাক দিছিল তেতিয়া মাকৰ শিশুৰ ওপৰত কোনো অধিকাৰ নাছিল। এনেকুৱা আছিল যে বিধৱা মহিলাও শিশুক নিজৰ অধীনত লোৱাৰ কোনো অধিকাৰ পোৱা নাছিল,অৰ্থাৎ সেই শিশুক স্বামীৰ আত্মীয় সকলৰ অধীনত কৰি দিয়া হৈছিল।

১৯ শতাব্দীত ইংলেণ্ড আৰু ফ্ৰান্সত মহিলাসকল পুৰুষৰ পৰা তালাক (বিবাহবিচ্ছেদ) ল'ব নোৱাৰিছিল। যদি পুৰুষ তাইৰ ওপৰত অপবাদ লগায় তেতিয়া তাইক অত্যন্ত শাস্তি দিয়া হৈছিল।

আৰু পুৰুষৰ বাবে এয়া নিৰ্ধাৰিত আছিল যে তেওঁ এটাতকৈ অধিক বিয়া পাতিব নোৱাৰিব কিন্তু এজনীতকৈ অধিক মহিলা বিয়া অবিহনে নিজৰ ঘৰত ৰাখিব পাৰিব। তাৰ ফলত সিহঁতৰ কাৰণে কোনো শাস্তি নিৰ্ধাৰিত নাছিল,এই পৰম্পৰা এতিয়ালৈকে অব্যাহত আছে।

দ্বিতীয় বিশ্ব যুদ্ধত মহিলাসকলক এয়া কৈ সিহঁতৰ দ্বাৰা প্ৰচুৰ কাম লোৱা হৈছে যে জাতিৰ বাবে প্ৰয়োজন; আৰু মহিলাসকলৰ বাবে বাধ্যতামূলক আছিল যে সিহঁতে জাতিৰ সেৱা আগবঢ়াব,কিন্তু যুদ্ধৰ কিছু সময় পিছতেই সেই সকলোবিলাক মহিলাক সিহঁতৰ প্ৰাপ্ত অধিকাৰ অবিহনে বিদায় দিয়ে। ১৯ শতাব্দীৰ শেষলৈকে এই পৰিস্থিতি আছিল যে মহিলাসকল ফেক্টৰী (কাৰখানা) ইত্যাদিত কাম কৰা অতি আৱশ্যকৰণীয় বুলি ভাৱিছিল। কিন্তু শিক্ষামূলক কাম কৰাৰ অনুমতি নাছিল। অৰ্থাৎ কিছুমান সেই সময়ত মহিলা লিখিকা,উদাহৰণস্বৰূপ, Marian Evans, George Eliot (1819-1880) ৰ নামত বিখ্যাত হয় যি এক পুৰুষত্ব নাম হয়,এনেকুৱা **বাৰানটে ছিছটাৰজ** যি বিখ্যাত হয়। **শ্বাৰলট** আৰু **ইয়েন** আৰু **এমলী** যিসকলে সাহিত্যৰ দুনিয়াত বিখ্যাত; তিনিওজনে প্ৰথমে পুৰুষৰ নামত নাবেল (উপন্যাস) লিখি আছিল,কাৰণ সেই যুগত মহিলাসকলৰ কাৰণে শিক্ষামূলক কাম কৰা সিহঁতৰ বাবে এটা অপৰাধমূলক কাম আছিল।

এতিয়া ইতিহাসৰ পৰা এক দৃশ্য আপোনালোকৰ সন্মুখত উত্থাপন কৰিব ধৰিছোঁ।

■ ১৮৫৭ খ্ৰীষ্টাব্দৰ পূৰ্বতে মহিলাসকল তালাক লোৱাৰ কোনো অধিকাৰ নাছিল।

■ ১৮৬৬ খ্ৰীঃব্দত প্ৰথমবাৰ কেম্ব্ৰিজৰ Examination Board য়ে ছোৱালীসকলক পৰীক্ষা দিয়াৰ অনুমতি প্ৰদান কৰে।

■ ১৮৮২ খ্ৰীঃব্দত প্ৰথম বাৰ ইউৰোপত মহিলাসকল নিজৰ নামত মাটি-জমি কিনাৰ অধিকাৰপ্ৰাপ্ত হয়।

■ ১৮৯০ খ্ৰীঃব্দলৈকে মহিলাসকল নিজৰ স্বামীৰ সম্পত্তিৰ ওপৰত কোনো ধৰণৰ অধিকাৰ নাছিল।

এয়া আছিল ১৯ শতাব্দীৰ কথা এতিয়া ২০ শতাব্দীৰ ফালে আহঁক,

■ ১৯২০ চনৰ পূৰ্বে অক্সফৰ্ড ইউনিভাৰ্ছিটিত কোনো মহিলা এডমিশন (ভৰ্তি)) ল'ব নোৱাৰিছিল।

■ ১৯৩৭ চনৰ পূৰ্বত মহিলা তালাক লোৱাৰ অধিকাৰ নাছিল।

■ ১৯৪৪ চনৰ পূৰ্বত মহিলাসকলক বিয়াৰ পিছত শিক্ষা অনুষ্ঠানৰ পৰা ওলাই দিয়া হৈছিল। অৰ্থাৎ বিয়াৰ পিছত মহিলাসকলক কোনো শিক্ষা অৰ্জন কৰাৰ অনুমতি নাছিল।

■ ১৯৪৮ চনৰ পূৰ্বত কোনো মহিলা কেম্ব্ৰিজ ইউনিভাৰ্ছিটিত ডিগ্ৰী অৰ্জন কৰিব নোৱাৰিছিল।

■ ১৯৫৩ চনৰ পূৰ্বে (অৰ্থাৎ কালিৰ কথা যেতিয়া আহমদীৰ বিৰুদ্ধে পাকিস্তানত দাঙ্গা হৈ আছিল) মহিলা শিক্ষয়ত্ৰীৰ বেতন পুৰুষতকৈ বহু কম আছিল যদিওবা শিক্ষয়িত্ৰীসকলে পুৰুষৰ নিচিনা বিষয়সমূহ শিকোৱাইছিল, আৰু সময় দিছিল।

■ ১৯৫৫ চনৰ ৰ পূৰ্বে ছোল ছাৰ্বিছত সফল হোৱা সত্ত্বেও মহিলাসকলৰ বেতন পুৰুষতকৈ বহু কম আছিল।

■ ১৯৬৭ Matrimonial Homes Act ৰ পূৰ্বে বিধানমতে মহিলাসকলক পুৰুষৰ ঘৰত থকাৰ অধিকাৰ নাছিল।

ইছলামে যি স্বাধীনতা চৌধশ বছৰ পূৰ্বে মহিলাসকলক প্ৰদান কৰিছিল আৰু যি অধিকাৰ প্ৰদান কৰিছিল সেয়া ১৯৬৭ পৰ্যন্ত পশ্চিমীয়া দেশবোৰে পোৱা নাছিল; আৰু বহু এনেকুৱা অধিকাৰ আছে যি আজিলৈকে পোৱা নাই; আৰু বৰ কষ্টেৰে জীৱন অতিবাহিত কৰিছে। বৰ অত্যাচাৰ আৰু নিৰ্যাতিত যুগৰ পৰা বাহিৰলৈ ওলাই আহিছে। তেতিয়া গৈ লাহে লাহে মহিলাসকলৰ চেষ্টাৰ ফলত এই অধিকাৰ মহিলাসকলে পোৱা আৰম্ভ

হৈছে যি অধিকাৰ সিহঁতৰ পৰা কাঢ়ি লোৱা হৈছিল। মহিলাসকল পুৰুষৰ ঘৰত থকাৰ অধিকাৰ নাছিল। ইয়াৰ অৰ্থ এয়াই যে যদি স্বামী নিজৰ স্ত্ৰীক ঘৰত ৰাখিছে সেয়া পুৰুষৰ দয়া আৰু কৃপাৰ ফলত ৰাখিছে। যেতিয়া ইচ্ছা কৰিছে তেতিয়াই কাণ ধৰি ওলাই দিছে। তাইৰ নিজস্ব কোনো অধিকাৰ নাছিল যে তাই নিজৰ স্বামীৰ ঘৰত থাকিব পাৰিব। ১৯৭৫ চনৰ পূৰ্বে মহিলাসকল নিজৰ নামত ৰাজ্যিক পেনচন অৰ্জন কৰিব নোৱাৰিছিল আৰু,

■ ১৯৭৬ চনত Domestic Violence act ৰ পূৰ্বত মহিলা নিজৰ স্বামীৰ অত্যাচাৰৰ অভিযোগ সংবিধান অনুযায়ী কৰিব নোৱাৰিছিল, অৰ্থাৎ ঘৰত যিকোনো প্ৰকাৰৰ অত্যাচাৰ নহওঁক কিয়। ইংলেণ্ডত ১৯৭৬ চনলৈকে মহিলাসকলৰ সংবিধান মতে এয়া অধিকাৰ নাছিল যে আদালতত গৈ কোনো অভিযোগ উত্থাপন কৰিব পাৰিব। আজিও পশ্চিমীয়া দেশবোৰত মহিলা নিজৰ মা-দেউতাৰ উত্তৰাধিকাৰী নাপায়। মাথোন সেইজনে পায় যাৰ এজন সন্তান। যদি এজনতকৈ বেছি সন্তান থাকে তেতিয়া ডাঙৰ ল'ৰা উত্তৰাধিকাৰী হৈছে। তাৰ Opposite ত ইছলাম মহিলাসকলক এই যুগত উত্তৰাধিকাৰীৰ যোগ্য বুলি ভাৰি উত্তৰাধিকাৰী নিৰ্ধাৰিত কৰি দিছে।

## পশ্চিমীয়া চিন্তাশীলসকল আৰু বুদ্ধিজীৱীসকলৰ দৃষ্টিত মহিলাসকলৰ অৱস্থা

এতিয়া বাইবেলৰ শিক্ষাৰ বিষয়ে কিছুমান কিতাপসমূহ উল্লেখ কৰিম যি এই বিষয়ে মনোযোগ আকৰ্ষণ কৰা সকলৰ বাবে জ্ঞান অৰ্জিত হ'ব পাৰিব। ইয়াৰ মাজত এখন কিতাপৰ নাম Benhams book of quotations ইয়াক বাইবেল কোৱা হয়,আচলতে book of quotations হয়।য'ত Biblical quotations ও আছে আৰু কিছুমান বেলেগ quotations ও আছে। এইদৰে এখন কিতাপ Great quotations নামেৰে আছে। বিভিন্ন কিতাপ আছে যাৰ পৰা মই কিছুমান শ্লোক মই আপোনালোকৰ বাবে বিচাৰি উলিয়াইছোঁ। ইউৰোপত মহিলাসকলক এয়া ধাৰণা কৰা হৈছিল সেয়া সিহঁতৰ দৰ্শন-শাস্ত্ৰ আৰু সিহঁতৰ সভ্যতাৰ পৰা শুনক।

প্ৰথম উদ্ধৃতি, পৃথিৱীত সকলো ধৰণৰ কাজিয়া-বিবাদৰ মূল মহিলাসকল। মহিলাসকলক ধৰ্মীয় কাম কৰিবলৈ নিদিব,এয়া এনেকুৱা লাগে যে মৌলৱী **মনজুৰ চিনিউটি** কৈ আছে; তেওঁ এই দাবী কৰিছিল যে দুনিয়াৰ সকলো ধৰণৰ কাজিয়া-বিবাদ আহমদীসকলৰ কাৰণে হয়,এয়াও কয় যে সাগৰত যদি দুটা মাছ কাজিয়া কৰে তাৰ দৃষ্টিত সেয়া এক আহমদীসকলৰ ফালৰ পৰা কাজিয়া আৰম্ভ হৈছে। কিন্তু উল্লেখিত উদ্ধৃতিৰ পৰা ইউৰোপৰ কিছুমান চিন্তাশীলসকলৰ দৃষ্টিত দুনিয়াত সকলো ধৰণৰ কাজিয়াৰ মূল মহিলাসকল হয়।

এই কাৰণে বাইবেলৰ উদ্ধৃতি দিয়া হৈছে। তিনিটা বস্তু এনেকুৱা যে যাক যিমানেই আঘাত কৰা হয় সিহঁতৰ বাবে উন্নত হয়। মহিলা, কুকুৰ আৰু Walnut tree (আখৰুটৰ গছ)। মহিলাসকলক ঘৰৰ পৰা তিনিবাৰ ওলাই দিয়া উচিত। এবাৰ যেতিয়া তাইৰ Christening হয় (যেতিয়া ধৰ্মীয় বৰ্ণনা অনুযায়ী তাইৰ নাম ৰখা হয়) দ্বিতীয় বাৰ যেতিয়া তাইৰ বিয়া হয়,তৃতীয় বাৰ যেতিয়া তাইৰ জানাজা ওলায়।

এটা কথা এয়া যে, মহিলাই আচলতে জাহান্নম হয়। দুনিয়াৰ সকলোবোৰ বেয়া মহিলাৰ বেয়াতকৈ কম; আৰু এটা কথা কৈছে যে মহিলা ইমান অনিৰ্ভৰযোগ্য যে তাইৰ শপত পানীৰ ওপৰত লিখা উচিত।

ইউৰোপত অত্যাচাৰ হোৱা মহিলাসকলৰ বিপৰীতে কাৰ্য-বিধি আচলতে খ্ৰীষ্টানসকলৰ নিজা শিক্ষাৰ বিৰোধ হয়। অৰ্থাৎ এয়াই কোৱা বেছি ভাল হ'ব যে এয়া খ্ৰীষ্টান সকলৰ বিচ্ছিন্ন হোৱা শিক্ষাৰ বিৰোধ হয়,যি হজৰত মছীহ নাচিৰী (আঃ)ৰ শিক্ষাৰ সৈতে কোনো সম্পৰ্ক নাই। এইদৰে এই প্ৰতিক্ৰিয়া ইউৰোপৰ ইতিহাসৰ প্ৰথাৰ বিপৰীত। য'ত পুৰুষক মহিলাৰ ওপৰত কৰ্তৃত্বপূৰ্ণ অধিকাৰ আছিল,এই অত্যাচাৰৰ বিৰুদ্ধে প্ৰতিক্ৰিয়া জাৰি আছে,কিন্তু বহুত ডাঙৰ অত্যাচাৰ যে ইছলামক মহিলাসকলৰ বিৰুদ্ধে অত্যাচাৰমূলক আন্দোলন বুলি কোৱা হৈ আছে।

স্পেইনত ইছলামী শাসন প্ৰতিষ্ঠিত হৈ আছে এই যুগত মহিলাসকলৰ অধিকাৰ সম্পৰ্কে উল্লেখ কৰিবলৈ গৈ ষ্টীনলে পোল যেনেকুৱা লিখকে

লিখিছে যে মহিলাসকলৰ সকলো ধৰণৰ শিক্ষাৰ ব্যৱস্থা আছিল,আৰু সিহঁতক উৎসা দিয়া হৈছিল যে সিহঁতে সকলো ধৰণৰ শিক্ষা অৰ্জন কৰিব। সেই যুগত কৰতবা মহিলাও আমেৰিকাৰ সভাপতি বা উপসভাপতি হ'ব নোৱাৰিছিল। আশা কৰো যে ৰিছালা টাইমৰ সম্পাদকসকলে বেলেগ ৰাষ্ট্ৰত আৰু জাতিৰ মাজত মহিলাসকলৰ সৈতে ভাল ব্যৱহাৰ কৰাৰ বিষয়সমূহৰে পৃষ্ঠাবোৰ সৌন্দৰ্যপূৰ্ণ কৰি তুলিব।

# দ্বিতীয় খণ্ড

# হজৰত খলিফাতুল মছীহ ৰাবে (ৰহঃ)য়ে মহিলাসকলৰ সৈতে ২৬ জুলাই ১৯৮৬ চনত প্ৰদান কৰা খিতাব জলছা ছালানা বৰ্তানিয়া

## সাম্যবাদত মহিলাসকলৰ স্থান

এতিয়া মই মহিলা সম্পৰ্কে Scientific ছোশিয়ালিজম বা মাৰকিছিজমৰ শিক্ষা উত্থাপন কৰিম যাক Lenin য়ে সেয়া পালন কৰিছে। এঙ্গেলেজে কৈছে যে পুৰুষ মহিলাৰ ৰিস্তা বিবাহিত ৰিস্তাত সংযুক্ত কৰা এক ভয়ঙ্কৰ কৰ্ম হয়। যেতিয়া স্বামী স্ত্ৰীৰ ৰিস্তাত মহিলা আৰু পুৰুষক সংযুক্ত কৰা হয় তেতিয়া পৰিৱেশত কেইবাধৰণৰ বেয়া সৃষ্টি হ'ব ধৰে আৰু ফলাফল এয়া ওলায় যে পুৰুষ মহিলাসকলৰ ওপৰত অত্যাচাৰ কৰিব ধৰে বা মহিলা পুৰুষৰ ওপৰত অত্যাচাৰ কৰিব ধৰে। অত্যাচাৰৰ পৰা মুক্তি পোৱাৰ মাথোন এটাই উপায় আছে যে এই ৰিস্তা বিচ্ছিন্ন কৰি দিয়া আৰু মহিলাক সাধাৰণ  ব্যক্তিৰ গোলাম বনাই দিয়া । এই শব্দ তেওঁ ব্যৱহাৰ কৰা নাই কিন্তু ফলাফল এয়া ওলায়; আৰু তাৰ ফলত যি সমস্যা সৃষ্টি হয় তাৰ এটা সমাধা ওলায়। তেওঁ কয় যে মহিলা মাথোন শিশু জন্ম দিয়াৰ বাবে ব্যৱহাৰ হ'ব; কাৰণ  মহিলাসকলৰ দ্বাৰা কাৰখানাৰ কাম লোৱা হ'ব। বাহিৰৰ দুনিয়াৰ সকলোবোৰ বোজা সিহঁতৰ ওপৰত ন্যস্ত কৰা হ'ব; আৰু মহিলাৰ অধীনত শিশুসকলক দেখা-শুনাৰ বাবে ন্যস্ত কৰা নহ'ব,এই কাৰণে শিশু জন্ম হোৱাৰ লগে লগে তাইৰ পৰা পৃথক কৰি লোৱা হৈছিল। সিহঁতক (শিশুক) চহৰত সুৰক্ষিতৰ বাবে দিয়া হৈছিল।

এয়া আছিল নতুন ব্যাখ্যাৰ নতুন কল্পনা যি মহিলাসকলৰ সম্পৰ্কে উত্থাপন কৰা হৈছিল। আলহামদুলিল্লাহ- সিহঁতৰ এই দৰ্শন-শাস্ত্ৰৰ ওপৰত কাৰ্যকৰী কৰাৰ আজিলৈকে তৌফিক হোৱা নাই। কিন্তু যদি সাম্যবাদ গোটেই পৃথিৱীত বিস্তাৰ লাভ কৰে তেতিয়া এই তৰ্ক-বিতৰ্ক নাথাকিব যে

শিশু কোন মহিলাৰ বা দেউতাৰ হয়। শিশু দেউতাৰ নে মহিলাৰ। শিশু কাৰো নহয়,অৰশেষত চহৰৰ হৈয়ে থাকি যাব; আৰু মহিলা মাথোন শিশু জন্ম দি থাকিব; আৰু এয়া অধিকাৰ লাভ কৰিব যে যি মহিলাক ইচ্ছা কৰিব তাইৰ দ্বাৰাই শিশু জন্মাব আৰু শিশু জন্ম হোৱাৰ পিছত ৰাজ্যই তাৰ দেখা-শুনা কৰিব। তাৰ পিছত তাইক কাৰখানালৈ উভতাই পঠোৱা হ'ব। তাই জানিবই নোৱাৰিব যে মই কাক জন্ম দিছিলোঁ আৰু তাৰ কেনে অৱস্থা আছে। মহিলাসকলৰ সম্পৰ্কে এনেকুৱা ভয়ানক শিক্ষা দেখাত উন্নতিশীল সেয়া ২০ শতাব্দীত জন্ম লৈ আছে। ক্ষমা হিচাপে **লেনিনে** এয়া লিখিছে যে যদিওবা আমি কুশলি, এয়া পৰিপূৰ্ণ ভাৱে বাস্তবায়ন কৰিব নোৱাৰো,কিন্তু আমাৰ শেষ উদ্দেশ্য এয়াই হয়। যেতিয়া সাম্যবাদ সম্পূৰ্ণ ভাৱে মৰ্যাদা আৰু সম্পূৰ্ণ শক্তিৰ সৈতে নিজৰ প্ৰশাসন গ্ৰহণ কৰি ল'ব তেতিয়া সকলো বংশধৰ সমাপ্ত হৈ যাব,গোটেই স্বামী স্ত্ৰীৰ সম্পৰ্ক বিচ্ছিন্ন হৈ যাব আৰু ভাই ভনীৰ কোনো পৰিচয় নাথাকিব আৰু এয়াও কোনোবাই নাজানিব যে কোনে কোন শিশুক জন্ম দিছে।

## ইহুদীসকলৰ মাজত মহিলাসকলৰ স্থান

এতিয়া মই ইহুদীসকলৰ মাজত মহিলাসকলৰ স্থান সম্পৰ্কে দৃশ্য উত্থাপন কৰিম। সিহঁতৰ বুনিয়াদ এয়া যে মহিলাসকল প্ৰথমৰে পৰা পাপী। অৰ্থাৎ আদম (আঃ)য়ে পাপ কৰাটো তৌৰাতে **হাওৱাৰ** (হজৰত আদম আঃ ৰ স্ত্ৰী)ৰ কাৰণে কৰিছে বুলি কয়। এই পাপ অব্যাহত কৰাৰ জিম্মা মহিলা হয় আৰু তাৰ শাস্তি এয়া শুনোৱা হয় যে তাই কষ্টৰ সৈতে শিশু প্ৰসৱ কৰিব আৰু তোমাৰ ইচ্ছুক নিজৰ স্বামীৰ ফালে হ'ব আৰু তেওঁ তাইৰ ওপৰত শাসন কৰিব।

আপুনি কল্পনা কৰিব এয়া ধৰ্ম বা ধৰ্মৰ কল্পনা আৰু ইছলামৰ শিক্ষা আজিৰ পৃথিৱীত যি দেখিবলৈ পাই আছো তাতোকৈ পৱিত্ৰ।

এই ভৱিষ্যতবাণীৰ মাজত বাইবেলৰ এই ভৱিষ্যতবাণীও আছে যে যেতিয়ালৈকে মহিলা পাপী থাকিব তেতিয়ালৈকে মহিলা অতি কষ্টৰ সৈতে শিশু প্ৰসৱ কৰিব। আজিলৈকে কোনো পাৰ্থক্য অবিহনে সেয়া অব্যাহত আছে। যথা সম্ভৱ বাইবেলৰ দ্বিতীয় ভৱিষ্যতবাণীৰ সম্পৰ্ক যে তোমাৰ ইচ্ছুক নিজৰ স্বামীৰ ফালে থাকিব। এই ভৱিষ্যতবাণী অধিক পৰিমাণে মিছা সাব্যস্ত হৈছে। আজিৰ পৃথিৱী পশ্চিমীয়া সভ্যতাৰ ইচ্ছাক পৰিপূৰ্ণৰ বাবে মাথোন এজন ব্যক্তিৰ ফালে ইচ্ছুক নাৰাখে, অৰ্থাৎ বাকী বহুতৰে সৈতে ইচ্ছুক ৰাখে। তাৰ দ্বিতীয় অংশ যে সি তাইৰ ওপৰত শাসন কৰিব সেয়া সঠিক নুলায়। এতিয়া বেছিৰ ভাগ মহিলা পুৰুষৰ ওপৰত শাসন কৰে।

এতিয়া মই আপোনালোকৰ মনোযোগ ইউৰোপৰ কিছুমান ৰাষ্ট্ৰৰ সংবিধানৰ ফালে আকৰ্ষিত কৰিম। যেনেকুৱা মই বৰ্ণনা কৰিছোঁ ,মহিলাসকলে নিজৰ ওপৰত হোৱা অত্যাচাৰৰ পৰা মুক্তি পোৱাৰ বাবে নিজে জিহাদ কৰিছে আৰু যেতিয়া এখন দল সৃষ্টি কৰি চেষ্টা-প্ৰচেষ্টা কৰিছে। এয়া মানুহৰ মস্তিষ্ক আৰু মনোবিজ্ঞান হিচাপে অসম্ভৱ যে সিহঁতে এই স্থান গৈ পায় যি স্থানত ৰৈ থকা দলসমূহৰ বাবে প্ৰয়োজনীয়তা হয়। য'ত ন্যায় খোজে তেতিয়া কয় ইয়াত ৰৈ যাওঁক। এই কাৰণে সদায় এনেকুৱা চেষ্টা-প্ৰচেষ্টাত মৰকজি (কেন্দ্ৰীয়) আন্দোলন হিচাপে কেইবা খোজ আগবাঢ়ি যায়; আৰু **পেনিডিলোমৰ** নিচিনা দ্বিতীয় বাৰ শেষ পৰ্যায় গৈ পায়। অৰ্থাৎ মহিলাসকলৰ স্বাধীনতাৰ আন্দোলন এই যুগত তাতোকৈ বেছি হৈ আছে,যাৰ কাৰণে আন্দোলন চলোৱা হৈছিল। যাৰ ফলত নিজৰ সঠিক আনন্দ আৰু হৃদয়ৰ তৃপ্তিৰ পৰা বঞ্চিত হৈ পৰিছে। ক'ত সেই সময়, ২০ শতাব্দীৰ প্ৰায় আধা পৰ্যন্ত বহু সংখ্যক মহিলাক নিজৰ স্বামীৰ ঘৰত কোনো ধৰণৰ অধিকাৰ নাছিল। নিজৰ মা-দেউতাৰ ঘৰতো কোনো ধৰণৰ অধিকাৰ নাছিল। নিজৰ ল'ৰা-ছোৱালীৰ ঘৰতো কোনো ধৰণৰ অধিকাৰ নাছিল; আৰু এতিয়া কিছুমান ইউৰোপ ৰাষ্ট্ৰত মহিলাসকল সেই ঘৰত স্বামী স্ত্ৰী একেলগে বাস কৰে আৰু উভয়ৰ উপাৰ্জনৰ পৰা ঘৰ নিৰ্মাণ কৰে, আৰু মহিলাসকল খং

কৰিলেও সেয়া মহিলাসকলৰ অধিকাৰ বুলি মানি লয়, আৰু তাইৰ এয়া কৰ্তৃত্ব যে যেতিয়াই ইচ্ছা কৰে কাণ ধৰি নিজৰ স্বামীক ঘৰৰ পৰা ওলাই দিব পাৰে; আৰু মাথোন তাইৰ এয়া কৰিবলগীয়া হয় যে স্বামীৰ শ্বুটকেছ দুৱাৰৰ বাহিৰত ৰাখিব আৰু এখন নোট লিখা থাকিব যে ভৱিষ্যতত তোমাৰ এই ঘৰৰ সৈতে কোনো সম্পৰ্ক নাই, নিজৰ শ্বুটকেছ উঠোৱা আৰু ওলাই যোৱা। ছুইডেনত এই বিধান অব্যাহত আছে। সংবিধান অনুযায়ী পুৰুষ মহিলা পৃথক হোৱাত সকলোবোৰ সম্পত্তি মহিলাৰ অধীনত আহিব।

মহিলাসকলৰ Nature হয়তো পৰিৱৰ্তন নহয়। যিমান স্বাধীন সিহঁতে অধিকাৰপ্ৰাপ্ত হৈছে সেয়া সিহঁত আনন্দৰ জামিন হ’ব পৰা নাই। মহিলা Naturaly বিচাৰে যে সিহঁতে কোনোবাৰ সহকাৰী যেন হয়। সিহঁতে প্ৰেমৰ হাত বিচাৰে যি সিহঁতৰ মূৰৰ ওপৰত থাকিব। এইদৰে সিহঁত মা হিচাপে শিশু যেন সিহঁতৰ অধীনত থাকে। যেতিয়া মহিলা সম্পূৰ্ণ ভাৱে স্বাধীন পাই যায় প্ৰকাশ্য ভাৱে সকলো বস্তুৰ মালিক হোৱা সত্ত্বেও দূৰত্ব হৈ যায়। এনেকুৱা সিহঁতৰ ইচ্ছুক হৈ যায় যাৰ কোনো উত্তৰ পোৱা নাযায়। অকলশৰীয়াৰ চিৰস্থায়ী অনুতাপ থাকি যায় যি কেতিয়াও শেষ নহয়, ফলত সম্পূৰ্ণ পৰিৱেশ অসন্তুষ্টি অনুভৱ কৰি থাকে। ১৯৭৮ চনত যেতিয়া মই ইউৰোপৰ পৰিবেশন কৰি আছিলো তেতিয়া স্কাণ্ডে নিউইয়াৰ ৰাষ্ট্ৰত মই নিজ চকুৰে এই অসন্তুষ্টি ভাৱ দেখিব পাৰিছোঁ। সফল বিবাহৰ পৰিৱৰ্তে অসফল বিবাহৰ সংখ্যা বহু পৰিমাণে দেখিবলৈ পোৱা যায়; আৰু সেই মহিলা যিসকলে নিজৰ স্বামীৰ পৰা পৃথক হৈছে যদিওবা সকলো সম্পত্তি তাই প্ৰাপ্ত কৰিছে তথাপিও নিজৰ অলকশৰীয়া জীৱনত অসন্তুষ্টি আৰু অসুবিধা অনুতাপ কৰে। যেতিয়া সিহঁতৰ কেইবাখন বৈঠকত বহাৰ সুযোগ হয় তেতিয়া মহিলাসকলে এই বিষয়সমূহ উল্লেখ কৰি কান্দি থাকে আৰু মৃত্যু পৰ্যন্ত এক অশান্তিমূলক অকলশৰীয়া জীৱন নিজৰ চকুৰ সন্মুখত দেখি থাকে যাৰ পৰা সাতসাৰিবৰ কোনো স্থানে নাছিল।

তাৰ মোকাবিলাত তাতে পুৰুষসকলে নিজৰ অধিকাৰ লোৱাৰ আৰু এটা পদ্ধতি অবলম্বন কৰিছে যে বিয়া অবিহনে কিয় থাকিব নোৱাৰো। দেখা শুনাৰ বাবে কোনোবাক ৰখা কোনো অপৰাধ নহয় আৰু পৰিৱেশত কোনো বেয়া বুলিও ভৰা নহয়। স্ত্ৰীতো এজন ৰাখিব লাগে, দাশ্বতায়ে (দেখা শুনা কৰাৰ বাবে ৰখিয়াল) এসময়ত কেইবাজনো ৰাখিব পাৰে। যেতিয়াই ইচ্ছা সিহঁতক ঘৰৰ পৰা ওলাই দিব পাৰে; আৰু সিহঁত দাশ্বতায়ে হিচাপে কোনো অধিকাৰ নাৰাখে। যি মহিলাসকলৰ ইচ্ছুক আছিল সেয়া স্বাধীনতাৰ আন্দোলনৰ ফলত সিহঁতৰ চাহিদাতকৈ বেছি অৰ্জিত হৈছে।

এতিয়া পুৰুষসকলৰ এই প্ৰতিক্ৰিয়াৰ ফলত মহিলাসকলৰ হাতৰ পৰা এই সকলোবোৰ পৃথক হ'ব ধৰিছে। তাতে (ইউৰোপত) বিনা আইন শিশু বহু পৰিমাণে জন্ম গ্ৰহণ কৰে; এয়া যি আইনৰ দৃষ্টিত আহিছে, যি আইনৰ দৃষ্টিত অহা নাই তাৰ সংখ্যা ইয়াতকৈ বেছি। মহিলাসকলৰ বাবে কোনো শান্তিৰ জামিন নাই।

ইয়াতোকৈ আৰু অধিক ভয়ানক বিষয় যি মাথোন স্কেণ্ডে নিউইয়ান ৰাষ্ট্ৰতেই নহয় অৰ্থাৎ পৃথিৱীৰ অইন পশ্চিমীয়া দেশবোৰতেও বৰ দ্ৰুত গতিত সৃষ্টি হৈ আছে, পুৰুষ পুৰুষৰ ফালে আকৰ্ষণ আৰু মহিলা মহিলাৰ ফালে আকৰ্ষণ। মহিলা এতিয়া নিজৰ তৃপ্তিৰ পূৰ্ণতা লাভৰ বাবে পুৰুষ এৰি দি মহিলাৰ দ্বাৰা নিজৰ তৃপ্তি পূৰ্ণ কৰে। Lesbianism কৈছে সংখ্যাৰ পৰিমাণে কৈ আছে যে মহিলাসকলৰ মাজত Lesbianism বৃদ্ধি পাব ধৰিছে; আৰু তাৰ বিপৰীতে পুৰুষসকলৰ মাজত Lesbian-ism ৰ পৰিৱৰ্তে Homosexuality ইমান বৃদ্ধি পাব ধৰিছে যে সত্যিকাৰ অৰ্থে এক ভয়ানক পৰিস্থিত সৃষ্টি কৰি আছে। আমেৰিকা আজি বেয়াৰ ক্ষেত্ৰত সকলোতকৈ বেছি অগ্ৰগতি লাভ কৰিছে; আৰু ইউৰোপ দেশবোৰ আমেৰিকাৰ পৰা বেয়া শিকি আছে। আমেৰিকাৰ পিছত ছুইডেন আৰু ডেনমাৰ্ক ইত্যাদি দেশবোৰৰ নাম আহে। ডাঙৰ ডাঙৰ Leagues আৰু ডাঙৰ ডাঙৰ পুৰুষৰ অধিকাৰ ৰক্ষাৰ Associations

মহিলাসকলৰ পৰিৱৰ্তে প্ৰতিষ্ঠিত হৈছে; আৰু সিহঁতে কয় যে আইন আমাক সেইবোৰ সুৰক্ষা দিয়ক যি সহবাসৰ সময়ত সুৰক্ষা দিয়া হয়,আৰু পুৰুষ নিয়মানুসাৰে পুৰুষৰ সৈতে বিয়া পাতিব। সিহঁতৰ ডাঙৰ ডাঙৰ জলুছ্ (মিছিল)ওলায় আৰু সিহঁতৰ জাতিগত টেলিভিছন আৰু পত্ৰিকা ইত্যাদিত সেইবোৰ দেখুৱাই থাকে যে চোৰা পুৰুষ নিজৰ অধিকাৰ গ্ৰহণ কৰি আছে আৰু এইদৰে টেলিভিছনত সকলো জাতিৰ বেয়া আচৰণৰ শিক্ষা দিয়া হয়।

অৰ্থাৎ পশ্চিমীয়া দেশবোৰ এই স্বাধীনতাৰ আন্দোলনৰ গতি পুৰুষৰেই হওঁক বা মহিলাৰেই হওঁক,দুনিয়াৰ প্ৰত্যেক ধৰ্মীয় শিক্ষা ইয়াৰ বিপৰীত, আৰু সিহঁতৰ ওপৰত আল্লাহ তা'লাৰ কোনো সহায় নাহিব। অৰ্থাৎ এই দুনিয়া স্বাধীন ভাৱে পথভ্ৰষ্ট হৈ আছে আৰু পৰিৱেশৰ অৱস্থা নিম্ন স্তৰৰ পৰা অধিক নিম্ন স্তৰৰ ফালে গৈ আছে,সিহঁতৰ আধ্যাত্মিক ৰোগৰ লগতে শাৰিৰীক ৰোগও দেখা দি আছে। বিশেষ কৰি Homosexuality ৰ পৰা Aids বিমাৰৰ সৃষ্টি হৈ আছে যাৰ চিকিৎসা অসম্ভৱ হৈ পৰিছে। তিনি ধৰণৰ আকৰ্ষণ বৃদ্ধি পাই আছে। এটা পুৰুষ পুৰুষৰ ফালে আকৰ্ষণ যাৰ ফলত মহিলাসকলক একেবাৰে এফালে ৰাখি দিয়া হৈছে। দ্বিতীয় মহিলা মহিলাসকলৰ ফালে আকৰ্ষণ যাৰ ফলত পুৰুষ সকলক এফালে ৰাখি দিয়া হৈছে। তৃতীয় আকৰ্ষণ Heterosexuality অৰ্থাৎ পুৰুষৰ ফালে আকৰ্ষণ আৰু মহিলাৰ ফালেও আকৰ্ষণ যাৰ ফলত পুৰুষসকলৰ ৰোগ মহিলাসকলৰ ফালে দ্ৰুত গতিত বিয়পিব ধৰিছে।

এই তিনিওটা বস্তু মহিলাসকলৰ অধিকাৰ নে? ইয়াৰ নাম স্বাধীন হয় নে? এইবিলাক সন্মুখত ৰখা আৰু ইছলামী শিক্ষাৰ সৈতে চলি থকা আকৰ্ষণ সমূহ তুলনা কৰক। ইছলামে মহিলাসকলক জাহান্নমৰ ফালে লৈ নাযায়,অৰ্থাৎ মানুহবিলাকৰ বেহেস্ত মাতৃৰ ভৰিৰ তলত হয়।

# ইছলাম ধৰ্মত মহিলাসকলৰ স্থান

এতিয়া ইছলামৰ কিছু শিক্ষাৰ দিক আপোনলোকৰ সন্মুখত উত্থাপন কৰো শাৰীৰিক আৰু জন্মগত হিচাপে পুৰুষ আৰু মহিলাসকলৰ মাজত এক পাৰ্থক্য আছে, ইছলাম নিজৰ শিক্ষাত এই পাৰ্থক্যক পৃথক কৰি ৰখা নাই আৰু যতেই পুৰুষ আৰু মহিলাৰ সমস্যাৱলীৰ শিক্ষাত পাৰ্থক্য কৰা হৈছে তাতে Naturaly আৰু জন্মগত পাৰ্থক্য কৰা হৈছে। এই কাৰণে এই বিষয়সমূহৰ ওপৰত আলোচনা হৈ আছে ইছলামী শিক্ষা Natural হিচাপে হয়; আৰু য'ত য'ত মহিলাসকলক স্বাধীনতা দিছে তাতে ইছলামী শিক্ষা আৰু বেছি সৌন্দৰ্যময় হৈ উঠিছে। পুৰুষ আৰু মহিলাৰ আকৃতিত আৰু সিহঁতৰ চিন্তা-ভাৱনাৰ মাজত যি পাৰ্থক্য আছে ইছলাম সেয়া এফালে নাৰাখে। উদাহৰণ স্বৰূপ মহিলা মাতৃ হ'ব পাৰে,পুৰুষ মাতৃ হ'ব নোৱাৰে। বৈজ্ঞানিক সকলে যিমানে জোৰ লগাওঁক কিয়, পুৰুষ কেতিয়া মাতৃ হ'ব নোৱাৰিব আৰু মহিলা কেতিয়াও দেউতা হ'ব নোৱাৰিব। সেই বস্তু আল্লাহ তা'লাই মহিলাসকলক প্ৰদান কৰিছে যাৰ জৰিয়তে সিহঁতে শিশু জন্ম দিব পাৰে, ন মাহ শিশুক নিজৰ পেটত লালিত-পালিত কৰে সেই কাৰণে মাকৰ শিশুৰ সৈতে ইমান দৃঢ় সম্পৰ্ক সৃষ্টি হয় যি দেউতাৰ হ'ব নোৱাৰে; আৰু সেই শিশুৰ লালন-পালন কৰাৰ বাবে বাধ্য হয়। মহিলা অবিহনে সিহঁতৰ লালন-পালন দেউতাই কৰিব নোৱাৰিব। সেই কাৰণে মহিলাসকলৰ এই বিষয়ে বেছি অধিকাৰ প্ৰতিষ্ঠিত হোৱা উচিত আছিল; আৰু সিহঁতক সংহাৰ চলোৱাৰ বাবে টকা উপাৰ্জন কৰাৰ দায়িত্ব যদি নাথাকিলেহেঁতেন তেতিয়া সিহঁতে অতি সহজে ঘৰৰ কাম-কাজ কৰিব পাৰিলেহেঁতেন, যাৰ মাজত স্বামীৰ প্ৰতি লক্ষ্য ৰখাও অন্তৰ্ভুক্ত। এই অধিকাৰ আজি কালি প্ৰতিবন্ধকতা কৰি দি আছে। অৰ্থাৎ এয়া প্ৰতিবন্ধকতা নহয়,স্বাধীনতা হয়।

অৰ্থাৎ এই সকলোবোৰ কাম য'ত মহিলা পুৰুষৰ পৰা নিজৰ যৌন অঙ্গবিন্যাসৰ বিৰোধ ৰাখে,ইছলাম তেওঁক এই সকলোবোৰ অধিকাৰ দিছে যি তাইৰ বিশেষ দায়িত্ব পূৰ্ণ কৰাৰ বাবে জৰুৰী। উদাহৰণস্বৰূপ ঘৰৰ দেখা

শুনা তাইক পৰিপূৰ্ণ ভাৱে স্বাধীনতা দিয়াৰ বাবে তাইৰ ওপৰত কোনো বাধ্যবাধকতা নাই যে তাই পাঁচ সময় মছজিদত গৈ নমাজ পঢ়িব।
হয়, যদি তাই যাব খোজে তাৰ বাবে তাইক স্বাধীনতা দিয়া হৈছে। যেতিয়া তাই গৰ্ভৱতী আৰু শিশুয়ে গাখীৰ পান কৰে তেতিয়া তাইৰ বাবে ৰোজা ফৰজ নহয়। এইদৰে মাহেকীয়াৰ সময়ত নমাজ সিহঁতৰ পৰা উঠাই লোৱা হৈছে। য'ত য'ত মহিলাসকলৰ শাৰীৰিক গঠনৰ আৱশ্যকতা তাক ইছলামে পৃথক গণনা কৰে, আৰু বেলেগ ভাৱে পূৰ্ণ কৰে। ইয়াৰ বাহিৰে মহিলা সেই অধিকাৰ আৰু দায়িত্ব ৰাখে যি পুৰুষে ৰাখে।

আল্লাহ তা'লা কোৰাণ কৰিমৰ চুৰা নিছাত বিশেষ কৰি মহিলাসকলৰ অধিকাৰ আৰু দায়িত্ব সম্পৰ্কে আৰম্ভণিতে কৈছে,

يَآأَيُّهَا النَّاسُ اتَّقُوا رَبَّكُمُ الَّذِي خَلَقَكُم
مِّن نَّفْسٍ وَّاحِدَةٍ وَّخَلَقَ مِنْهَا زَوْجَهَا
وَبَثَّ مِنْهُمَا رِجَالًا كَثِيرًا وَّ نِسَآءً (4:2)

হে মানৱজাতি ! তোমালোকৰ প্ৰভুলৈ ভয় ৰাখা,যিজনে এক আত্মাৰ পৰা তোমালোকক সৃজন কৰিলে, আৰু তাৰে পৰাই সহচৰীকো সৃজন কৰিলে আৰু নাৰীক বিস্তাৰ কৰিলে। (চুৰা নিছা আয়াত ২)

**নফছে ওৱাহিদাতৰ** বহু অৰ্থ আছে, তাৰ মাজত এটা এয়া যে আমি তোমাক এক আত্মাৰ পৰা সৃজন কৰিছোঁ,অৰ্থাৎ তোমালোকৰ মান সন্মান পুৰুষ আৰু মহিলা হিচাপে সমান। তোমালোকৰ অধিকাৰ পুৰুষ আৰু মহিলা হিচাপে সমান। তোমালোক এক আত্মাৰ পৰা সৃজনকাৰী গতিকে তোমালোকে কোনেও কাৰো ওপৰত অগ্ৰাধিকাৰ বুলি নাভাৱিবা।

এক আত্মাৰ পৰা সৃজন হোৱাৰ এয়াও এটা অৰ্থ যে মানুহৰ জীৱনৰ আৰম্ভণী এটা এনেকুৱা জীৱৰ পৰা হৈছে যি নিজৰ অস্তিত্বত পুৰুষও নাছিল মহিলাও নাছিল। উন্নতি বংশধৰৰ বাবে জীৱন এক ধৰণৰ প্ৰাথমিক

প্ৰকাৰ ব্যৱহাৰ হৈছিল, যাক নফছে ওৱাহিদা (এক আত্মাৰ পৰা সৃজন) কোৰা হৈছে; আৰু কোনো প্ৰকাৰৰ পুৰুষও নাছিল আৰু মহিলাও নাছিল। অৰ্থাৎ এই দিকৰ ফালে লক্ষ্য কৰি পুৰুষৰ মহিলাসকলৰ ওপৰত কোনো অগ্ৰাধিকাৰ নাই আৰু মহিলাসকলৰো পুৰুষৰ ওপৰত কোনো অগ্ৰাধিকাৰ নাই।

এই শিক্ষা খ্ৰীষ্টান সকলৰ শিক্ষাৰ কিমান ভিন্ন যিয়ে কয় যে মহিলা পুৰুষৰ পাঁজৰৰ পৰা সৃষ্টি হৈছে। এই কাৰণে মহিলা নিজৰ সৃষ্টিত পুৰুষৰ ওপৰত নিৰ্ভৰশীল। যথা সম্ভৱ মানুহৰ আৰম্ভণীৰ সম্পৰ্ক, কোৰাণ মজিদ এই শিক্ষাক প্ৰতিক্ৰিয়া কৰে আৰু কয় যে পুৰুষ আৰু মহিলা আৰম্ভণীত পৰস্পৰ পৰস্পৰৰ ওপৰত নিৰ্ভৰশীল নাছিল। অৰ্থাৎ সম শ্ৰেণীৰ আছিল কাৰণ সিহঁতৰ জন্মৰ আৰম্ভণী নফছে ওৱাহিদা (এক আত্মাৰ) পৰা সৃজন কৰিছে। এয়া বৈজ্ঞানিক বিষয় যি বিস্তাৰিত খোজে,কিন্তু ইয়াত এয়া বৰ্ণনা কৰাৰ সময় নাই। **নফছে ওৱাহিদাৰ** পৰা পুৰুষ মহিলা উভয়ে জন্মগ্ৰহণ কৰিছে,তাৰ উদ্দেশ্য বৰ্ণনা কৰিবলৈ গৈ কোৰাণ মজিদে কৈছে,

وَمِنْ اٰيٰتِهٖٓ اَنْ خَلَقَ لَكُمْ مِّنْ اَنْفُسِكُمْ
اَزْوَاجًا لِّتَسْكُنُوْٓا اِلَيْهَا وَجَعَلَ بَيْنَكُمْ
مَّوَدَّةً وَّرَحْمَةً ۭ اِنَّ فِيْ ذٰلِكَ لَاٰيٰتٍ لِّقَوْمٍ
يَّتَفَكَّرُوْنَ ۝٢٢

(30:22)

**অনুবাদ ঃ-** আৰু তেওঁৰ নিদৰ্শনসমূহৰ আৰু এটা এই তেওঁ তোমালোকৰ নিজৰে মাজৰ পৰা তোমালোকৰ কাৰণে সঙ্গিনীবিলাক সৃজন কৰিছে, যাতে সিবিলাকৰ সঙ্গত তোমালোকে সুখ-শান্তি লভিব পাৰা; আৰু তেওঁ তোমালোকৰ পৰস্পৰৰ হৃদয়ত প্ৰীতি আৰু কৰুণা জাগ্ৰত কৰিছে; নিশ্চয় যিসকলে চিন্তা কৰে সেই সকলৰ নিমিত্তে ইয়াত নিশ্চয় আছে বহু নিদৰ্শন।

আল্লাহ্ৰ এই আয়াতৰ পৰা জানিব পৰা যায় যে তোমালোকক পৰস্পৰে পৰস্পৰৰ সৈতে সৃজন কৰিছে, অৰ্থাৎ এজন আনজনৰ কাৰণে জোৰা সৃষ্টি কৰিছে। خَلَقَ لَكُمْ مِّنْ اَنْفُسِكُمْ اَزْوَاجًا

কিয় জন্মোৰা হৈছে? এই কাৰণে নহয় যে এজনে আনজনৰ ওপৰত বল প্ৰয়োগ কৰিব বা অগ্ৰাধিকাৰ কৰিব,কৈছে

لِّتَسْكُنُوْٓا اِلَيْهَا

যাতে তাইৰ সৈতে সুখ শান্তি লভিব পাৰা।

وَجَعَلَ بَيْنَكُمْ مَّوَدَّةً وَّ رَحْمَةً

আৰু পৰস্পৰ পৰস্পৰৰ মাজত প্ৰীতি আৰু কৰুণা সৃষ্টি কৰিছে।

اِنَّ فِيْ ذٰلِكَ لَاٰيٰتٍ لِّقَوْمٍ يَّتَفَكَّرُوْنَ ﴿٢١﴾

নিশ্চয় ইয়াত চিন্তাশীল জাতিৰ বাবে বহু নিদৰ্শন আছে।

অৰ্থাৎ বিয়াৰ পিছত যদি এই উদ্দেশ্য পূৰ্ণ নহয় বা উভয়ে এই উদ্দেশ্যক উপেক্ষা কৰে যদিওবা সেয়া পুৰুষৰে ভুল হওঁক বা মহিলাৰেই হওঁক। তেতিয়া সিহঁতে নিজৰ সৃষ্টিৰ উদ্দেশ্যক পাহৰি যায়। বিয়াৰ পিছত প্ৰীতি আৰু কৰুণাৰ বিষয়টো সদায় সন্মুখত ৰাখিব লাগে আৰু এনেকুৱা পৰিৱেশ সৃষ্টি গঢ়ি তোলা দৰকাৰ পুৰুষ আৰু মহিলাৰ বাবে প্ৰীতি আৰু কৰুণাৰ প্ৰস্ফুটিত নিজৰা প্ৰমাণিত হয় আৰু মহিলা পুৰুষৰ বাবে প্ৰস্ফুটিত ঝৰ্ণা প্ৰমাণিত হয়।

যথা সম্ভৱ পথভ্ৰষ্ট হোৱাৰ সম্পৰ্ক আৰু যথা সম্ভৱ নিজৰ সঙ্গীক এৰি বেলেগ ঠাইত হৃদয়ৰ শান্তিৰ অনুসন্ধান কৰি থকাৰ সম্পৰ্ক,ইছলাম যি বাধ্যবাধকতা লগায় সেয়া এক পাৰিবাৰিক জীৱনৰ শক্তি প্ৰদত্তৰ খাতিৰত লগায়,আৰু এই কাৰণে লগায় যে পুৰুষ আৰু মহিলাৰ সম্পৰ্ক চিৰকলীয়া প্ৰীতি যেন প্ৰতিষ্ঠিত থাকে। যদি দৃষ্টিৰে বেয়া চোৱাৰ আৰু পথভ্ৰষ্টৰ ফালে আকৃষ্ট হোৱাৰ অনুমতি দিয়া হয়; তেতিয়া ঘৰৰ মাজত অশান্তি আৰু বেছি বিস্তাৰ লাভ কৰিব। যিমানেই বেছি দৃষ্টিৰ স্বাধীনতা দিয়া হয় সিমানেই

পৰস্পৰে পৰস্পৰৰ অধিকাৰ ছিন্ন কৰিব। এই কাৰণে যেতিয়া সিহঁতৰ বাবে বাধ্যবাধকতাৰ আৰোপ লগোৱা হয় সেয়া একেবাৰে ভুল। আচলতে এয়া সুৰক্ষাৰ বিষয় আৰু বুনিয়াদী হিচাপে ইছলামে এয়া পাৰ্থিৱ পৰিৱেশত ৰাখিছে যাতে পৰিৱেশত শান্তি সুৰক্ষিত ৰাখিব পাৰে।

আৰু কোৰাণ মজিদে এই সত্য এফালে নাৰাখে, কৈছে যে মানুহৰ প্ৰকৃতিগত বৈশিষ্ট এনেকুৱা যে অৱশেষত সভ্যতাক যৌনতা স্বাধীনৰ ফালে আকৃষ্ট কৰি দিয়ে; ধৰ্মৰ পৰা পৃথক সৃষ্টি কৰিবলৈ মানুহৰ ভিতৰত কিছুমান এনেকুৱা আকৰ্ষণ সৃষ্টি হয় যাৰ  ফলতে লাহে লাহে সঠিক বাটৰ পৰা দূৰত্ব সৃষ্টি কৰি দিয়ে। গতিকে এই বিষয়ে আমি আপোনাক দোৱা শিকোৱাই আছো যদি তুমি দোৱাৰ মাধ্যমে কাম কৰা এইবিলাক শক্তি ৰক্ষা কৰিব পাৰিবা,আৰু যদি মাথোন নিজৰ শক্তিৰ বলেৰে এয়া কৰিব খোজা তুমি কেতিয়াও এইবিলাক সুৰক্ষা কৰিব নোৱাৰা। অৰ্থাৎ মোমিন সকলৰ প্ৰশংসা বৰ্ণনা কৰি কৈছে,

وَالَّذِيْنَ يَقُوْلُوْنَ رَبَّنَا هَبْ لَنَا مِنْ اَزْوَاجِنَا
وَذُرِّيّٰتِنَا قُرَّةَ اَعْيُنٍ وَّ اجْعَلْنَا لِلْمُتَّقِيْنَ
اِمَامًا ۝٧٥

(25:75)

অৰ্থাৎসেইসকল ৰহমান খোদাৰ ভৃত্যসকলে দোৱা কৰি থাকে।

رَبَّنَا هَبْ لَنَا مِنْ اَزْوَاجِنَا وَذُرِّيّٰتِنَا قُرَّةَ اَعْيُنٍ

হে আমাৰ প্ৰভু, আমাৰ পত্নীবিলাকৰ আৰু আমাৰ সন্তান-সন্ততিৰ দ্বাৰা তুমি আমাৰ নয়নসমূহ শীতল কৰা,আমাৰ হৃদয় যেন এনেকুৱা তৃপ্তিৰ সৌভাগ্য হ'ব পাৰে যে বেলেগ ঠাইত আমি শান্তিত পৰিণত হৈ নিজৰ দৃষ্টি স্বাধীনপ্ৰাপ্ত হ'ব  পাৰে।

هَبْ لَنَا مِنْ اَزْوَاجِنَا وَذُرِّيّٰتِنَا

আৰু মাথোন এয়াই নহয় অৰ্থাৎ আমি নিজৰ সন্তান-সন্ততিৰ ফালৰ পৰা আমাৰ নয়নসমূহ শীতল কৰা।

وَ اجْعَلْنَا لِلْمُتَّقِيْنَ اِمَامًا ﴿٧٥﴾

আৰু আমাক ধৰ্মনিষ্ঠাসকলৰ কাৰণে নেতৃত্ব দান কৰা।

এই আয়াতত যি পাৰিবাৰিক জীৱনৰ কল্পনা উত্থাপন কৰা হৈছে তাত পোনপ্ৰথমে যি চিন্তাশীল সেয়া এই যে মোমিনসকলে চেষ্টা নিশ্চয় কৰি থাকে কিন্তু সিহঁত সেইখিনিতেই যথেষ্ট বুলি নাভাৱে আৰু এয়া ভাৱে যে যদি খোদা তা'লাৰ ফালৰ পৰা সৌভাগ্য প্ৰদান নহয় তেতিয়া আমি আমাৰ জীৱন আনন্দময় কৰিব নোৱাৰিম। এনেকুৱা আদৰ্শ প্ৰতিষ্ঠিত কৰিব যে যেতিয়া পুৰুষ মহিলাৰ পৰা শাৰীৰিক সম্বন্ধৰ ফলত তৃপ্তি পায়,আৰু মহিলা পুৰুষৰ পৰা শাৰীৰিক সম্বন্ধৰ ফলত তৃপ্তি পায় আৰু বহু আনন্দৰ সৈতে মিলিত হয়।

আৰু এটা কথা যাৰ ফালে লক্ষ্য ৰখা প্ৰয়োজন যে সেই দোৱাত যেতিয়া সন্তানৰ বাবে নয়নসমূহৰ শীতল খোজা হৈছে,তেতিয়া এয়া প্ৰকাশ্য যে স্বামী স্ত্ৰী বিয়াৰ সময়ত অকল নিজৰ বাবেই নহয়,অৰ্থাৎ নিজৰ সন্তান সন্ততিৰ বাবে দোৱা কৰা উচিত। সন্তান-সন্ততিৰ পৰা নয়নসমূহৰ শীতল তেতিয়াই প্ৰাপ্ত হ'ব যেতিয়া সিহঁতৰ আল্লাহৰ প্ৰতি ভীতি থাকিব। নেকী আৰু পুণ্যবান হ'ব। এই কাৰণে এই দোৱাৰ শেষত এই শব্দ ৰাখি দিয়া হৈছে।

وَ اجْعَلْنَا لِلْمُتَّقِيْنَ اِمَامًا ﴿٧٥﴾

অৰ্থাৎ আমাক ধৰ্মনিষ্ঠসকলৰ কাৰণে নেতৃত্ব দান কৰা। ইয়াৰ বেছিভাগ উপকাৰ এয়াই হয় যে মা-দেউতা আৰু সন্তানৰ মাজত সেই দূৰত্ব সৃষ্টি নহয় যাক Generation gap কোৱা হয়।

যি সন্তান মা-দেউতাৰ নয়নসমূহৰ বাবে শীতল হয়,সিহঁত বাহ্যিক জগতৰ ফালে কেতিয়াও আকৃষ্ট নহয় যে সিহঁতে ঘৰৰ বাহিৰে বাহিৰত নিজৰ হৃদয়ৰ তৃপ্তি অৰ্জন কৰিব। স্কুল কলেজৰ পৰা সিহঁতে নিজৰ ঘৰলৈ উভতি আহে যাতে নিজৰ মা-দেউতাৰ ছাঁৰ তলত শান্তি প্ৰাপ্ত কৰিব পাৰে। এয়াই কোৰাণৰ শিক্ষা হয় যাক গোপন কৰাৰ ফলত দিনক দিনে পাৰিবাৰিক জীৱন ধ্বংসৰ ফালে অগ্ৰগতি লাভ কৰে আৰু সংসাৰ ভাঙিব ধৰে; আৰু স্বামী স্ত্ৰীৰ পৰস্পৰৰ সম্পৰ্ক ছিন্ন হৈ যায়। আৰু যেতিয়াই সন্তান যুৱক হ'ব ধৰে নিজৰ মা-দেউতাৰ পৰা নিজে নিজে স্বাধীন হোৱা বুলি ভাৱিব ধৰে আৰু সিহঁতৰ স্বাদ (তৃপ্তি) ঘৰৰ বাহিৰে বাহিৰৰ নাচ-গান আৰু সুৰা পান কৰাত পাই থাকে বা পৰস্পৰ যুৱকসকলৰ এটা দল সৃষ্টি কৰি গলিসমূহত আৰু বেলেগৰ ঘৰৰ শান্তি বিনষ্ট কৰি ফুৰে।

মুত্তাকীৰ অৰ্থ কোৰাণৰ ব্যাখ্যা অনুযায়ী এয়া যে মানুহ খোদাৰ প্ৰতি ভীতি সদায় নিজৰ সন্মুখত ৰাখে,আৰু বেলেগৰ অধিকাৰ পূৰ্ণ কৰিব,অৰ্থাৎ বেলেগৰ খাতিৰত নিজৰ অধিকাৰ এৰি দিয়াৰ বাবে প্ৰস্তুত থাকে। অৰ্থাৎ এই দিক হিচাপে এই দোৱাৰ এই অৰ্থ ওলায় যে হে খোদা ! আমি তোমাৰ ওচৰত অনুৰোধ কৰো যে আমাৰ সন্তান মাথোন আমাৰ নয়নসমূহৰ বাবে শীতল নহয় বৰং সকলো মানৱ জাতিৰ নয়নসমূহৰ শীতল যেন হ'ব পাৰে। সকলোৰে বাবে উপকাৰীতা যেন হ'ব পাৰে অপকাৰীতা যেন নহয়।এয়া মুছলমান পুৰুষৰ বাবে ফৰজ হয় যে সিহঁতে ইছলামী শিক্ষা যেন প্ৰতিৰক্ষা কৰে,যথা সম্ভৱ মহিলা সকলৰ সম্পৰ্ক, মহিলাসকলে ইয়াক বহু উন্নত ধৰণে প্ৰতিৰক্ষা কৰিব পাৰে। যেতিয়া সিহঁতে নিজৰ বিৰুদ্ধে ইছলামৰ ওপৰত হোৱা অত্যাচাৰ প্ৰতিৰক্ষা কৰিব তেতিয়া দুনিয়াবাসীৰ সন্মুখত সিহঁতৰ প্ৰমাণ অতি সহজে বিশ্বাসী বনাব পাৰিব। কিন্তু তাৰ বাবে

এয়া চৰ্ত আছে যে নিজে পৰিপূৰ্ণ ভাৱে সন্তুষ্ট থাকিব লাগিব। যদি নিজেই ইছলামী শিক্ষাত সন্তুষ্টি নহয়,তেতিয়া তাইৰ প্ৰমাণ ফোঁপোলা হৈ পৰিব। এই কাৰণে অতি প্ৰয়োজনীয় যে মুছলমান মহিলা নিজৰ বিষয়ে ইছলামী শিক্ষাক দৃঢ়তাৰে অধ্যয়ন কৰিব,আৰু যদি কোনো আপত্তি থাকে সিহঁতে নিজৰ আলিমসকলৰ পৰা সুধি পৰিপূৰ্ণ ভাৱে নিজকে সন্তুষ্ট কৰি তুলিব। যেতিয়া সিহঁতৰ হৃদয় সন্তুষ্টি লাভ কৰে,তেতিয়া সেইবিলাকৰ প্ৰতিৰক্ষা কৰাত আচৰিত ধৰণৰ প্ৰভাৱ বিস্তাৰ লাভ কৰে।

এই বিষয়সমূহ মই এই কাৰণে আলোচনা কৰিছোঁ যে যথা সম্ভৱ আল্লাই তা'লাই মোক তৌফিক প্ৰদান কৰিছে, মই ইছলামী শিক্ষাৰ ব্যাখ্যা আৰু তাৰ পটভূমি, তাৰ ভিতৰুৱাৰ, তাৰ অতীতৰ,বৰ্তমানৰ আৰু ভৱিষ্যতৰ ফালে সতৰ্কতা কৰাৰ চেষ্টা কৰিছোঁ যাতে আপোনালোকৰ নিজৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়াৰ বাবে বেলেগৰ প্ৰয়োজন নপৰে,আৰু আপোনালোকৰ প্ৰশ্নসমূহৰ সন্তুষ্টিমূলক উত্তৰ সমূহ এই বক্তব্যৰ পৰা পাই যায়। আল্লাহ কৰক এনেকুৱাই হওঁক আৰু মই নিজৰ উদ্দেশ্যত সফলতা হৈ যাওঁ যি মোৰ জীৱনৰ আৰু মোৰ পদৰ প্ৰকৃততে কৰ্তব্য। বাকী ইনশা আল্লাহ ভৱিষতে। খোদা হাফিজ-

# তৃতীয় খণ্ড

**১ আগষ্ট ১৯৮৭ চনত হজৰত খলিফাতুল মছীহ ৰাবে (ৰহঃ)য়ে মহিলাসকলৰ সৈতে প্ৰদান কৰা খিতাব জলছা ছালানা বৰ্তানিয়া**

তাশ্বাহুদ তাউজ আৰু চুৰা ফাতিহা পাঠৰ পিছত  হুজুৰ (ৰহঃ) য়ে নিম্ন লিখিত চুৰা নিছাৰ আয়াত তিলাওত কৰে,

اَلرِّجَالُ قَوّٰمُوْنَ عَلَى النِّسَآءِ بِمَا فَضَّلَ
اللّٰهُ بَعْضَهُمْ عَلٰى بَعْضٍ وَّ بِمَآ اَنْفَقُوْا
مِنْ اَمْوَالِهِمْ ؕ فَالصّٰلِحٰتُ قٰنِتٰتٌ
حٰفِظٰتٌ لِّلْغَيْبِ بِمَا حَفِظَ اللّٰهُ ؕ
وَالّٰتِيْ تَخَافُوْنَ نُشُوْزَهُنَّ فَعِظُوْهُنَّ
وَاهْجُرُوْهُنَّ فِي الْمَضَاجِعِ وَاضْرِبُوْهُنَّ ۚ
فَاِنْ اَطَعْنَكُمْ فَلَا تَبْغُوْا عَلَيْهِنَّ سَبِيْلًا ؕ
اِنَّ اللّٰهَ كَانَ عَلِيًّا كَبِيْرًا ۝٣٥ (4:35)

আকৌ কয় যে যোৱা বছৰ মই মহিলাসকলক বক্তব্য প্ৰদান কৰাৰ বাবে ইছলাম আৰু মহিলাসকলৰ বিষয়টো বাচি লৈছিলোঁ। সময় শেষ হোৱাৰ বাবে যোৱা বছৰ মই এই অঙ্গীকাৰ কৰিছিলোঁ যে ইনশা আল্লাহ্ য'ৰ পৰা বিষয়সমূহ এৰি দিয়া হৈছে তাৰ পৰা এই বিষয়সমূহ পৰৱৰ্তী বছৰত পৰিপূৰ্ণ কৰাৰ চেষ্টা কৰিম। আজিৰ বক্তব্যৰ বাবে যি আয়াতসমূহ মই বাচি লৈছোঁ তাৰ কাৰণ এই যে এই আয়াতত দুটা এনেকুৰা দিক আছে

যাৰ ওপৰত এই পশ্চিমীয়া দেশবোৰৰ বাসিন্দাসকলে তীব্ৰতাৰে আপত্তি কৰি থাকে। আৰু যেতিয়া মহিলাসকলৰ সম্পৰ্কে ইছলামৰ শিক্ষা পৃথিৱীৰ বুকুত উত্থাপন কৰা হয়,তেতিয়া বেছিকৈ এই দুই দিক পৃথিৱীৰ বুকুত উত্থাপন কৰা হয় আৰু সেই দুই দিক পৃথিৱীৰ সন্মুখত উত্থাপন কৰি এই কল্পনা কৰে যে ইছলাম বিশেষকৈ মহিলাসকলক গ্ৰহণ কৰাৰ যোগ্য নহয়,কাৰণ এয়া এক এনেকুৱা ধৰ্ম যি মহিলাসকলৰ ওপৰত অত্যাচাৰ কৰে আৰু সিহঁতৰ সহকাৰী হৈ নিজেই নিষ্ঠুৰতাৰ শিক্ষা দিয়ে। কিছু দিক এই সম্পৰ্কে যোৱা বছৰ বৰ্ণনা কৰা হৈছিল,এতিয়া মই বাকী দিক এই আয়াতৰ আলোকত আপোনালোকৰ সন্মুখত উত্থাপন কৰিম।

প্ৰথম অংশ যাৰ ওপৰত এই আপত্তি কৰে যে,

اَلرِّجَالُ قَوّٰمُوْنَ عَلَى النِّسَآءِ بِمَا فَضَّلَ
اللّٰهُ بَعْضَهُمْ عَلٰى بَعْضٍ وَّ بِمَآ اَنْفَقُوْا
مِنْ اَمْوَالِهِمْ ؕ

পুৰুষ মহিলাৰ ওপৰত শ্ৰেষ্ঠত্ব ৰাখে কাৰণ খোদা তা'লা কিছুমান (পুৰুষক) কিছুমান (মহিলাৰ) ওপৰত শ্ৰেষ্ঠত্ব দান কৰিছে,এই কাৰণে পুৰুষ স্ত্ৰীৰ সংৰক্ষক হয় যে সিহঁতে সংসাৰ চলোৱাৰ বাবে সম্পত্তি খৰচ কৰে।

فَالصّٰلِحٰتُ قٰنِتٰتٌ حٰفِظٰتٌ لِّلْغَيْبِ بِمَا حَفِظَ اللّٰهُ ؕ

অৰ্থাৎ ধাৰ্মীকা স্ত্ৰীসকল যিসকলে আনুগত্যকাৰী আৰু নিজৰ স্বামীৰ অনুপস্থিত নিজৰ অধিকাৰ সংৰক্ষণ কৰে, সেই অধিকাৰ যি আল্লাহ তা'লাই সিহঁতৰ ওপৰত নিৰ্ধাৰিত কৰিছে,

وَالّٰتِىْ تَخَافُوْنَ نُشُوْزَهُنَّ

কিন্তু সেই মহিলা যাৰ পৰা তুমি অবাধ্যতাৰ প্ৰভাৱ দেখিবলৈ পোৱা আৰু এয়া ভীতি হয় যে তাইৰ দ্বাৰা অবাধ্যতাৰ আচৰণ হ'ব। সিহঁতৰ সৈতে কেনেকুৱা ব্যৱহাৰ কৰিব,

কৈছে যে فَعِظُوْهُنَّ তুমি সিহঁতক উপদেশ দিয়া وَاهْجُرُوْهُنَّ فِي الْمَضَاجِعِ সিহঁতক নিজৰ শয্যাৰ পৰা পৃথক কৰি ৰাখা, وَاضْرِبُوْهُنَّ আৰু সিহঁতক প্ৰহাৰ কৰা فَإِنْ اَطَعْنَكُمْ فَلَا تَبْغُوْا عَلَيْهِنَّ سَبِيْلًا পিছত যদি সিহঁত তোমালোকৰ বাধ্য হয় সিহঁতৰ বিপক্ষে কোনো প্ৰকাৰ চেলু নিবিচাৰিবা। اِنَّ اللّٰهَ كَانَ عَلِيًّا كَبِيْرًا নিশ্চয় আল্লাহ উচ্চ মহান।

اَلرِّجَالُ قَوّٰمُوْنَ عَلَى النِّسَآءِ ৰ এক অৰ্থ এয়া হয় যে পুৰুষক মহিলাৰ শাসক বনোৱা হৈছে بِمَا فَضَّلَ اللّٰهُ ৰ এটা অৰ্থ এয়া যে আল্লাহ তা'লা সকলো ফালৰ পৰা মহিলাৰ ওপৰত শ্ৰেষ্ঠতা দান কৰিছে, অৰ্থাৎ আৰববাসী সকলে এই আপত্তি কৰে যে কোৰাণ কৰিমৰ পৰা জানিব পৰা যায় যে খোদা তা'লা পুৰুষক সৃজন কৰিছে সকলো ফালৰ পৰা উন্নত কৰি এই কাৰণে পুৰুষ মহিলাৰ ওপৰত নিৰ্দেশ চলোৱাৰ অধিকাৰ ৰাখে,অৰ্থাৎ দুয়ো ঠাইত অৰ্থ ভুল কৰিছে।

## পুৰুষ মহিলাৰ ওপৰত শ্ৰেষ্ঠতা হোৱাৰ সঠিক ব্যাখ্যা

পোনপ্ৰথমে এই শব্দ **কাওৱামুৰ** ফালে দৃষ্টি কৰো,কাওৱামু এনেকুৱা জাতক কয় যি সংশোধন কৰাৰ বাবে আগবাঢ়ে, যিয়ে সমাধা কৰাৰ চেষ্টা কৰে,যিয়ে একা-বেঁকা আৰু কুটিলতাক সমাপ্ত কৰে সঠিক সন্ধানৰ চেষ্টা কৰে,অৰ্থাৎ "কাওৱাম" পৰিৱেশত শান্তি প্ৰতিষ্ঠাকাৰী দায়িত্ববান জনক কোৱা হয়।

"কাওৱামৰ" ৰ সঠিক অৰ্থ পৰিৱেশত মহিলাসকলক সংশোধন কৰা। যদি মহিলা পৰিৱেশত অশান্তি সৃষ্টি কৰে,আৰু সিহঁতৰ মাজত কুটিলতা আৰম্ভ হৈ যায়,আৰু সিহঁতে এনেকুৱা স্বাধীন পাই যায় যাৰ ফলত সিহঁতৰ

পাৰিবাৰিক জীৱন ধ্বংস হৈ যায়,আৰু মহিলা বিপথে যোৱাৰ আগতে পুৰুষ তাইৰ নিৰীক্ষণ কৰা উচিত। কাৰণ খোদা তা'লা তেওঁক সিহঁতৰ বাবে নিৰীক্ষণকৰ্তা বনোৱাইছে,জানিব পৰা যায় যে সিহঁতে (পুৰুষসকলে) এই বিষয়ে পৰিপূৰ্ণ দায়িত্ব পালন কৰা নাই।

بِمَا فَضَّلَ اللّٰهُ بَعْضَهُمْ عَلٰى بَعْضٍ

আল্লাহ তা'লা যি বৰ্ণনা কৰিছে সেয়া এই যে খোদা তা'লা প্ৰত্যেক সৃষ্টিত কিছুমান স্ৰষ্টাৰ মাজত এনেকুৱা শ্ৰেষ্ঠতা দান কৰিছে যি বেলেগ স্ৰষ্টাৰ মাজত নাই। আৰু কিছুমানক কিছুমানৰ ওপৰত শ্ৰেষ্ঠতা দান কৰিছে। "কাওৱাম" হিচাপে পুৰুষৰ শ্ৰেষ্ঠতাৰ বৰ্ণনা ইয়াত কৰা হৈছে। তাৰ অৰ্থ এয়া নহয় যে পুৰুষ সকলো ফালৰে পৰা মহিলাসকলতকৈ শ্ৰেষ্ঠ এয়া কোৱা নাই, অৰ্থাৎ কৈছে, بِمَا فَضَّلَ اللّٰهُ بَعْضَهُمْ عَلٰى بَعْضٍ অৰ্থাৎ এক সাধাৰণ নীতি অবিৰত থকাৰ ফালে ইঙ্গিত কৰিছে,এই বিষয়সমূহৰ আয়াত কোৰাণ মজিদত বেলেগ ঠাইতো পোৱা যায়,অৰ্থাৎ কৈছে আমি কিছুমান ক্ষেত্ৰত কিছুমানক শ্ৰেষ্ঠতা দান কৰিছোঁ।

এই দৃষ্টিকোণৰ ফালে লক্ষ্য কৰি যেতিয়া আমি শব্দ **কাওৱামৰ** ফালে দৃষ্টি নিক্ষেপ কৰো,অৰ্থাৎ **কাওৱামৰ** এটা অৰ্থ শক্তিশালী হয়। আৰু সঁচাকৈয়ে ইয়াক **ছানফে লতিফ** (অতি কোমল) কোৱা হয়,আৰু পশ্চিমীয়া দেশৰ বাসিন্দাসকলে এইদৰে ইয়াক স্মৰণ কৰে, ইয়াত এক সংবেদনশীলতা পোৱা যায়, আৰু পুৰুষক এক শক্তিশালী শ্ৰেষ্ঠত্ব মহিলাৰ তুলনাত দান কৰা হৈছে,যদি এয়াই নহ'লহেঁতেন তেন্তে দুনিয়াত খেল ইত্যাদিৰ মোকাবিলা বেলেগ বেলেগ নহ'লহেঁতেন। যদি সমানে হয় তেতিয়া মহিলাসকলৰ দৌৰ পুৰুষৰ সৈতে হোৱা উচিত আছিল। পুৰুষৰ মুষ্কাবাজি মহিলাসকলৰ সৈতে হোৱা উচিত আছিল। পুৰুষৰ হোকি খেল মহিলাৰ সৈতে হোৱা উচিত আছিল। পুৰুষৰ ক্ৰিকেট খেল মহিলাৰ সৈতে হোৱা উচিত আছিল। এইদৰে পুৰুষৰ Long jump মহিলাৰ সৈতে হোৱা উচিত আছিল। যৌন সমতাৰ নতুন কল্পনাই এয়াই প্ৰয়োজনবোধ কৰেনে ? যদি নহয়,তেতিয়া

এয়া মান্য কৰা বাধ্য নহয় যে اَلرِّجَالُ قَوّٰمُوْنَ عَلَى النِّسَآءِ পুৰুষক মহিলাৰ ওপৰত এক সৃষ্টিগত বৈশিষ্ট হিচাপে শ্ৰেষ্ঠত্ব দান কৰিছে। যদি সিহঁতে কোৰাণ মজিদক মিছলীয়া বুলি কৈ আছে,তেন্তে মুখৰ দ্বাৰা মিছলীয়া বুলি নক'ব। কৰ্মৰ দ্বাৰা মিছলীয়া কৰি দেখুওৱাক।

আৰু এটা শ্ৰেষ্ঠত্বৰ কাৰণ এয়া বৰ্ণনা কৰা হৈছে,

وَبِمَآ اَنْفَقُوْا مِنْ اَمْوَالِهِمْ ؕ

কিছুমান কিছুমানৰ ওপৰত যি প্ৰাধান্য দিয়া হৈছে সেয়া **কাওৱামৰ** কাৰণেই হয় যি স্পষ্ট হৈ গৈছে। দ্বিতীয় ইছ্লামৰ অৰ্থনৈতিক ব্যৱস্থাত পুৰুষৰ এয়া ফৰজ হয় যে তেওঁ ঘৰৰ প্ৰয়োজনীয় সামগ্ৰীৰ প্ৰতি লক্ষ্য ৰাখিব; আৰু এয়া প্ৰকাশ্য কথা যে যিয়ে টকা পইচা উপাৰ্জন কৰি ঘৰৰ প্ৰয়োজনীয় বস্তু বাহানিৰ প্ৰতি লক্ষ্য ৰাখিব, এই ক্ষেত্ৰত পুৰুষ মহিলাতকৈ শ্ৰেষ্ঠত্ব ৰাখে। অৰ্থাৎ সেই জাতিবোৰ যিয়ে নিজৰ ঐক্যবদ্ধ জাতিগত সম্প্ৰদায়ৰ সম্পত্তিৰ এক অংশ বেলেগ সম্প্ৰদায়ৰ পৰা সহায় লয়, তেতিয়া সিহঁতৰ মূৰ সিহঁতৰ (সেই সম্প্ৰদায়ৰ) সন্মুখত নত হয়,আৰু সহায় আগবঢ়োৱা সম্প্ৰদায়ক এক শ্ৰেষ্ঠত্ব অৰ্জিত হয়। পশ্চিমীয়া দেশবোৰত আজি কালি পুৰুষ মহিলা উভয়ে সংসাৰ চলোৱাৰ বাবে উপাৰ্জনৰ দায়িত্ব হয়। যদিওবা এনেকুৱা নহয় যাৰ হাতত বেছি সম্পত্তি থাকে তাৰ অধীনত শাসন চলে। গতিকে এই ইছলামী শিক্ষাৰ বিস্তাৰিত ব্যাখ্যা বুজি পোৱা উচিত।

এক নিৰ্যাতন যি পশ্চিমীয়া দেশবোৰত হৈ আছে,সেয়া এই যে যদি পুৰুষ মহিলা উভয়ে উপাৰ্জন কৰে,তেতিয়াও মহিলাৰ এই কাম হ'ব যে তাই ঘৰৰ দেখা-শুনা কৰিব আৰু শিশুবিলাক লালন-পালন কৰিব। অৰ্থাৎ সিহঁতৰ ওপৰত উপাৰ্জন কৰাৰ বাহিৰেও ঘৰৰ সম্পূৰ্ণ দায়িত্বৰ বোজা পৰি গৈছে।

ইছলামৰ অৰ্থনৈতিক ব্যৱস্থাত যদি মহিলা উপাৰ্জন কৰিব খোজে তেতিয়া তাইৰ বাবে অনুমতি আছে। কিন্তু স্বামীৰ এই অধিকাৰ নাই যে সেই উপাৰ্জন কৰা সম্পত্তিৰ ফালে লোভ-লালসাৰ দৃষ্টি ৰাখে আৰু সেই মহিলাৰ উপাৰ্জনৰ ভাগীদাৰী হ'ব খোজে। যদি তাই আনন্দ মনে দিব খোজে সেয়া তাইৰ ব্যক্তিগত ইচ্ছা। আৰু যদি তাইৰ উপাৰ্জন কৰা সকলো টকা নিজৰ ইচ্ছাত নিজৰ মা-দেউতাক দিয়ে বা নিজৰ ভাইয়েকৰ বাবে খৰচ কৰে বা কোনো আৰু বেলেগ প্ৰয়োজনৰ বাবে খৰচ কৰে,তেতিয়া কোৰাণ মজিদৰ শিক্ষা অনুযায়ী কোনোমতেই পুৰুষক এই অধিকাৰ দিয়া নাই যে তেওঁ এই বিষয়ে আপত্তি কৰিব যে তোমাৰ উপাৰ্জন কৰা টকা ক'ত গ'ল। এয়া সত্ত্বেও পুৰুষৰ এয়া কৰ্তব্য যে সি মহিলাৰ দায়িত্ব পালন কৰিব আৰু সন্তান-সন্ততিৰো দায়িত্ব পালন কৰিব।

এই দৃষ্টিকোণৰ ফালে লক্ষ্য কৰি যি শ্ৰেষ্ঠত্ব দান কৰা হৈছে সেই শ্ৰেষ্ঠত্বৰ সৈতে নিজৰ দায়িত্ব পালন কৰা অধিক আৰু বেছি হৈ পৰিছে। এই শ্ৰেষ্ঠত্ব মহিলা ইচ্ছা কৰিলে লৈ ল'ব পাৰে দুনিয়াৰ কোনো পুৰুষেই এই বিষয়ে আপত্তি নকৰিব যে তুমি সংসাৰ চলোৱাৰ বাবে সকলো দায়িত্ব লৈ লোৱা, আৰু আমাক স্বাধীন এৰি দিয়া।
কোৰাণ কৰিম সঁচাকৈয়ে কৈছে যে, যাৰ ওপৰত উপাৰ্জন কৰাৰ দায়িত্ব ন্যস্ত হয় তেওঁৰ শাৰীৰিক ক্ষেত্ৰত এক শ্ৰেষ্ঠত্ব অৰ্জিত হ'ব। এয়া এক প্ৰকাশ্য ঘটনা যাৰ ওপৰত আপত্তি কৰাৰ কোনো প্ৰশ্ন নাথাকে।

ইয়াৰ পিছত আহিবলগীয়া বিষয়সমূহৰ পূৰ্বতে এখন আয়াতৰ টুকুৰা অসম্পূৰ্ণ এৰি দিয়া হৈছিল। কৈছে,

فَالصّٰلِحٰتُ قٰنِتٰتٌ حٰفِظٰتٌ لِّلْغَيْبِ بِمَا حَفِظَ اللّٰهُ ۭ

(4:35)

অৰ্থাৎ সেই ধাৰ্মীক মহিলাসকল যিসকলে (নিজৰ স্বামীৰ) আনুগত্য কৰে

আৰু নিজৰ (স্বামীৰ) অনুপস্থিত নিজৰ গোপনীয় অংগ সংৰক্ষণ কৰে,অৰ্থাৎ সেই অধিকাৰ যি আল্লাহ তা'লা সিহঁতৰ কাৰণে ফৰজ কৰিছে। এই কথাত এই আয়াত সমাপ্ত হৈ যায়, আৰু তাৰ প্ৰকাশ্য কোনো ফলাফল ওলোৱাব পৰা নাই যে যিসকল ধাৰ্মীক মহিলা সিহঁতৰ বাবে কি নিৰ্দেশ আছে,আৰু তাৎক্ষণিক ভাৱে বিষয়সমূহ সেই মহিলাসকলৰ সম্পৰ্কে আৰম্ভ হৈ যায় যে তাই অবাধ্যতা কৰিব। কোৰাণ মজিদৰ এয়া বিশেষ ধৰণ, আৰু ডাঙৰ সুদৃশ্য ধৰণ হয়,যি বিষয়সমূহ বৰ সৌন্দৰ্য্যৰ সৈতে উত্থাপন কৰে আৰু আকৃষ্ট কৰাব খোজে,কেতিয়াবা সেয়া আৰম্ভ কৰি সমাপ্ত কৰা অবিহনে এৰি দিয়ে,অৰ্থ এয়া যে নিজৰ স্ত্ৰীসকলক চোৱা, সিহঁতৰ অধিকাৰৰ পিনে লক্ষ্য কৰা,সিহঁতৰ মান-সন্মানৰ প্ৰতি লক্ষ্য ৰখা,কাৰণ তাই সকলো কিছু কৰি আছে যি তুমি তাৰ পৰা আশা কৰিব পাৰা,এয়া যাতে নহয় যে সিহঁতে তোমাৰ পৰা যি আশা কৰে তুমি সেয়া পূৰ্ণ নকৰা,এই কাৰণেই আয়াতৰ এই টুকুৰা ফলাফল অবিহনে খালি এৰি দিয়া হৈছে,কাৰণ তাৰ বহু ফলাফল ওলাব পাৰে। এয়াই কোৰাণ কৰিমৰ ধৰণ হয়।

আগৰ অংশ,

وَالّٰتِىۡ تَخَافُوۡنَ نُشُوۡزَهُنَّ فَعِظُوۡهُنَّ
وَاهۡجُرُوۡهُنَّ فِى الۡمَضَاجِعِ وَاضۡرِبُوۡهُنَّ‌ ۚ

আৰু যিবিলাক স্ত্ৰীক তোমালোকে সিহঁতৰ হক (অধিকাৰ) আদায় কৰাৰ পিছতো যদি দাঙ্গা কৰাৰ পৰা বিৰত নহয়, আৰু পুৰুষৰ ওপৰত হাত উঠোৱায়,এনেকুৱা সময়ত কি কৰিব? এয়া কোৱা নাই যে সিহঁতে দাঙ্গা কৰি থাকক,তেতিয়া তুমিও দাঙ্গা আৰম্ভ কৰি দিয়া এয়া তোমাৰ অধিকাৰ । আগত চাব তিনিটা চৰ্ত আয়াতত এনেকুৱা কোৱা হৈছে, যাৰ ফালে সমালোচনা কৰা সকলৰ দৃষ্টি নাযায়।

যদি তাই বিদ্ৰোহ কৰিয়েই থাকে আৰু পুৰুষৰ ওপৰত হাত উঠোৱাৰ পৰা বিৰত নাথাকে,তেতিয়া পুৰুষৰো কৰ্তব্য হোৱা উচিত যে তেওঁ যি

ইচ্ছা কৰক,কিন্তু কোৰাণ মজিদে ইমানখিনিতে এৰি দিয়া নাই,অৰ্থাৎ মহিলাসকলৰ কিছুমান দুৰ্বলতাৰ ফালে লক্ষ্য কৰি কৈছে, فَعِظُوهُنَّ তুমি শক্তিশালী,তুমি **কাওৱাম (সংৰক্ষক)** হয় তোমাক খোদা তা'লা কেইবা ফালৰ পৰা শ্ৰেষ্ঠত্ব দান কৰিছে,সাহস দেখোৱা আৰু প্ৰথমে নচিহত (উপদেশ) দিয়া। যদি সেই উপদেশ কাৰ্যকৰী নহয়, তেতিয়া বেলেগ খোজ ল'বা, وَاهْجُرُوهُنَّ فِي الْمَضَاجِعِ সিহঁতক নিজৰ শয্যাৰ পৰা পৃথক ৰাখিবা।

এতিয়া শয্যাৰ পৰা পৃথক কৰি ৰাখা এই সম্পৰ্কে এয়া ধাৰণা ৰখা যে এয়া এক প্ৰকাৰ শাস্তি,তেতিয়া এই ধাৰণা নিৰ্বুদ্ধিতা হ'ব। কেতিয়াবা এয়া সম্ভৱ হয় যে শয্যা পৃথক কৰাৰ ফলত মহিলা এয়া কয় যে ভালেই হৈছে যে স্বামীৰ পৰা মুক্তি পোৱা গৈছে। কিন্তু পুৰুষ যেতিয়া যৌন সম্পৰ্কৰ অধিকাৰৰ পৰা বঞ্চিত হয় তেতিয়া তেওঁ সেই মহিলাতকৈ বেছি শাস্তি অনুভৱ কৰে।

অৰ্থাৎ কোৰাণ মজিদৰ এই শিক্ষাৰ ফলত পুৰুষৰ খং ডাঙৰ কৰে আৰু তেওঁক ধৈৰ্য ধৰাৰ প্ৰতি বাধ্য কৰে। যদি এই সকলোবোৰ পদ্ধতি অৱলম্বন কৰাৰ পিছতো মহিলাৰ ভিতৰত অনুতাপ নহয় আৰু তাই আগৰ দৰেই দাঙ্গা ফাছাদ কৰা আৰম্ভ কৰি থাকে আৰু স্বামীৰ ওপৰত হাত উঠায়, এনেকুৱা পদ্ধতিত সাধৰণতে ন্যায়ৰ ধৰণ কি হ'ব ? তেতিয়া পুৰুষেও তাইৰ ওপৰত কিছুমান পদ্ধতি অৱলম্বন কৰি তাইক ভদ্ৰতা ও নম্ৰতা অৱলম্বন কৰাৰ বাবে বাধ্য কৰিব।

মহিলাসকলক প্ৰহাৰ কৰাৰ যি অনুমতি আছে সেয়া কিছুমান শক্তিশালী চৰ্তৰ সৈতে সীমাবদ্ধ কৰি ৰাখিছে। আঁ-হজৰত (ছাঃ)য়ে কৈছে যে শাস্তি তেনেকুৱা ভাৱে দিয়ক যে মহিলাসকলৰ মুখত থাপ্পৰ নামাৰিবা; আৰু তাইৰ শৰীৰত শাস্তিৰ ফলত যাতে কোনো চিহ্ন নপৰে। যেনেকুৱা শিশুসকলক নম্ৰতাৰ সৈতে প্ৰহাৰ কৰা হয় তেনেকুৱাই যদি নম্ৰতাৰ সৈতে প্ৰহাৰ কৰা হয় সেয়া উত্তম। দৈনন্দিন অভিজ্ঞতাৰ পৰা

এই কথা প্ৰমাণ হয় যে বহু জোৰে চিমটি (ডা) কাটে তেতিয়াও এক চিহ্ন হৈ যায়,যদি লাঠিৰে প্ৰহাৰ কৰা হয় তেতিয়া তাৰ প্ৰগাঢ় চিহ্ন থাকি যায়। অৰ্থাৎ এইবিলাক পদ্ধতি অৱলম্বন কৰা ভুল। আকৌ কৈছে,

لَا تُضَآرَّ وَالِدَةٌۢ بِوَلَدِهَا وَلَا مَوْلُوْدٌ لَّهٗ بِوَلَدِهٖ

(2:234)

যদি দুয়োজনৰ মাজত বিৰোধ সৃষ্টি হৈ যায়, পৃথক হ'বলগীয়া হয়,তেতিয়া এই সিদ্ধান্ত দিয়া নহ'ব,যাৰ ফলত মাতৃক নিজৰ ল'ৰাৰ বাবে আঘাত জন্মে। وَلَا مَوْلُوْدٌ لَّهٗ بِوَلَدِهٖ আৰু দেউতাকো নিজৰ ল'ৰাৰ দ্বাৰা দুঃখ দিব নোৱাৰে। এই শিক্ষা উভয়ক একেবাৰে সমান কৰি দিছে।

## বিভিন্ন ধৰ্ম আৰু জাতিৰ মাজত মহিলা সম্পৰ্কে শিক্ষা

ইয়াৰ তুলনাত আমি দেখিবলৈ পাওঁ যে বেলেগ জাতিত বা ধৰ্মত মহিলা সম্পৰ্কে কি উল্লেখ পোৱা যায়।

প্ৰথম কথা এই বিষয়ে এয়া হোৱা উচিত যে যেতিয়াই পশ্চিমীয়া দেশবোৰত এই বিষয়ে তৰ্ক-বিতৰ্ক হয় তেতিয়া ভুল ধাৰণা স্কীমেৰে কাম লোৱা হয়। আৰু ভুল ধাৰণা স্কীম এয়া যে পশ্চিমীয়া সভ্যতা ইছলামৰ প্ৰতিযোগীতা হিচাপে উত্থাপন কৰা হয়। অথচ পশ্চিমীয়া সভ্যতা কোনো ধৰণৰ ধৰ্ম নহয়। ইছলাম এক ধৰ্ম। যদি অগ্ৰাধিকাৰ উত্থাপন কৰা উদ্দেশ্য হয়,তেতিয়া বাইবেলৰ শিক্ষা কোৰাণৰ শিক্ষাৰ ওপৰত অগ্ৰাধিকাৰ দেখুওৱা প্ৰয়োজন। আৰু এয়া স্বীকৃতিপ্ৰাপ্ত তুলনা। ইহুদীসকলৰ শিক্ষাৰ অগ্ৰাধিকাৰ,খ্ৰীষ্টানসকলৰ শিক্ষাৰ অগ্ৰাধিকাৰ দেখুওৱা হয় তেতিয়া এই আলোচনা ব্যক্তিগত সম্পৰ্ক নহ'ব।কিন্তু যেতিয়া ধৰ্মৰ মোকাবিলাত সভ্যতাৰ আলোচনা আৰম্ভ কৰি দিয়া হয়,তেতিয়া এয়া একেবাৰে সম্পৰ্কহীন কথা।

কিন্তু মই এই বিষয়টো পিছত আলোচনা কৰিম। মই আপোনালোকক এই ফালে আকৃষ্ট কৰিব খোজো যে যেতিয়া কোনো অন্য ধৰ্মাৱলম্বী অনুসৰণকাৰী আপোনাৰ সন্মুখত ইছলামী শিক্ষাৰ ওপৰত আক্ৰমণ চলায় তেতিয়া পোন প্ৰথমে সিহঁতৰ ধৰ্মীয় গ্ৰন্থসমূহৰ পৰা মহিলা সম্পৰ্কে প্ৰদান কৰা শিক্ষাৰ সৈতে ইছলামী শিক্ষাৰ তুলনা কৰিব।

ইয়াৰ পূৰ্বে ইছলামী শিক্ষা বিস্তাৰিত ভাৱে বৰ্ণনা কৰি দিয়া হৈছে,এতিয়া চাওঁক বেলেগ ধৰ্ম গ্ৰন্থ এই বিষয়ে কি শিক্ষা প্ৰদান কৰে,

## বাইবেলৰ শিক্ষা

বাইবেল কয় স্ত্ৰী নিজৰ স্বামীক ভয় কৰি থাকিব। ( ইমছাল ৫: ২৮,৩৩) পেদাইশ্ব ৩:১৬ ত লিখা আছে স্বামী তোমাৰ ওপৰত শাসন চলাব।

এতিয়া যি আৰোপ ইছলামৰ ওপৰত কৰি আছিল সেই আৰোপ বাইবেলৰ পৰা প্ৰমাণ কৰা হ’ল। যদি শাসন চলোৱা অগ্ৰাধিকাৰ হয়,তেতিয়া বাইবেল নিজেই এই শাসনৰ বুনিয়াদ সৃষ্টি কৰিছে।

## ইনজিলৰ (গছপেলৰ) শিক্ষা

যথা সম্ভৱ ইনজিলৰ সম্পৰ্ক,ইনজিল কয় যে, মই অনুমতি নিদিওঁ যে মহিলা শিকোৱাব বা পুৰুষৰ ওপৰত শাসন চলাব,অৰ্থাৎ নীৰৱ থাকিব। (তেমতাহাছ বাব ১,আয়াত ১২),যথা সম্ভৱ শিকোৱাৰ সম্পৰ্ক,এই কথা সাধাৰণ কৰি দিছে, মাথোন ধৰ্মৰ বিষয়েই নহয়,দুনিয়াতেও মহিলা কোনো ধৰণৰ শিক্ষা দিব নোৱাৰিব। আৰু পুৰুষৰ ওপৰত শাসন চলোৱা বন্ধই নহয় তাইৰ মুখখন বন্ধ কৰি দিছে যে নীৰৱ থাকিব। শাসন চলোৱাৰ কথা যদি নাথাকিলেহেঁতেন তেতিয়া ঠিক আছিল। মহিলাসকল এনেই বেছি কথা কোৱাৰ ইচ্ছা ৰাখে। তাইক বোবা কৰি দিছে এয়া কেনেধৰণৰ

ন্যায় ?

আকৌ কৈছে, তাই পুৰুষৰ কৰ্তৃত্ব হৈ থাকিব,আৰু তাই চিহ্ন হিচাপে নিজৰ মূৰ ঢাকি ল’ব। (কৰণতহিও ১৪:৩৪)

এই বিষয়ে এয়া কোৱা হয় যে খ্ৰীষ্টানজগতে এই শিক্ষাক ভ্ৰষ্টতা কৰি দিছে।

## হিন্দু ধৰ্মৰ শিক্ষা

যথা সম্ভৱ হিন্দু ধৰ্মৰ সম্পৰ্ক তাত ছোৱালীৰ জন্ম হোৱাত মনহুছ (দুৰ্ভাগ্য) বুলি কয়, যেনেকুৱা আৰবত ছোৱালীসকলক জীৱিত দফন কৰি দিয়া হৈছিল,এইদৰে হিন্দু ধৰ্মৰ গ্ৰন্থ অধ্যয়ন কৰাত এয়া জানিব পৰা যায় যে পূৰ্বৰ যুগত হিন্দু সকলৰ মাজত এয়া প্ৰথা আছিল ভাল বংশধৰ মানুহ সকল নিজৰ ছোৱালীক জন্ম হোৱাৰ লগতে মাৰি পেলোৱা হৈছিল।ছোৱালী সকলৰ বিয়াৰ বাবে সিহঁতৰ অনুমতিৰ প্ৰয়োজন নাছিল। আৰু বিধৱাসকলৰ বাবে দ্বিতীয় বিয়াৰ কোনো অনুমতি নাছিল। তাইৰ মূৰ টাকলা কৰা হৈছিল,আৰু সদায় বগা কাপোৰ পিন্ধিব লগা হৈছিল,ভৱিষ্যতে তাই কোনো ৰং বিৰঙ্গ কাপোৰ পিন্ধিব নোৱাৰিছিল। কোনোবাৰ বিয়াত অংশ গ্ৰহণ কৰিব নোৱাৰিছিল। নিজৰ খাদ্য নিজে তৈয়াৰ কৰিব লগা হৈছিল,কোনোবা তাইক খাদ্য তৈয়াৰ কৰি দিব নোৱাৰিছিল। ইয়াৰ বাহিৰেও বহু ভয়াবহ অত্যাচাৰ হৈছিল,হিন্দু ধৰ্মই মহিলা সকলক এই শিক্ষা দিছিল যে স্বামীৰ মৃত্যু হলে তুমিও অগ্নিত জ্বলি মৰিবা। হিন্দু বিধৱা সকলৰ বাকী জীৱন ইমান কষ্টকৰ আছিল যে তাইৰ কাৰণে অগ্নিত জ্বলি মৃত্যু হোৱাই উত্তম আছিল।

**মনুছমিৰতিত** যি মহিলা সম্পৰ্কে শিক্ষা দিয়ে সেয়া পশুতকৈয়ো নিকৃষ্ট। তাইক কোনো বস্তুৰ উত্তৰাধিকাৰী দিয়া নাছিল। আৰু ইয়াৰ বাহিৰেও এনে কিছুমান বেয়া প্ৰথা আছিল যাৰ বিষয়ে ইয়াত আলোচনা কৰা সম্ভৱপৰ

নহয়। অৰ্থাৎ এই শিক্ষাৰ পৰা প্ৰভাৱান্বিত হৈ এজন হিন্দু কবি **তুলছি দাছে** লিখিছে যে, জন্তু আৰু মহিলাক যদি প্ৰহাৰ কৰিয়েই থাকে তেতিয়া ঠিক আছে।

## পশ্চিমীয়া সভ্যতাত মহিলাসকলৰ সৈতে হোৱা ব্যৱহাৰৰ কিছু সততা

কিছুমান ডাঙৰ ধৰ্মৰ সৈতে এই সংক্ষিপ্ত তুলনাৰ পিছত মই সামাজিক আৰু সভ্যতাৰ তুলনাৰ ফালে আহো,

পশ্চিমীয়া বাসিন্দাসকলৰ নিজৰ সভ্যতাৰ ওপৰত গৌৰৱ আছে আৰু সিহঁতে এয়া ভাৱে যে আৰববাসী সকলৰ সভ্যতা ইছলামী সভ্যতাৰ তুলনাত মহিলাসকলৰ বাবে বহু উন্নত। আৰু চৌধশ বছৰ পূৰ্বত আঁ-হজৰত (ছাঃ)ৰ পৱিত্ৰ হৃদয়ত অৱতীৰ্ণ হোৱা শিক্ষাৰ ওপৰত যি আপত্তি কৰে তাৰ তুলনাত আজি কালি পশ্চিমীয়া শিক্ষাক উত্থাপন কৰে,আৰু তাৰ লগত তুলনা কৰি আনন্দ উপভোগ কৰি কয় যে চোৱা আজি যিবোৰ মহিলাসকলৰ বিষয়ে কোৱা হৈছে চৌধশ বছৰ পূৰ্বত তোমালোকে তাৰ পৰা অপৰিচিত আছিলা। অৰ্থাৎ এনেকুৱা ভাৱে তুলনা কৰি উত্থাপন কৰাৰ চেষ্টা কৰে। এতিয়া মই আপোনালোকৰ সন্মুখত ঘটনাসমূহ উত্থাপন কৰিম যি এই দাবীক সম্পূৰ্ণ ৰূপে মিছলীয়া সাব্যস্ত কৰিব।

চৌধ্যশ বছৰ পূৰ্বত ইছলাম মহিলাসকলৰ সম্বন্ধে যি শিক্ষা প্ৰদান কৰিছিল আজিৰ ইউৰোপ এই শিক্ষাৰ ভৰি স্পৰ্শ কৰাৰো তৌফিক পোৱা নাই। আৰু মই যেতিয়া এই দাবী কৰো আৰববাসীৰ নিজৰ ভাষাত এই সততাক আপোনালোকৰ সন্মুখত উত্থাপন কৰো যাক মিছলীয়া সাব্যস্ত কৰাৰ কোনোবাৰ অধিকাৰ নাই।

পোন প্ৰথমে মই Tyneside council & Northumberland of social services ৰ ৰিপোৰ্টৰ ফালে আপোনালোকক আকৃষ্ট কৰো যিয়ে লিখিছে যে ইংলিস্থানত ১৯১৫ চনত এটা আইন প্ৰণয়ন কৰে আৰু আইন এক মেজেষ্ট্ৰেটৰ সিদ্ধান্তৰ আকাৰত প্ৰকাশ পায়,যিয়ে এই সিদ্ধান্ত দিছিল যে স্বামী নিজৰ কাজিয়া কৰা মহিলাক মাৰ-পিট কৰিব পাৰে।(report of northumberland & tyneside council of social services 1915,page 84)

যথা সম্ভৱ এই কথাৰ সম্পৰ্ক,এয়া সেই কথা যি ইছলামে উত্থাপন কৰিছিল কিন্তু বহু বাধ্যবাধকতাৰ সৈতে য'ত পশ্চিমীয়া দেশবোৰ হৈ হাল্লা কৰে। কিন্তু সিহঁতে ইংলিস্থানৰ সংবিধানত ১৯১৫ চনত যিবিলাক চৰ্ত ৰাখিছে সেয়া এই যে হয়তো মাৰ-পিট কৰিব পাৰে কিন্তু চৰ্ত এয়া আছিল যে যি চাকুৰে প্ৰহাৰ কৰিব সেয়া পুৰুষৰ মোটা আঙুঠিতকৈ ডাঙৰ হ'ব নোৱাৰিব,যিমানে প্ৰহাৰ কৰক, ক'ত ক'ত প্ৰহাৰ কৰিব,প্ৰহাৰ কৰাৰ সময়ত কোন ফালে লক্ষ্য ৰাখিব এই বিষয়ে একো উল্লেখ নাই। আৰু আপোনালোকে গম পায় ইয়াত যিসকল মাটি জমিৰ মালিক হৈছে সিহঁতৰ আঙুঠি বহু পৰিমাণে মোটা হয়। অৰ্থাৎ আঙুঠিৰ নিচিনা মোটা কটাৰীৰে প্ৰহাৰ কৰা মহিলাজনীৰ প্ৰতি দয়া কৰা সমৰ্থক কৰে। অভিযোগ কৰা সময়ত আদালত মাথোন মোটা কটাৰী আৰু মোটা আঙুঠিৰ সৈতে তুলনা কৰিব পাৰে তাতকৈ বেছি নহয়।

এই আইন সেই ভাৱেই অব্যাহত আছে, অৰ্থাৎ যোৱা কালিৰ কথা আছিল যে ১৯৭০ চনত প্ৰথমবাৰ মহিলাসকলে Domestic Violence ৰ বিৰোধ এক সংগ্ৰাম আৰম্ভ কৰিছে আৰু ইংলেণ্ডক সভ্যতা শিকোৱাৰ চেষ্টা কৰিছে। ১৯৭০ চনত প্ৰথম বাৰ সিহঁতৰ এই প্ৰয়াস আৰম্ভ হয় আৰু ১৯৭৩ চনলৈকে তাৰ কি ফলাফল ওলাইছিল ? সেই সম্পৰ্কে The Marital Violence Community Response by Boxkwski Muxch and Walker. Taxistock Publica-

tion যি ১৯৮৩ চনত প্ৰকাশ হৈছে, এই কিতাপৰ পৰা এটা উদ্ধৃতিৰ অনুবাদ উত্থাপন কৰো। সেয়া লিখিছে Ashley ত ১৯৮৩ চনত এজন ছাৰ্ভে কৰা জনে কৈছে যে ইংলেণ্ডত প্ৰত্যেক বছৰ ২৭ হাজাৰ Serious cases হয় য'ত পুৰুষ নিজৰ স্ত্ৰীক মাৰি ক্ষত কৰি দিয়ে। ১৯৭৩ চনত মহিলাসকলৰ পৰিৱেশত সংশোধনৰ চেষ্টাৰ ফলত যিমান পৰিৱেশত শুধৰণী হৈছিল তাৰ এয়া আদৰ্শ হয়। আৰু এটা ছাৰ্ভেৰ পৰা জানিব পৰা যায় সংখ্যা তাতোকৈ বেছি আছিল।অৰ্থাৎ দুই লাখৰ ওচৰা-ওচৰি। ইয়াৰ বাহিৰেও কয় যে সেই সংখ্যা গণিব পৰা নাযায় কাৰণ বেছিৰ ভাগ মহিলা মাৰ খাই থাকে আৰু নীৰৱ থাকে কাৰণ তাই লাজ অনুভৱ কৰে যে অনুসন্ধান কৰা সকলক ক'ব যে তাইৰ স্বামী আমাৰ ওপৰত হাত উঠাইছে। Parliamentary select committee পৃঃ ১১ৰ পৰা ২১ on violence in marrige ত লিখিছে যে এই ধৰণৰ সঠিক অনুমান কৰা অসম্ভৱ। অৰ্থাৎ আৰু এজন ৰিপোৰ্টাৰে লিখিছে যে ১৯৭৭ চনত কেৱল Bristol এলেকাত পাঁচ ছয় হাজাৰ গোচৰ পুলিছ ৰিপোৰ্ট মতে দাখিল হৈছে য'ত মহিলাসকলে এই অভিযোগ কৰিছে যে পুৰুষে আমাক নিষ্ঠুৰ ভাৱে মাৰ-পিট কৰিছে।

এইদৰে Erin Pizzy ৰ কিতাপ যাৰ টাইটেল Scream quielty or the neighbours will hear এই কিতাপ ১৯৭৪ চনত Penguin য়ে প্ৰকাশ কৰিছে। এই কিতাপত মহিলাসকলৰ ওপৰত অত্যাচাৰ কৰা সম্বন্ধে বহু ভয়াবহ কাহিনী আছে। এটা বৰ্ণনা অনুযায়ী মহিলাসকল মাৰ খাই খাই ক্ষতপ্ৰাপ্ত আৰু ভাঙি যোৱা হাড় চিগাৰেটেৰে জ্বলোৱাৰ এক ভয়াবহ ক্ষতৰ কাহিনী হয়।

এই কাহিনীৰ ব্যাখ্যা এৰিব ধৰিছোঁ যিজনে কিতাপ দেখিব খোজে দেখিব পাৰে বহু ভয়াবহ ঘটনা ইয়াত উল্লেখিত আছে যে কেনেকৈ সুৰাৰ বতলবোৰ মহিলাসকলৰ মূৰৰ ওপৰত মাৰি মাৰি ভঙা হৈছে আৰু সিহঁতক বান্ধি চিগাৰেটেৰে জ্বলোৱা হৈছে।

এয়া কেৱল অতীতৰ কথা নহয়, অৰ্থাৎ আজিও বহু শ্ৰমিক লোকৰ ঘৰত এনেকুৱা হৈয়ে আছে। ১৯৭৬ চনত প্ৰথম বাৰ ইংলেণ্ডত Violence ৰ বিৰুদ্ধে act বনোৱা হয়। প্ৰথা অনুযায়ী ১৯১৫ চনলৈ আইন সেই সময়লৈকে শেষ হোৱা নাছিল যেতিয়ালৈকে নতুন আইনে সেয়া বাতিল নকৰে। ১৯৭৬ চনত প্ৰথমবাৰ প্ৰকাশ্য ভাৱে এই আইনক বাতিল কৰা হয়; আৰু ১৯৮১ চনত তাৰ প্ৰভাৱ হোৱাৰ বিৱৰণ লোৱা হয় যে তাৰ ফলত পৰিৱেশত কিমান ভাল প্ৰভাৱ পৰে। অৰ্থাৎ wafe ৰ ৰিচাৰ্জ দলে ৰিপোৰ্টি কৰিছে যে এই act ৰ কোনো প্ৰভাৱ বিস্তাৰ হোৱা নাই। কাৰণ জাজ (ন্যায়াধীশ) যেতিয়ালৈকে এই কথাৰ সন্তুষ্টি নহয় যে কঠোৰতা সীমা অতিক্ৰম কৰি গৈছে, তথাপি তাই পুৰুষক ঘৰৰ পৰা ওলাই দিব নোৱাৰিছিল। যদি তেওঁক ঘৰৰ পৰা ওলাই দিয়া হয় তেতিয়া চৰকাৰৰ এই সমস্যা আহি যায় যে সেই পুৰুষ Homless হৈ যায়। আৰু স্থানীয় কাউন্সিলাৰে তাৰ দায়িত্ব গ্ৰহণ কৰিবলগীয়া হয়। এই ৰিচাৰ্জ দলে যি ফলাফল প্ৰকাশ কৰিছে সেই অনুযায়ী ৬৫৬ নিৰ্যাতন হোৱা মহিলাসকলৰ পৰা ইণ্টাৰভিউ লোৱা হৈছে য'ত ৬৪ শতাংশই কৈছে যে সিহঁতৰ স্বামীয়ে সিহঁতক মাৰ-পিট কৰিছে এই ৰিপোৰ্ট পুলিচক কৰা সত্ত্বেও সিহঁতে একো সহায় নাপায়। সিহঁতে কয় যে সিহঁতে ঘৰৰ কাজিয়াত হস্তক্ষেপ কৰিব নোৱাৰে। বাকী ৩৬ শতাংশই কয় যে পুলিচক মতা হৈছে কিন্তু সিহঁতে বিশ্বাসেই নকৰে সিহঁতক মাৰ-পিট কৰে বুলি। মহিলাসকলৰ এই ৰিপোৰ্টৰ প্ৰভাৱ এয়া আছিল যে পুলিচকৰ্মী বেছিৰ ভাগ পুৰুষেই আছিল সেই কাৰণে সিহঁতে এইবিলাক ঘটনাত পুলিচ পুৰুষসকলৰ সহকাৰী হৈছিল আৰু মহিলাসকলৰ অভিযোগ শুনা নাছিল।

South London Press ৰ জুমা ১২ জুন ১৯৮৭ চনত প্ৰকাশিত হোৱা খবৰত এয়া প্ৰকাশ পায় যে দেউতাই এবছৰীয়া ছোৱালী শিশুক মূৰৰ ওপৰত এনেভাৱে প্ৰহাৰ কৰে যে তাইৰ মূৰৰ হাড়বিলাক ভাঙি যায়। ডাক্তৰ চাহাবে কয় যে শিশুজনী গোটেই জীৱনৰ বাবে অন্ধ হৈ গৈছে আৰু

শিশুটি গোটেই জীৱন মৃগী ৰোগত আক্ৰান্ত হৈ থাকিব আৰু ইয়াৰ বাহিৰেও আৰু কিছুমান ৰোগ দেখা দিব।

টাইমছ ২০ জুন ১৯৮৭ চনৰ পৃঃ ৪ ত লিখা আছে Portsmouth এজনী পাঁচ বছৰীয়া শিশু ছোৱালীক তাৰ দেউতাই Rape কৰিছে N.S.P.C.C ৰ ধাৰণা অনুযায়ী ১৯৮৬ চনৰ নিৰ্যাতিত শিশু ছোৱালীৰ ৰেজিষ্ট্ৰাৰ অনুযায়ী শিশু সকলৰ সংখ্যা দহ হাজাৰ আছিল। এই ছোৱালী সকলৰ বয়স ১৫ বছৰতকৈ কম আছিল। ১৯৮৫ চন পৰ্যন্ত ইংলিস্থান আৰু ৱেলজত এনেকুৱা নিৰ্যাতিত হোৱা সকলৰ সংখ্যা ৪২ শতাংশ বৃদ্ধি পাইছে। এইটো আইন হোৱাৰ পিছত আৰু আন্দোলন হোৱাৰ পিছৰ এই কাহিনী।(ইছলামী ৰাষ্ট্ৰসমূহত যদিওবা বেয়া প্ৰথা ধৰা পৰিছে কিন্তু এনেকুৱা ভয়াবহ অপৰাধ দেখিবলৈ পোৱা নাযায়) যি কম বয়সীয়া ছোৱালীহঁতৰ সৈতে দেউতাৰ ফালৰ পৰা অপকৰ্ম হৈ আছে। কাৰণ এই বিষয়সমূহ কোমল লিঙ্গৰ সৈতে সম্পৰ্ক ৰাখে। যাৰ কাৰণে মই মাথোন শিশুসকলৰ বিষয়ে তালিকা উত্থাপন কৰিছোঁ।

N.S.P.C.C য়ে উত্থাপন কৰা গণনা হিচাপে প্ৰত্যেক বছৰ দ্বিগুণ বৃদ্ধি পাই আছে। অৰ্থাৎ আহিবলগীয়া কেইবা বছৰৰ মাজত আপুনি সম্ভৱত সেই ঘৰবোৰ বিচাৰি উলিয়াব লাগিব যি ঘৰবোৰত মহিলা আৰু নিৰ্দোষ শিশু ছোৱালীৰ ওপৰত অত্যাচাৰ নহয়।(টাইমছ ২০ জুন ১৯৮৭ পৃঃ ৪)

বিখ্যাত পত্ৰিকা The independent য়ে ৩০ জুন ১৯৮৭ চনত প্ৰকাশ পোৱা খনত লিখিছে যে N.S.P.C.C ৰ এক ৰিপোৰ্ট অনুযায়ী যোৱা বছৰ Sexually abused শিশু সকলৰ সংখ্যা ১৩৭ শতাংশ বৃদ্ধি পাইছে,অৰ্থাৎ এয়া এক অনুমানিক ধাৰণা উত্থাপন কৰা হৈছে যে প্ৰত্যেক বছৰ দ্বিগুণ বৃদ্ধি পাই আছে। কিন্তু বিভিন্ন এজেন্ডাৰ ধাৰণা যি আগতে উত্থাপন কৰা হৈছে The independent ত প্ৰকাশ হোৱা ৰিপোৰ্ট অনুযায়ী সিহঁতৰ পূৰ্বত প্ৰকাশ হোৱা ৰিপোৰ্টতকৈ বহুত বেছি।

এই মতে ইয়াত ৮০ শতাংশ শিশু ছোৱালীয়ে ৫৭ শতাংশ ল’ৰাৰ সৈতে সম্বন্ধ ৰাখে।(Guardian ৭ জুলাই ১৯৮৭ পৃঃ ১)

যথা সম্ভৱ এই ৰাষ্ট্ৰত তালাকৰ সম্পৰ্ক মডেল ক্লাছৰ শিক্ষা দান কৰা মহিলাসকল সিহঁতৰ ৩২ শতাংশ মহিলাসকলে এয়া আদালতত প্ৰমাণ কৰি তালাক লৈছে যে সিহঁতৰ স্বামীয়ে সিহঁতৰ ওপৰত অত্যন্ত অত্যাচাৰ কৰে আৰু মাৰ-পিট কৰে। আৰু ৰাৰকিনিং ক্লাছত ৪০ শতাংশই।
( Marital Violence: The Community Response by Boxkwski Muxch and Walker. Taxistock Publication 1983)

এয়া সেই ঘটনাসমূহ যি আদালতত গৈ প্ৰমাণিত হৈছে আৰু যাৰ ফলত শক্তি বৃদ্ধি পাইছে। ইয়াৰ বাহিৰে বৃহৎ পৰিমাণে সেইসকল মহিলাও আছে যিসকলে কোনো আদালতত যাব নোৱাৰে যাৰ বাবে সিহঁতৰ সংখ্যা আদালতত উপস্থিত হোৱা সকলৰ সৈতে উল্লেখ নাথাকে। পৰৱৰ্তী ৰিপোৰ্টত এয়া পোৱা যায় যে আমাৰ ওপৰত নিৰ্যাতন হোৱা জীৱনৰ আৰু পৰিৱৰ্তন আহিব নোৱাৰে। আমাৰ পৰিস্থিতি এনেকুৱা, সন্তান সকলৰ পৰিস্থিতি এনেকুৱা আৰু এনেকুৱা ভাৱে চলিয়েই থাকিব। অৰ্থাৎ এনেকুৱাই এক সাংবাদিক যিয়ে ঘৰত গৈ প্ৰশ্ন কৰিছিল আৰু সিহঁতৰ ঘটনাসমূহ লিখিছে। এজনী মহিলা সম্পৰ্কে বয়ান যি মই এই বিষয়ৰ সৈতে অন্তৰ্ভুক্ত কৰাৰ বাবে বাচি লৈছোঁ। তাই কয় যে মোৰ স্বামীয়ে গোটেই জীৱন মোক মাৰ-পিট কৰিছে। যেতিয়া মই প্ৰথম গৰ্ভৱতী হওঁ তেতিয়া মোৰ স্বামী বেলেগৰ সৈতে বাহিৰত যোৱা আৰম্ভ কৰে; আৰু যেতিয়া সুৰা পান কৰি মোৰ ওচৰলৈ আহে তেতিয়া মাৰ-পিট আৰম্ভ কৰি দিয়ে। এয়া দৈনন্দিন জীৱনৰ ঘটনা আছিল।

কিন্তু এসময়ৰ কথা তেওঁ মোৰ বাহু ধৰি মোৰ মূৰখন দিৱালৰ সৈতে মাৰিব আৰম্ভ কৰে। তেতিয়া মই অজ্ঞান হৈ যাওঁ,তাৰ পিছত মোক চোঁচৰাই পানীৰ নালৰ ওপৰত লৈ যায় আৰু ঠাণ্ডা পানী মোৰ মূৰৰ ওপৰত ঢালি দিয়ে,তাৰ পাছত যেতিয়া মোৰ জ্ঞান উভতি আহে তেতিয়া সেই পূৰ্বৰ

নিচিনাই মোৰ মূৰখন দিৱালৰ লগত লগাই মাৰি থাকে। তাৰ পিছত আকৌ অজ্ঞান হৈ যাওঁ। যেতিয়া তাইক সুধা হয় যে এই পৰিস্থিতিত নিজৰ স্বামীৰ পৰা পৃথক কিয় হোৱা নাই ? তাই কয় শেষত মই সন্তান লৈ ক'ত যাম। অৱশেষত তাইক কোৱা হয় যে সাংবাদিকৰ সহায় ল'ব,তাই কয় যে সেয়াও কৰা হৈছে,সাংবাদিক সকলে কয় যে এই কথাক এফালে ৰাখি কয় ঘৰত যোৱা। অৰ্থাৎ সেই সাংবাদিকজনে লণ্ডনৰ  সকলো Borougs ৰ সৈতে সেই মহিলাজনীৰ ঘটনা বৰ্ণনা কৰি সকলোৰে সহায় বিচৰাত সিহঁতে উত্তৰ দিয়ে যে যদি তাই ঘৰৰ পৰা ওলাই যায় তেতিয়া  Voluntary homeless কৰি দিয়া হ'ব। আৰু যিয়ে Voluntary homeless হয় তাৰ বাবে কোনো সহকাৰী নাথাকে। এতিয়া এইজনীক কি কৰা উচিত ? তাই আদালতত যাব নোৱাৰে, নিজৰ স্বামীৰ বিৰুদ্ধে উচ্চস্বৰে কথা ক'ব নোৱাৰে,সাংবাদিকৰ সহায় নাপায়,এনেকুৱা পৰিস্থিতিত কেনেকুৱা ব্যৱহাৰ তাইৰ সৈতে হ'ব পাৰে। (scream quitely or the neighbours will hear)

আমেৰিকাত যি ছাৰ্ভে প্ৰকাশ পায় সেয়াও কোনো প্ৰকাৰ উন্নয়নশীল নহয়। ৪১ শতাংশ মহিলাক বিয়াৰ ছয় মাহ পিছত সিহঁতৰ ওপৰত নিৰ্যাতন কৰা হৈছে। ১৮ শতাংশ মহিলাক এবছৰ পিছত নিৰ্যাতন কৰা হৈছে। ২৫ শতাংশ মহিলাক দুই বছৰ পিছত নিৰ্যাতন কৰা হৈছে। আৰু আমেৰিকা ইছলামৰ ওপৰত আপত্তি কৰে আৰু ইছলামক অত্যাচাৰিত ফিল্ম দেখুৱায় সিহঁতৰ নিজৰ পৰিস্থিতি এনেকুৱা যে ৮৪ শতাংশ মহিলা এবছৰৰ পৰা দুই তিনি বছৰৰ ভিতৰত নিজৰ স্বামীৰ ফালৰ পৰা অত্যাচাৰৰ বলি হ'ব লগা হয়।(Dobash and Dobash 1979)

# চতুৰ্থ খণ্ড

## হজৰত খলিফাতুল মছীহ ৰাবে (ৰহঃ) য়ে ১ আগষ্ট ১৯৮৭ চনত জলছা ছালানা ইংলেণ্ডত মহিলাসকলৰ সৈতে প্ৰদান কৰা বক্তব্য

### মহিলাসকলৰ সৈতে হজৰত মহম্মদ (ছাঃ)ৰ উত্তম ব্যৱহাৰ আৰু পৱিত্ৰ আদৰ্শ

এতিয়া যি ধৰ্মৰ ওপৰত আপত্তি চলি আছে অৰ্থাৎ হজৰত মহম্মদ (ছাঃ)ৰ ওপৰত। এতিয়া তেখেত (ছাঃ)ৰ আদৰ্শ চাওঁক। যি শিক্ষা তেখেত (ছাঃ)ৰ ওপৰত অৱতীৰ্ণ হৈ আছিল সেয়া সিহঁতে কি ভাৱে বুজিব পাৰিছে আৰু কিদৰে কাৰ্যকৰী হৈছে আৰু কেনেকুৱা ভাৱে গোলাম সকলৰ মাজত সেই শিক্ষা বিস্তাৰ লাভ কৰিছে, সেয়া আছিল ইছলাম। এই ইছলামৰ ওপৰত আঙুলি উঠাই চাওঁক।

হজৰত মহম্মদ (ছাঃ)য়ে মহিলাসকলৰ ইমানখিনি কষ্টও সহ্য কৰিব নোৱাৰিছিল যে, এসময়ত এটা উট দ্ৰুত গতিত দৌৰাই লৈ গৈ আছিল তেতিয়া তেখেত (ছাঃ)য়ে কয় যে, ইমান দ্ৰুত গতিত উট দৌৰাই আছা উটৰ ওপৰত মহিলাসকল আছে সিহঁত আঘাতপ্ৰাপ্ত হৈ যাব। (ছহী মুছলিম, কিতাবুল ফজাইল)

যেনেকুৱা আপুনি গ্লাচৰ পেকেটত লিখা দেখিছে যে Glass with care এই মুহাবৰাহ (প্ৰবাদ) চৌধশ বছৰ পূৰ্বত হজৰত মহম্মদ (ছাঃ)য়ে মহিলাসকলৰ বাবে আৱিষ্কাৰ কৰিছিল Glass with care যাৰ প্ৰবণতা এয়া হয় সিহঁতৰ ফালে অত্যাচাৰৰ শিক্ষা জাপি দিয়া ডাঙৰ নিষ্ঠুৰতা হয়। এবাৰ হজৰত মহম্মদ (ছাঃ)য়ে হজৰত ছাফিয়া (ৰাঃ)ৰ সৈতে উটৰ ওপৰত আৰোহণ কৰি আছিল,উট কোনো বস্তুৰ সৈতে লাগি যায় যাৰ ফলত তেখেত (ছাঃ)য়ে পৰি যায়,সকলো চাহাবা (ৰাঃ)হজৰত মহম্মদ (ছাঃ)ৰ ফালে দৌৰি আহে তেতিয়া হজৰত মহম্মদ (ছাঃ)য়ে কয় যে, মোৰ

খবৰ লোৱা এৰি দিয়া মহিলাসকলৰ খবৰ লোৱা Ladies first এই প্ৰবাদ পোন প্ৰথম হজৰত মহম্মদ (ছাঃ)ৰ মুখৰ পৰা ওলাইছিল।

এয়া নহয় যে তেখেত (ছাঃ)য়ে নিজৰ স্ত্ৰীসকলৰ পৰা তিক্ত কথা শুনা পোৱা নাই। কিন্তু যেতিয়াই এনেকুৱা হৈছে তাৰ উত্তৰ তেখেত (ছাঃ)য়ে কঠোৰতাৰ সৈতে দিয়া নাই,অৰ্থাৎ নম্ৰতাৰ সৈতে দিছে। মাজে সময় নিজৰ স্ত্ৰীহঁতৰ সৈতে এনেকুৱা কথা হৈছে যাৰ সম্পৰ্কে কোৰাণ মজিদে এই আয়াতত উল্লেখ কৰিছে,

يَٰٓأَيُّهَا ٱلنَّبِيُّ قُل لِّأَزۡوَٰجِكَ إِن كُنتُنَّ
تُرِدۡنَ ٱلۡحَيَوٰةَ ٱلدُّنۡيَا وَزِينَتَهَا فَتَعَالَيۡنَ
أُمَتِّعۡكُنَّ وَأُسَرِّحۡكُنَّ سَرَاحٗا جَمِيلٗا ٢٩

(33:29)

কিছুমান এনেকুৱা চাহিদা নিশ্চয় হ'ব যে কোৰাণ মজিদ এই আয়াত অনুযায়ী তেখেত (ছাঃ)য়ে সিহঁতক তালাক দিয়া স্বীকৃতি বুলি কৰি দিছে। আল্লাহ তা'লাই হজৰত মহম্মদ (ছাঃ)ক এই শিক্ষা প্ৰদান কৰিছে সকলো স্ত্ৰীসকলক কৈ দিয়া তোমালোকে যদি পাৰ্থিৱ জীৱনৰ আৰু শোভা-সৌন্দৰ্যৰ কামনা কৰা, তেন্তে আহা, মই তোমালোকক উপভোগ কৰিবলৈ আৱশ্যকীয় সম্বল দান কৰিম,আৰু তোমালোকক এনেভাৱে বিদায় দিম যি অতি প্ৰকৃষ্ট। কৈছে যে ঠিক আছে তোমাৰ ইচ্ছা তোমাক সম্পত্তি দি আছো ক্ৰোধান্বিত হোৱাৰ কোনো প্ৰয়োজন নাই তুমি আনন্দ মনে পৃথক হ'ব পাৰা।

আকৌ কোৰাণ মজিদে কৈছে এনেকুৱাও হয় যে হজৰত মহম্মদ (ছাঃ)য়ে নিজৰ ৰহস্যৰ কথা নিজৰ স্ত্ৰীক কয় আৰু সেই ৰহস্যমূলক কথা তেখেত (ৰাঃ) বেলেগৰ ওচৰত প্ৰকাশ কৰি দিয়ে অথচ হজৰত মহম্মদ (ছাঃ)য়ে তেখেত (ৰাঃ)ৰ সৈতে ক্ৰোধান্বিত নহৈ আৰু মাথোন এয়াই কয় যে তুমি এই কথা প্ৰকাশ কৰি দিছা,

فَلَمَّا نَبَّاَهَا بِهٖ قَالَتْ مَنْ اَنْۢبَاَكَ
هٰذَا ؕ قَالَ نَبَّاَنِیَ الْعَلِیْمُ الْخَبِیْرُ ۝

(66:4)

যেতিয়া হজৰত মহম্মদ (ছাঃ)য়ে নিজৰ স্ত্ৰীক কৈছিল যে যি ৰহস্যমূলক কথা মই তোমাক কৈছো সেয়া কোনোবাক নক'বা সেয়া তুমি প্ৰকাশ কৰি দিলা। তাৰ বাহিৰে আৰু একোৱেই কোৱা নাই। তেখেত (ৰাঃ) কয় যে আপোনাক কোনে কৈছে,তেখেত (ছাঃ)য়ে কয় মোক আল্লাহ তা'লাই কৈছে, তাৰ পৰা কোনো বস্তু গোপন থাকিব নোৱাৰে আৰু তাৰ অধিকাৰ আছে যাক ইচ্ছা কৰে তাক ৰহস্য কৈ দিয়ে। আকৌ আল্লাহ তা'লা কৈছে,

اِنْ تَتُوْبَاۤ اِلَى اللّٰهِ فَقَدْ صَغَتْ قُلُوْبُكُمَا ۚ
وَاِنْ تَظٰهَرَا عَلَیْهِ فَاِنَّ اللّٰهَ هُوَ مَوْلٰىهُ
وَجِبْرِیْلُ وَصَالِحُ الْمُؤْمِنِیْنَ ۚ وَالْمَلٰٓىِٕكَةُ
بَعْدَ ذٰلِكَ ظَهِیْرٌ ۝

(66:5)

মই তোমাক উপদেশ দিব ধৰিছোঁ যে যদি তুমি উভয়ে (অৰ্থাৎ এজনে আনজনক কৈছিল) তৌবা কৰা এয়া তোমালোকৰ অধিকাৰ,কাৰণ তোমালোকৰ হৃদয় ভুলৰ ফালে ধাবিত হৈছে। তুমি এক অপৰাধ কৰিছা,এই কাৰণে তৌবা কৰা যদি তৌবা নকৰা

اِنْ تَتُوْبَاۤ اِلَى اللّٰهِ فَقَدْ صَغَتْ قُلُوْبُكُمَا ۚ
وَاِنْ تَظٰهَرَا عَلَیْهِ فَاِنَّ اللّٰهَ هُوَ مَوْلٰىهُ
وَجِبْرِیْلُ وَصَالِحُ الْمُؤْمِنِیْنَ ۚ وَالْمَلٰٓىِٕكَةُ
بَعْدَ ذٰلِكَ ظَهِیْرٌ ۝

যদি মহম্মদ (ছাঃ)ৰ বিৰুদ্ধে তুমি দ্ৰোহ কৰাৰ সিদ্ধান্ত লৈছা তেতিয়া স্মৰণ ৰখা যে জিব্ৰাইল আৰু মোমিনসকল সকলোৱে হজৰত মহম্মদ (ছাঃ)ৰ লগত আছে, আৰু খোদা তা'লাৰ ফিৰিস্তাও তেখেত (ছাঃ)ৰ সৈতে আছে।

عَسٰى رَبُّهٗٓ اِنْ طَلَّقَكُنَّ اَنْ يُّبْدِلَهٗٓ اَزْوَاجًا خَيْرًا مِّنْكُنَّ

(66:6)

হয়তো তেওঁৰ প্ৰভুৱে, তেওঁ যদি তোমালোকক তালাক দিয়ে তেওঁক তোমালোকতকৈ ভাল পত্নী বৰ্গ দিব।

হজৰত মহম্মদ (ছাঃ)য়ে মহিলাসকলক যি নিম্ন মৰ্যাদাৰ পৰা উঠাই উচ্চ মৰ্যাদা প্ৰদান কৰিছে। যাৰ ফলত আৰব দেশত বুনিয়াদী পৰিৱৰ্তন সৃষ্টি হৈ গৈছিল। হজৰত মহম্মদ (ছাঃ)ক খোদা তা'লাই যি পৱিত্ৰ শিক্ষা প্ৰদান কৰিছে আৰু তেখেত (ছাঃ)য়ে সেই মতে পৱিত্ৰ আদৰ্শ দেখুৱাইছে। যাৰ ফলত এখন নতুন সমাজ অস্তিত্বত আহিছে; আৰু মহিলাসকলে পুৰুষসকলৰ সমান অধিকাৰ বুলি ভাৱিছে। ইয়াৰ পূৰ্বে আমি কল্পপনাও কৰিব নোৱাৰিছিলোঁ যে কোনো মহিলা নিজৰ দেউতাৰ সন্মুখত থিয় হৈ নিজৰ অধিকাৰ লাভ কৰিব পাৰিছে বা নিজৰ স্বামীৰ সন্মুখত থিয় হৈ নিজৰ অধিকাৰ লাভ কৰিব পাৰিছে বা কোনো বেলেগৰ পৰা নিজৰ অধিকাৰ অৰ্জন কৰিব পাৰিছে। সিহঁতে (মহিলাসকলে) মজলুম, অৰ্থাৎ সিহঁতৰ ওপৰত অত্যন্ত অত্যাচাৰ হৈছিল। হজৰত মহম্মদ (ছাঃ)ৰ ওপৰত যেতিয়া ওপৰত উল্লেখিত আয়াত অৱতীৰ্ণ হয় তেতিয়া হজৰত মহম্মদ (ছাঃ)য়ে সিহঁতৰ (নিজৰ স্ত্ৰীসকলৰ) পৰা কিছু কালৰ বাবে পৃথক থাকিছিল যাতে সিহঁত ভালদৰে সন্তুষ্টি হোৱাৰ আৰু ভালদৰে চিন্তা-ভাৱনাৰ কাৰণে সময় পায়। সেই সময়ত যেতিয়া তেখেত (ছাঃ)ৰ স্ত্ৰীসকলৰ মা-দেউতাই এই বিষয়ে অৱগত হয়। সিহঁতে নিজৰ নিজৰ ছোৱালীক বুজোৱাৰ বাবে সিহঁতৰ ওচৰত যায়। হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ) আৰু হজৰত উমৰ (ৰাঃ)ৰ কথা উল্লেখ পোৱা যায় যে তেখেতে হজৰত আয়েশা ছিদ্দিকা(ৰাঃ)আৰু হজৰত হাফছা (ৰাঃ)ক বুজোৱাৰ বাবে চেষ্টা কৰে। আকৌ তেওঁ হজৰত উম্মে ছলমাৰ ওচৰত যায় তেতিয়া

সিহঁতে উত্তৰ দিয়ে যে আপোনাৰ ইয়াত কি কাম আছে? ৰছুলে কৰিম (ছাঃ)য়ে আমাৰ অৱস্থাৰ বিষয়ে ভালদৰে অৱগত। তেখেত (ছাঃ)য়ে আমাক কিবা বস্তুৰ পৰা বাধা দিব খোজে বাধা দিব পাৰে। যদি আমি ৰছুলে কৰিম (ছাঃ)ৰ পৰা চাহিদা নকৰো তেন্তে কাৰ পৰা কৰিম। আপোনালোকে নিজৰ স্ত্ৰীসকলৰ কিবা ঘটনাৰ সময়ত বেলেগৰ হস্তক্ষেপ পছন্দ কৰিবনে? যদি নহয় তেন্তে ইয়াৰ পৰা যাব পাৰে। হজৰত মহম্মদ (ছাঃ) আৰু তেখেত (ছাঃ)ৰ স্ত্ৰীসকলৰ মাজত হস্তক্ষেপ কৰাৰ আপোনালোকৰ কোনো অধিকাৰ নাই। ইছলামৰ পূৰ্বে আৰব দেশত কোনোবাই ধাৰণাই কৰিব নোৱাৰিছিল যে এই বাবে মহিলা থিয় হৈ পুৰুষক সম্বোধন কৰিব পাৰে। (তবকাত ইবনে ছাদ পৃঃ ১২৯,ছহী মুছলিম কিতাবুত তালাক)

এবাৰ হজৰত উমৰ (ৰাঃ)ৰ নিজৰ স্ত্ৰীৰ সৈতে কিবা ঘটনাত মতভেদ হয়। তেখেত (ৰাঃ)ৰ স্ত্ৰী নমাজৰ বিৰাট আসক্তি আছিল,আৰু নমাজ বা-জামাত পঢ়াৰ অভ্যাস হৈ গৈছিল। তেখেত (ৰাঃ) নমাজ জমাতৰ সৈতে পঢ়িব নোৱাৰাত অসন্তুষ্টি অনুভৱ কৰিছিল। অৰ্থাৎ যেতিয়া মহিলা পাঁচ ওয়াক্ত ঘৰৰ পৰা ওলায়,অথচ তাইৰ ওপৰত এয়া ফৰজ নহয় যে তাই পাঁচ ওয়াক্ত মছজিদত যাবই লাগিব,এনে পৰিস্থিতিত ঘৰৰ কি অৱস্থা হ'ব,অৰ্থাৎ হজৰত উমৰ (ৰাঃ) অৱশেষত কিছু কাল তাই সন্তুষ্টি হোৱাৰ পিছত কয় যে বিবি এতিয়া নমাজ বহুত হৈছে, ঘৰত অনুমতি আছে তুমি কিয় মছজিদত যোৱা আৰু তুমি জানা যে তোমাৰ এই কাম মোৰ পছন্দ নহয়। তাই কয় যে,খোদাৰ শপত ! যেতিয়ালৈকে আপুনি ন্যায়মতে মোক মছজিদত যোৱা বাধা প্ৰদান নকৰিব তেতিয়ালৈকে মই মছজিদত যামেই। আৰু হজৰত উমৰ (ৰাঃ)ৰ এয়া প্ৰয়োজন হোৱা নাই যে তাইক অন্যায় ভাৱে নিজৰ স্ত্ৰীক মছজিদ যোৱাৰ পৰা বাধা প্ৰদান কৰিব। অৰ্থাৎ শেষ নিশ্বাস লৈকে এই শৃঙ্খল অব্যাহত ৰাখিছে আৰু নিয়মিত ভাৱে মছজিদত গৈ নমাজ পঢ়িছে। (কিতাবুল জুমা বাব হাল আলা মিন ইয়াশহাদু জুমাতুল গুছল)

বুখাৰীৰ বৰ্ণনা অনুযায়ী হজৰত আব্দুল্লাহ বিন উমৰ (ৰাঃ)ৰ পৰা

বৰ্ণিত যে আমাৰ অৱস্থা এনেকুৱা হৈ গৈছিল যে আমি আমাৰ ঘৰত নিজৰ স্ত্ৰীৰ সৈতে বিনা কাৰণ কথা কওঁতে ভয় কৰিছিলোঁ যে কেতিয়া তাই অভিযোগ কৰি দিব। (কিতাব বাবুন নিকাহ বাব আলওচাতু বিননিছাহ)

এয়া আছিল সেই মহিলাৰ মৰ্যদা, ইয়াৰ পূৰ্বে মহিলাসকলক অত্যাচাৰ কৰি থকা অৱস্থাত জীৱিত দফন কৰি দিয়া হৈছিল,গোলাম আৰু দাসী সকলৰ সৈতে বেয়া আচৰণ কৰিছিল,সকলোতকৈ বেছি বেয়া পৰিস্থিতি সেই যুগত আৰবত মহিলাসকলৰ আছিল,কিন্তু হজৰত মহম্মদ (ছাঃ)য়ে কিমান নিম্ন পৰ্যায়ৰ পৰা উঠাই উচ্চ মৰ্যদা প্ৰদান কৰিছে।

আঁ-হজৰত (ছাঃ)য়ে নিজৰ গোটেই জীৱনত কোনো স্ত্ৰীসকলৰ ওপৰত হাত উঠোৱা নাই,কোনো শিশুৰ ওপৰত হাত উঠোৱা নাই,কোনো গোলামৰ ওপৰত হাত উঠোৱা নাই। এই কাৰণে আৰু এটা বিন্দু ওলায় যে সেই শিক্ষা যি হজৰত মহম্মদ (ছাঃ)ৰ ওপৰত অৱতীৰ্ণ হৈছিল; **ওৱাজৰিবুহুন্না** এয়া তেখেত (ছাঃ)ৰ হৃদয়ৰ শিক্ষা নাছিল সেয়া খোদা তা'লাৰ ফালৰ পৰা অৱতীৰ্ণ হোৱা পয়গাম আছিল যে যাৰ হৃদয়ৰ এই অৱস্থা যে গোটেই জীৱন নিজৰ গোলামৰ সৈতে,নিজৰ অধীনত থকা সকলৰ সৈতে,নিজৰ শত্ৰুসকলৰ সৈতেও যিসকলে অমান্যকাৰী আছিল সিহঁতৰ সৈতেও উত্তম ব্যৱহাৰ কৰিছিল যদিওবা সিহঁতৰ মুখৰ পৰা বিদ্ৰোহমূলক কথা ওলাইছিল,তথাপি তেখেত (ছাঃ)য়ে নিজৰ মুখৰ পৰা কোনো কঠোৰ কলিমা ওলোৱা নাই। গতিকে এই শিক্ষা হ'বই নোৱাৰে যে মহিলাসকলক মাৰ-পিট কৰিব।

এই কাৰণে খোদা তা'লা মানুহৰ প্ৰকৃতগত বৈশিষ্টৰ বিষয়ে অৱগত যে কিছুমান ঘৰত মহিলাসকলে এনেকুৱা পদ্ধতি অৱলম্বন কৰে যে যদি সিহঁতৰ এই ভয় নাথাকে যে বেলেগ স্থানত গৈ সিহঁতে শাস্তি ভোগ কৰিব লাগিব তেতিয়া সিহঁতে সীমা অতিক্ৰম কৰি যাব। নিজস্ব ভাৱে এয়া হজৰত মহম্মদ (ছাঃ)ৰ মস্তিষ্কৰ বিপৰীত কথা আছিল।

এই সম্পৰ্কে হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে,
ৰছুলে কৰিম (ছাঃ) সকলোবোৰ কথাৰ পৰিপূৰ্ণ আদৰ্শ হয়। তেখেত (ছাঃ)ৰ জীৱনী চাওঁক তেখেত (ছাঃ)য়ে মহিলাসকলৰ সৈতে কেনেকুৱা আচৰণ কৰিছে। মোৰ দৃষ্টিত সেই ব্যক্তি কাপুৰুষ হয় যিয়ে মহিলাসকলৰ সৈতে যুঁজ কৰিবলৈ থিয় হয়। আঁ-হজৰত (ছাঃ)ৰ পৱিত্ৰ জীৱন অধ্যয়ন কৰক, তেতিয়া আপুনি জানিব পাৰিব যে তেখেত (ছাঃ) কিমান আদৰ্শবান আছিল। তেখেত (ছাঃ)ক দেখি মানুহে ভয় কৰিছিল তথাপি যদি কোনো বয়োজ্যেষ্ঠ মহিলাই তেখেত (ছাঃ)ক থিয় কৰাইছিল তেতিয়া তেখেত (ছাঃ)সেই সময়লৈকে থিয় হৈয়ে থাকিছিল যেতিয়ালৈ অনুমতি দিয়া নাছিল।(মলফুজাত জিলদ নম্বৰ ৪ পৃঃ নম্বৰ ৪৪)

এয়া আছিল ইছলামীক শিক্ষা যি তেখেত (ছাঃ)য়ে বুজিছিল যাৰ ওপৰত সেই আয়াত অৱতীৰ্ণ হৈছিল যি বিষয়ে আপত্তি হৈ আছিল। আৰু সেয়া আছিল তেখেত (ছাঃ)ৰ জীৱনৰ পৰিপূৰ্ণ আদৰ্শ। কোনোবাৰ অধিকাৰ নাই যে তেখেত (ছাঃ)ৰ জীৱনৰ ওপৰত আপত্তি কৰিব। হজৰত মহম্মদ (ছাঃ)ৰ পৰিপূৰ্ণ আদৰ্শ কোৰাণ মজিদৰ পৰিপূৰ্ণ বিস্তাৰিত ব্যাখ্যা হয়।

হজৰত মছীহ মাওউদ (আঃ)য়ে এই যুগত এই শিক্ষাক হজৰত মহম্মদ (ছাঃ)ৰ দাপোনত দেখিছে। ফতাৱী আহমদীয়া খন্ড দ্বিতীয় পৃঃ ৩৭ ত হজৰত মছীহ মাওউদ (আঃ)ৰ এখন লিখনী নিম্ন লিখিতত উত্থাপন কৰা হৈ আছে তেখেত (আঃ)য়ে কৈছে,

যেতিয়া মই অকণমান কাজিয়া স্ত্ৰীৰ সৈতে কৰো তেতিয়া মোৰ শৰীৰ কঁপি উঠে যে এজনী মহিলাক খোদা তা'লা মোৰ অধীনত কৰিছে,সম্ভৱত সেয়া পাপ হ'ব যদি মোৰ ফালৰ পৰা হয়। তেতিয়া মই তাইক কওঁ যে তুমি মোৰ কাৰণে নমাজত দোৱা কৰিবা যে যদি মোৰ এই কাম আল্লাহ তা'লাৰ বিৰোধমূলক হয় খোদা তা'লা মোক যেন ক্ষমা কৰি দিয়ে। আৰু মই ভয় কৰো যে মই যেন কোনো অত্যাচাৰমূলক কামত লিপ্ত নহওঁ।

হজৰত আকদছ মছীহ মাওউদ (আঃ)ৰ আদৰ্শ। তেখেত (আঃ)ৰ গোটেই জীৱনৰ কথা আজিলৈকে আমাৰ ঘৰত জীৱিত অব্যাহত আছে। তেখেত (আঃ)ৰ অৰ্থাৎআত্মাজানৰ সৈতে এনেকুৱা পৱিত্ৰ আদৰ্শ আছিল,এনেকুৱা প্ৰেম আৰু নম্ৰতাৰ সৈতে ব্যৱহাৰ কৰিছিল যে আজিৰ দুনিয়াত সকলোতকৈ বেছি দাবীদাৰ জনেও যদি কয় যে মই নিজৰ স্ত্ৰীৰ সৈতে ভাল ব্যৱহাৰ কৰো সেয়াও তেখেত (আঃ)ৰ আদৰ্শৰ সৈতে তুলনা হ'ব নোৱাৰে। এয়া  সূক্ষ্ম বিন্দু এই ফালে দৃষ্টি নিক্ষেপ কৰা দৰকাৰ যে যাৰ ওপৰত অত্যাচাৰ কৰা হৈছে তাৰ দোৱা যদি গ্ৰহণযোগ্য নহয় তেতিয়া তেওঁ মুক্তি পাব নোৱাৰে। কিন্তু তাৰ মুক্তি জৰুৰী। অৰ্থাৎ এয়া হঠাৎ কৰি মুখৰ পৰা ওলোৱা বাণী নহয় অৰ্থাৎ এক আল্লাহৰ চিহ্নিত কালাম হয়। ইয়াত আমাৰ কাৰণে বহুত উপদেশ গুপ্ত আছে। যেতিয়াই আপুনি কোনোবাৰ বিৰুদ্ধে নিৰ্যাতন কৰাৰ চেষ্টা কৰে, যদি তেওঁ মানুহ হয় তেতিয়া মানুহৰ পৰা ক্ষমা বিচৰা প্ৰয়োজনীয় হৈ পৰে; নতুবা পৃথিৱীত বৰ নিষ্ঠুৰতা হৈ যাব যে মানুহৰ ওপৰত অত্যাচাৰ কৰা আৰম্ভ হৈ যাব আৰু খোদা তা'লাৰ পৰা ক্ষমা বিচাৰি থাকিব। আল্লাহৰ পৰাই ক্ষমা বিচাৰিব লাগিব, কাৰণ খোদা তা'লাৰ শিক্ষাৰ বিৰুদ্ধে নিষ্ঠুৰতা প্ৰয়োগ কৰিছে,যেতিয়ালৈকে খোদা তা'লাৰ পৰা ক্ষমা নিবিচাৰিব তেতিয়ালৈকে মানুহক সঁচাকৈয়ে ক্ষমাৰ অধিকাৰপ্ৰাপ্ত বুলি কোৱা নহয়।

## পৰ্দাৰ হিকমত

যথা সম্ভৱ পৰ্দাৰ শিক্ষাৰ উল্লেখ আছে তাৰ ওপৰত আপত্তিমূলক প্ৰশ্ন উঠে। মই এই বিষয়সমূহৰ ওপৰত আলোকপাত কৰিছোঁ। এই কাৰণে এই বিষয়ে আৰু ক'ব নিবিচাৰো। মাথোন এইখিনি কোৱাই যথেষ্ট হ'ব যে পৰ্দা গুৰুত্বপূৰ্ণ কিয় ? ইছলামৰ পৰ্দা কোন ধৰণৰ। সাৰাংশ আপোনালোকৰ সন্মুখত উত্থাপন কৰি আছোঁ।

প্ৰথম কথা হ'ল যে দৃষ্টিৰ পৰ্দা যাৰ ওপৰত বিশেষ গুৰুত্ব দিয়া

হৈছে; আৰু ইয়াত পুৰুষ মহিলা উভয়ে অন্তৰ্ভুক্ত। মহিলাক এই শিক্ষা বিশেষ কৰি দিয়া হৈছে যে সিহঁতক খোদা তা'লা সুন্দৰ আৰু আকৃষ্টমূলক সৃষ্টি কৰিছে সেই কাৰণে যদি সিহঁতে নিজৰ সৌন্দৰ্য্যক প্ৰকাশ কৰে তেতিয়া পুৰুষ অতি সোনকালে তাইৰ ফালে আকৃষ্ট হৈ পথভ্ৰষ্ট হৈ যায়। সেই কাৰণে নিজৰ সৌন্দৰ্য্য সুৰক্ষিত ৰাখিব।

চাদৰ/পৰ্দা ইত্যাদি সম্পৰ্কে হজৰত মছীহ মাওউদ (আঃ)য়ে ইছলামী উছুল কি ফিলাছফীত বিস্তাৰিত ভাৱে বৰ্ণনা কৰিছে আৰু এই যুগৰ মানুহৰ বাবে এই বিষয়টো বৰ বিস্তাৰিত ভাৱে উত্থাপন কৰি আছে।

এইদৰে বয়োজ্যেষ্ঠ মহিলাসকলৰ বাবে পৰ্দাৰ সিমান গুৰুত্ব দিয়া নাই। অৰ্থাৎ এনেকুৱা মহিলা যিসকলৰ বিষয়ে কোনো অত্যাচাৰীৰ কু-দৃষ্টি কৰাৰ প্ৰশ্নই নুঠে। কাম কৰা মহিলা আৰু খিদমত কৰা মহিলাক সেই ধৰণৰ পৰ্দাৰ পৰা স্বাধীন কৰিছে যেতিয়া কাম কৰা সময়ত সিহঁতৰ সৌন্দৰ্য প্ৰকাশ কৰা আৱশ্যকীয় হৈ পৰে।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে,

খোদাৰ কিতাপত পৰ্দাৰ অৰ্থ এয়া নহয় যে মহিলাসকলক কাৰাদণ্ডৰ নিচিনা বন্দী কৰি ৰখা হওঁক। এয়া সেই জ্ঞানহীনসকলৰ ধাৰণা যিসকলে ইছলামৰ ৰীতি সম্পৰ্কে সচেতন নহয়। অৰ্থাৎ পৰদা কৰাৰ উদ্দেশ্য এয়া যে মহিলা পুৰুষ উভয়ে নিজৰ কু-দৃষ্টিৰ পৰা আঁতৰত থকা আৰু নিজৰ সৌন্দৰ্য্যক দেখুওৱা নিষেধ কৰা হৈছে; কাৰণ এয়া (পৰ্দা) কৰা পুৰুষ আৰু মহিলাৰ বাবে উপকাৰী। অৱশেষত এয়া লক্ষ্য ৰাখিব যে কু-দৃষ্টিৰে বেলেগৰ ফালে দৃষ্টি নিক্ষেপ নকৰে যেন। আৰু দ্বিতীয়তে জায়েজ দৃষ্টিৰে দেখা তাক আৰবী ভাষাত **গজ্জে বছৰ** বুলি কোৱা হয়। (ইছলামী উছুল কি ফিলোছফী পৃঃ ৩০,ৰুহানি খাজাইন জিলদ ১০ পৃঃ ৩৪৪ মতবুৱা লণ্ডন ১৯৮৪)

যদি নিদ্ৰালু অৱস্থাত দৃষ্টি পৰি যায় তেতিয়া এই শিক্ষা কোৰাণৰ শিক্ষাৰ বিপৰীত নহয়; কাৰণ গজ্জে বছৰত নিদ্ৰালু দৃষ্টি অন্তৰ্ভুক্ত আছে।

যথা সম্ভৱ এই কথাৰ সম্পৰ্ক বৰ্তমান যুগত এই শিক্ষা কাৰ্যকৰী হ'ব

পৰা নাই কাৰণ চৌধশ বছৰৰ মাজত পৃথিৱীৰ পৰিস্থিতি পৰিৱৰ্তন হৈ গৈছে। এই বিষয়ে হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে,এখন উদ্ধৃতি মই আপোনালোকৰ সন্মুখত উত্থাপন কৰি আছো। কৈছে,

হে প্ৰিয়সকল ! খোদা তা'লা তোমাৰ হৃদয়ত ইলহাম কৰক এতিয়া তোমাৰ সেই সময় নাই যে তুমি এনেকুৱা কৰিবা ? চলি থকা যুগৰ অৱস্থা এনেকুৱা নহয় যে পৰ্দা কৰাত সংক্ষিপ্ত কৰিব। এই বিষয়ে উল্লেখ কৰিবলৈ গৈ কৈছে যে যদি এনেকুৱা কৰা হয় তেন্তে এটা বিষাক্ত বীজ জাতিৰ মাজত বিস্তাৰ কৰা হ'ব। এই যুগ সমালোচনা কৰা যুগ হয়। যদিওবা কোনো যুগত পৰ্দাৰ প্ৰথা নাছিল কিন্তু এই যুগত পৰ্দা অত্যন্ত আৱশ্যকৰণীয় হৈ পৰিছে। কাৰণ পৃথিৱীত বেয়া আৰু কাজিয়া-বিবাদ সুৰা পানৰ ইমান জোৰ হৈছে যে হৃদয় নাস্তিক সকলৰ নিচিনা বিস্তাৰিত হৈ আছে, আৰু খোদা তা'লাৰ নিৰ্দেশ হৃদয়ৰ পৰা উঠি যাব ধৰিছে। মুখেদি বহুত কিছু কৈ আছে আৰু বক্তব্য বিস্তাৰিত কিন্তু আত্মা আধ্যাত্মিকতাৰ পৰা খালি। এনেকুৱা সময়ত কেতিয়া সম্ভৱ হ'ব যে নিজৰ দুখীয়া ছাগলীবোৰ কুকুৰনেচীয়া বাঘৰ সন্মুখত এৰি দিব।(লেকচাৰ লাহোৰ পৃঃ ৩৭)

যি পুৰুষ আৰু মহিলা মোক বাৰে বাৰে প্ৰশ্ন কৰে সিহঁতক মই ইয়াতকৈ উত্তম উত্তৰ আৰু দিব নোৱাৰিম,মই পৰ্দাৰ বিষয়ে জমাতক এক কৌশল অৱলম্বন কৰিবলৈ কৈ আছো সেয়া কি ? এই অধ্যায়ত যি আত্মা আছে সেয়া মই বিচাৰো যে সেয়া বহন কৰা হওঁক। আজিকালিৰ অৱস্থা বৰ বেয়া। যি আহমদী ঘৰত পৰ্দাৰ বিষয়টো অৱহেলা কৰিছে সিহঁতৰ পৰা কিছুমান কান্দি মোৰ ওচৰত আহিছে যে আমাৰ ছোৱালী আমাৰ ঘৰৰ পৰা ওলাই গৈছে, আমাৰ সৈতে অমুক অত্যাচাৰ হৈছে। পৰিৱেশ বৰ বেয়া হৈ পৰিছে। বহুত ভয়াবহ অপৰাধ হৈ আছে যাৰ বিষয়ে মই সংক্ষিপ্ত ভাৱে আলোচনা কৰিছোঁ। সৰু দুই তিনি বছৰীয়া শিশু সকলৰ সৈতে যি অপকৰ্ম হৈ আছে যদি সিহঁতক পৰ্দাৰ ফালে আকৃষ্ট নকৰে তেনেহলে আপুনি কেনেকৈ সুৰক্ষিত বুলি ভাৱিব।

## স্ত্ৰীসকলৰ সংখ্যা

এক ইছলামী আদেশ এয়া যে যাৰ বিষয়ে পশ্চিমীয়া দেশবোৰত চৰ্চা হৈ থাকে আৰু কৈ থাকে যে ইছলাম বৰ নিষ্ঠুৰতা কৰিছে যে এটাতকৈ অধিক স্ত্ৰী ৰখাৰ অনুমতি প্ৰদান কৰিছে। আৰু মাথোন পুৰুষক দিছে মহিলাক দিয়া নাই। দুটা আপত্তি কৰি থাকে। পোন প্ৰথমে মই কোৰাণৰ আয়াত আপোনালোকৰ সন্মুখত উত্থাপন কৰিম,আপোনালোকে ইয়াৰ অৰ্থ ভালদৰে বুজি ল'ব কাৰণ অনুমতি প্ৰদান কৰা হৈছে আৰু কি চৰ্ত মতে অনুমতি প্ৰদান কৰিছে। কিয় এনে পৰিস্থিতিত অনুমতি দিয়া স্বীকৃতি হয়নে অস্বীকৃতি হয়। আল্লাহ তা'লা কৈছে,

وَاِنْ خِفْتُمْ اَلَّا تُقْسِطُوْا فِى الْيَتٰمٰى
فَانْكِحُوْا مَا طَابَ لَكُمْ مِّنَ النِّسَآءِ مَثْنٰى
وَثُلٰثَ وَرُبٰعَ ۚ فَاِنْ خِفْتُمْ اَلَّا تَعْدِلُوْا
فَوَاحِدَةً اَوْ مَا مَلَكَتْ اَيْمَانُكُمْ ۭ ذٰلِكَ
اَدْنٰٓى اَلَّا تَعُوْلُوْا ۝
وَاٰتُوا النِّسَآءَ صَدُقٰتِهِنَّ نِحْلَةً ۭ فَاِنْ
طِبْنَ لَكُمْ عَنْ شَيْءٍ مِّنْهُ نَفْسًا فَكُلُوْهُ
هَنِيْۗــــًٔا مَّرِيْۗــــــًٔا ۝ (4:4,5)

আৰু যদি তোমালোকৰ এনে আশাঙ্কা হয় তোমালোকে মাউৰী তিৰোতাবিলাকৰ প্ৰতি ন্যায়সঙ্গত ব্যৱহাৰ কৰিব নোৱাৰা, তেন্তে নিজৰ কাৰণে ভাল বুলি বিবেচনা কৰিলে,দুই,তিনি বা চাৰী জনীকৈ তিৰোতা বিয়া কৰিবা; কিন্তু যদি তোমালোকে ন্যায় আচৰণ কৰিব নোৱাৰা বুলি

আশঙ্কা কৰা তেনেহলে এজনীকে মাত্ৰ বিয়া কৰিবা,অথবা তোমাৰ সোঁহাতে যাৰ অধিকাৰ লাভ কৰিছে তাইক (দাসীক) বিয়া কৰিবা; এনে কাৰ্য্য অন্যায় ত্যাগ কৰাৰ ওচৰ।

আৰু তিৰোতাবিলাকক সিহঁতৰ মোহৰাণা সন্তোষ চিতেৰে দিবা; কিন্তু যদি সিহঁতে নিজ ইচ্ছামতে তাৰ কিছু ভাগ দান কৰে,সন্তোষেৰে তাক আৰু ভালদৰে ভোগ কৰা।

এয়া যি চাৰিটা বিয়াৰ অনুমতি দিছে তাৰ বিভিন্ন দিক আছে যি মই আপোনালোকৰ সন্মুখত বিস্তাৰিত ভাৱে বৰ্ণনা কৰিব বিচাৰো। পোন প্ৰথম কথা হ'ল যে অনুমতিৰ চৰ্ত ৰাখিছে আৰু উভয় পক্ষৰ পৰা শক্তিশালী চৰ্তই এই অনুমতিক আৱৰি ৰাখিছে। এই আয়াতৰ প্ৰথমেই এয়া বৰ্ণনা কৰিছে যে وَإِنْ خِفْتُمْ أَلَّا تُقْسِطُوا যদি তোমাৰ এই ভয় হয় যে তুমি মাউৰী তিৰোতাবিলাকৰ সৈতে ন্যায়সঙ্গত ব্যৱহাৰ কৰিব নোৱাৰিবা তেতিয়া তোমাক অনুমতি দিছে যে এটাতকৈ বেছি বিয়া কৰি লোৱা। অৰ্থাৎ ন্যায়সঙ্গত হিচাপে অনুমতি আছে যে এটাতকৈ বেছি বিয়া কৰিব পাৰা। অৰ্থাৎ অৰ্থ এয়াই যে কোনো মাউৰী তিৰোতা যি তোমাৰ ঘৰত আছে আৰু যদি ভয় থাকে যে তুমি তাইৰ সৈতে ন্যায় ব্যৱহাৰ কৰিব নোৱাৰিবা তেতিয়া উত্তম এয়াই যে তুমি বিয়া পাতি তাইৰ সৈতে সন্মানৰ দৃষ্টিৰে ব্যৱহাৰ কৰা। فَإِنْ خِفْتُمْ أَلَّا تَعْدِلُوا فَوَاحِدَةً এতিয়া আমি তোমাক কৈ আছো যে এটাতকৈ বেছি বিয়া কৰা তোমাৰ ন্যায়সঙ্গত ব্যৱহাৰ বাধ্যতামূলক হ'ব লাগিব। আৰু যদি তোমাৰ ভয় হয় যে এটাতকৈ বেছি বিয়া কৰাত ন্যায়সঙ্গত ব্যৱহাৰ কৰিব নোৱাৰিৱা তেতিয়া এটা বিয়াহে কৰিব লাগিব। আজি পৃথিৱীৰ ফালে যথা সম্ভৱ মই দৃষ্টি কৰিছোঁ, বহু কম সংখ্যক মুছলমানৰ ভিতৰত এনেকুৱা পুৰুষ দেখিবলৈ পোৱা যাব যে যিয়ে দুটা বিয়া কৰিছে আৰু উভয় স্ত্ৰীৰ সৈতে ন্যায়সঙ্গত ব্যৱহাৰ কৰিছে। এই কাৰণে ইছলামৰ নামত যি এটাতকৈ অধিক বিয়া কৰা পুৰুষ দেখিবলৈ পোৱা যায় তেওঁ ইছলামৰ নামত বিয়া কৰি ইছলামৰ

নীতি মতে কৰ্ম নকৰে অৰ্থাৎ বিৰোধমূলক কাম কৰে। মোৰ জ্ঞান অনুযায়ী কিমান এনেকুৰা পুৰুষ আছে যিসকলে এটাতকৈ বেছি বিয়া পাতিছে আৰু পুৰণি স্ত্ৰীক দলিয়াই দিয়াৰ নিচিনা এৰি দিছে আৰু তাইৰ ঘৰৰ ফালে উকিও চোৱা নাই।

আমাৰ এক সম্পৰ্কিত বন্ধু ভাৰতবৰ্ষৰ পৰা আহিছে আৰু সিহঁতে বাতৰি কাকতত এখন ইশ্বতিহাৰ (বিজ্ঞাপন)প্ৰকাশ কৰিছে। তাৰ বিষয় এয়া আছিল যে মই বিবাহিত মানুহ মোৰ সন্তান ইমানজন, কিন্তু মই প্ৰয়োজন অনুভৱ কৰো যে মই আৰু এটা বিয়া পাতি লওঁ এই কাৰণে ইউৰোপৰ কোনো মহিলা যেন ইয়াৰ বাবে প্ৰস্তুত হৈ যায় ( অনুভৱ হয় যে জাৰ্মান জাতিক বিশেষ কৰি সম্বোধন কৰিছিল) যে জাৰ্মান জাতিত এনেকুৰা মহিলা আছে যিয়ে যুদ্ধৰ পিছত অকলেই ৰৈ গৈছে আৰু কোনেও সিহঁতৰ অৱস্থাৰ বিষয়ে জিজ্ঞাসা নকৰে। এই কাৰণে তাৰ পৰা কোনো মহিলা যদি মান্তি হৈ যায় তেন্তে নিজৰ নাম উত্থাপন কৰিব। সিহঁতে ইমান চিঠি-পত্ৰ পায় যে হাজাৰ চিঠি-পত্ৰৰ যাচাই কৰাৰ বাবে এজন Private চেক্ৰেটাৰী ৰাখিব লগা হ'ল যে অনুসন্ধান কৰাৰ পিছত কিছুমান মহিলাৰ কোৱাইফ (Bio-data) তেওঁৰ সন্মুখত উত্থাপন যেন কৰে। সেই ব্যক্তি সেই সময়ত হলেণ্ডৰ জমাত আহমদীয়াৰ মিচন হাউচত অৱস্থান কৰিছিল; আৰু সেই সময়ত মুবাল্লিগ চাহাব মোক হাঁহি হাঁহি শুনায় সেই ব্যক্তিৰ তাতে থকা অৱস্থাত চিঠিপত্ৰ প্ৰচুৰ পৰিমাণে আহি আছিল। সকলো মহিলাই জানিব পাৰিছিল যে এই ব্যক্তিজনৰ দ্বিতীয় বিয়া, কাৰণ বিজ্ঞাপনত সেয়া প্ৰকাশ কৰি দিয়া হৈছিল যে তাৰ প্ৰথম স্ত্ৰী জীৱিত আছে আৰু সমান অধিকাৰৰ সৈতে দ্বিতীয় মহিলাক লগত ৰাখিব। এইবিলাক চৰ্ত থকা সত্ত্বেও হাজাৰ চিঠি অৰ্জিত হয়। অৰ্থাৎ প্ৰমাণ হৈ যায় যে পশ্চিমীয়া মহিলাসকলৰ ইছলামী শিক্ষাৰ প্ৰতি আপত্তি আছে। কিন্তু যেতিয়া নিজৰ বাবে প্ৰয়োজন হয় তেতিয়া নিজেই সেই শিক্ষাৰ অনুসৰণ কৰে।

যেনেকৈ মই বৰ্ণনা কৰিছোঁ যে আজিৰ সভ্যতাৰ বেছিৰ ভাগ দুঃখ

এই শিক্ষাৰ অস্বীকাৰৰ কাৰণ। ইয়াৰ বাহিৰে আপুনি কল্পনা কৰক যে দুই পদ্ধতিৰ মাজত যদিওবা এই পদ্ধতি নহয় তেন্তে দ্বিতীয় পদ্ধতি কি ? বৃহৎ পৰিমাণে যদি মহিলা বিয়া অবিহনে থাকে সিহঁতে নিশ্চয় সেই স্বাধীন পৰিৱেশত নিজৰ যৌন ইচ্ছা পূৰ্ণ কৰিবই। অৰ্থাৎ সিহঁতৰ বেছিৰ ভাগ বিয়া কৰা পুৰুষৰ সৈতে নিজৰ যৌন সম্পৰ্ক বেছিকৈ পূৰ্ণ কৰে। সেই সময়ত তেওঁৰ স্ত্ৰীৰ কোনো কষ্ট নহয়। কাৰণ তাইৰ বাবে এয়া প্ৰয়োজন যে নিয়মানুযায়ী তাইৰ বাবে এজন স্বামী থকা দৰকাৰ। কিন্তু যিজন স্বামীয়ে বেলেগ গাভৰু ছোৱালীৰ পৰা তৃপ্তি লাভ কৰে তেওঁ নিজৰ স্ত্ৰীৰিৰ হৈ থাকিব নোৱাৰে। অৱশেষত সংসাৰ ভাঙি যায়।

এই বিষয়ে যেতিয়া কথা কোৱাৰ সুযোগ হয় তেতিয়া কিছুমান প্ৰেছ কানফ্ৰান্সৰ সময়ত মহিলা সকলে এই প্ৰশ্ন দাঙি তুলে যে মহিলাসকলৰো এটাতকৈ বেছি বিয়া কৰাৰ অনুমতি হোৱা দৰকাৰ আছিল। মই সিহঁতক বুজোৱাৰ চেষ্টা কৰো যে একে সময়তে দুয়োজনৰ অনুমতি হ'ব নোৱাৰে। যদি খোদা তা'লা মহিলাসকলক অনুমতি দি দিয়ে তেতিয়া বিপদ আহি পৰিব। পুৰুষ এনেই কম, যদি মহিলা চাৰি চাৰিটা বিয়া কৰা আৰম্ভ কৰি দিয়ে তেতিয়া বেছিৰ ভাগ পুৰুষসকল বিয়া অবিহনেই থাকিব লাগিব। আৰু সমাজত কিয়ামত আহি যাব।

যদি মই এয়া কওঁ যে ন্যায়সঙ্গত কাম কৰিছে একে সময়তে যদি দুয়োজনকে অনুমতি প্ৰদান কৰা হয়,তেতিয়া মই সিহঁতক কওঁ যে এই পদ্ধতিত অকণমান চিন্তা কৰি চাওঁক। বাধ্যতামূলক কৰি লওঁক তুমি নিজৰ স্বামীৰ বাহিৰে তিনিজন পুৰুষৰ সৈতে বিয়া কৰা,আৰু সেই তিনিজন পুৰুযে নিজৰ অধিকাৰপ্ৰাপ্ত হৈ তিনি তিনিজন আৰু মহিলাক বিয়া পাতে,আৰু সেই তিনিজনী মহিলা আকৌ তিনিজন পুৰুষৰ সৈতে বিয়া পাতে আৰু আকৌ সেই পুৰুষসকলে তিনি তিনিজনী মহিলাৰ সৈতে আকৌ বিয়া পাতে,গোটেই ৰাষ্ট্ৰ এখন বিয়া কৰা বংশধৰ হৈ পৰিব। এই পৰিস্থিতিত প্ৰশ্ন এয়া উত্থাপন হয় যে সন্তান কোনজন স্বামীৰ হ'ব ? আৰু সন্তানৰ খৰচ

কোনে বহন কৰিব ? তালাকৰ সমস্যা কেনেকৈ সমাধা কৰিব,আৰু সম্পত্তি কেনেকৈ ভাগ কৰিব। এনেকুৱা সমস্যা আহি যাব যাৰ সমাধা কৰা অসম্ভৱ হৈ পৰিব। এই কাৰণে ইছলামৰ শিক্ষা সিহঁতৰ অপছন্দ।

খোদা তা'লাৰ শিক্ষা উৎসাৰ ওপৰত নহয় মানুহৰ প্ৰকৃতিগত বৈশিষ্টৰ ওপৰত আৰু মানুহৰ প্ৰয়োজনীয়তাৰ ওপৰত নিৰ্ভৰশীল আৰু এয়া প্ৰত্যেক যুগৰ কাৰণে হয়। শান্তিৰ যুগৰ কাৰণেও হয়,আৰু যুদ্ধৰ যুগৰ কাৰণেও হয়। অৰ্থাৎ এই সকলোবোৰ নিৰাপত্তা অৱলম্বন কৰাৰ পিছত পুৰুষসকলক অত্যাচাৰৰ পৰা বাধা প্ৰদান কৰা হওঁক,খোদা তা'লা ন্যায়সঙ্গত চৰ্তৰ সৈতে এটাতকৈ অধিক বিয়া কৰাৰ অনুমতি প্ৰদান কৰিছে,আৰু সেয়া সাধাৰণতে ধৰাবন্ধা নিয়ম কৰি দিয়া নাই,যদি ধৰাবন্ধা নিয়ম মানি লোৱা হয়,তেন্তে নাউজুবিল্লাহ মিন জালিক, খোদা তা'লাৰ পৰিপূৰ্ণ হিকমতত(জ্ঞানত)এটা আপত্তি আহি যায়। অৰ্থাৎ এফালে খোদা তা'লা এই শিক্ষা প্ৰদান কৰি আছে যে প্ৰত্যেক পুৰুষৰ বাবে উত্তম যে এটাতকৈ বেছি বিয়া কৰিব পাৰে,দুই দুই,তিনি তিনি,চাৰি চাৰি বিয়া কৰিব পাৰে; আৰু আনফালে মহিলা আৰু পুৰুষসকলৰ ভাৰসাম্য প্ৰায় পৰস্পৰ পৰস্পৰে সমান ৰাখিব। এয়া হ'বই নোৱাৰে যে পুৰুষ আৰু মহিলাৰ সংখ্যা সম পৰিমাণে সৃষ্টি হৈ আছে আৰু পুৰুষক চাৰি চাৰিটা বিয়া কৰাৰ অনুমতি প্ৰদান কৰা হৈ আছে। এই কাৰণে এই শিক্ষা সাধাৰণ নহয়,সেই পৰিস্থিতিত গুৰুত্বপূৰ্ণ হয় যাৰ বৰ্ণনা মই কৰিছোঁ আৰু তাৰ চৰ্তসমূহৰ বাধ্যবাধকতা হ'ব লাগিব যাৰ উল্লেখ মই ইতিপূৰ্বে কৰিছোঁ। ইয়াৰ বাহিৰে আৰু কিছুমান প্ৰয়োজন হ'ব পাৰে। মাথোন যুদ্ধৰ প্ৰয়োজনেই নহয়, সেই সম্পৰ্কে জামাতে আহমদীয়াৰ প্ৰতিষ্ঠাতায়ে উল্লেখ কৰিছে সেই অধ্যায় আপোনালোকৰ সন্মুখত উত্থাপন কৰোঁ,আমি যি কিছু জানিব পাৰিছোঁ সেয়া খোদা তা'লাৰ পৰা জানিব পাৰিছোঁ, কোৰাণ শ্বৰীফৰ ইচ্ছা এটাতকৈ অধিক স্ত্ৰীৰ অনুমতিৰ অৰ্থ এয়া যে তোমাৰ নিজৰ হৃদয় তাকৱাৰ ওপৰত প্ৰতিষ্ঠিত ৰাখিবা আৰু দ্বিতীয় অৰ্থ তুমি নেক সন্তান অৰ্জন কৰাৰ বাবে আৰু ওচৰ-চুবুৰীয়াৰ প্ৰশিক্ষণ

আৰু সিহঁতৰ অধিকাৰ পূৰ্ণ কৰাৰ ফলত ছোৱাবৰ ভাগীদাৰী (পুৰস্কাৰৰ অংশীদাৰী) হ'ব পাৰে। আৰু নিজৰ উদ্দেশ্য হিচাপে অনুমতি প্ৰদান কৰা হৈছে যে এটা,দুটা,তিনিটা,চাৰিটা লৈকে বিয়া কৰিব পাৰে,যদি সিহঁতৰ সৈতে ন্যায়সঙ্গত ব্যৱহাৰ কৰিব নোৱাৰা,তেন্তে ছোৱাব অৰ্জন কৰাৰ পৰিৱৰ্তে শাস্তি অৰ্জিত কৰিবা আৰু এটা পাপৰ পৰা ঘৃণাৰ কাৰণে আন এক পাপলৈ অগ্ৰগতি লাভ কৰিবা। (মলফুজাত জিলদ সপ্তম,মতবুৰা লণ্ডন চন ১৯৮৪ পৃঃ ৬৪,৬৫)

অৰ্থাৎ কোৰাণ মজিদে আৰু এখন চৰ্ত ৰাখিছে যে

وَلَنْ تَسْتَطِيْعُوْٓا اَنْ تَعْدِلُوْا بَيْنَ النِّسَآءِ
وَلَوْ حَرَصْتُمْ فَلَا تَمِيْلُوْا كُلَّ الْمَيْلِ
فَتَذَرُوْهَا كَالْمُعَلَّقَةِ

(4:130)

ন্যায়ৰ ফালে ইমান জোৰ দিছে যে,খোদা তা'লা সেয়া বিস্তাৰিত ভাৱে কৈছে যে যথা সম্ভৱ ইয়াৰ সম্পৰ্ক যে আবেগ প্ৰৱণ হিচাপে এশ শতাংশ সমান হ'ব, এয়া হ'বই নোৱাৰে যে মানুহ যিমান প্ৰেম স্নেহ নিজৰ এজনী স্ত্ৰীৰ সৈতে কৰিব সিমানেই মৰম স্নেহ দ্বিতীয় স্ত্ৰীৰ সৈতেও কৰিব। কোৰাণ মজিদ ন্যায় প্ৰতিষ্ঠিত কৰাৰ আদেশ দি কেতিয়াও এই শিক্ষা প্ৰদান নকৰে যে মৰম স্নেহ কৰাত ন্যায়সঙ্গত কৰিবা। কাৰণ হৃদয় সম্পৰ্কে কোনোবাই তাত দখল দিব নোৱাৰে। কিন্তু খোদা তা'লা এয়া কয় যে,কোনো এজনৰ সৈতে মৰম স্নেহ বেছি কৰাত আনজনীৰ সৈতেও কোনো বিষয়ত সমান ভাৱে ব্যৱহাৰ কৰিবা।

আঁ-হজৰত (ছাঃ)য়ে এই সম্পৰ্কে এনেকুৱা আদৰ্শ উত্থাপন কৰিছে,শেষ বয়সত যেতিয়া তেখেত (ছাঃ)দুৰ্বল হৈ পৰে,তেখেত (ছাঃ)ৰ এই শক্তি নাছিল যে প্ৰত্যেক ঘৰত যাব পাৰে,এনে অৱস্থাত তেখেত (ছাঃ)য়ে সেই

স্ত্ৰীসকলৰ ঘৰত থাকিছিল যিসকলে তেখেত (ছাঃ)ৰ ভালদৰে দেখাশুনা কৰিব পাৰিছিল। অনুমতি লৈছিল যে তেখেত (ছাঃ) সেইসকল ঘৰত থাকিব যিসকলে তেখেত (ছাঃ)ৰ দেখাশুনা কৰিব পাৰিব। আৰু যেতিয়া বিভিন্ন স্ত্ৰীসকলে আনন্দ হৃদয়ে ইয়াৰ অনুমতি দি দিয়ে তাৰ পিছত তেখেত (ছাঃ)য়ে এয়া কাৰ্যকৰী কৰে। (ছহী বুখাৰী কিতাবুল মগাজী)

## বাইবেল আৰু স্ত্ৰীৰ সংখ্যা

যথা সম্ভৱ অন্যান্য ধৰ্মৰ সম্পৰ্ক এয়া আচৰিত কথা যে অন্যান্য ধৰ্মাৱলম্বীসকলে ইছলামৰ ওপৰত আপত্তি কৰে। যেতিয়া সিহঁতৰ ধৰ্ম অধ্যয়ন কৰা হয় তেতিয়া সেই আপত্তি একেবাৰে বিপৰীত দেখিবলৈ পোৱা যায়। হজৰত মুছা (আঃ)ৰ চৰিয়ত স্বাধীন ভাৱে স্ত্ৰীৰিৰ সংখ্যাৰ (এজনীতকৈ অধিক স্ত্ৰীৰিৰ) অনুমতি প্ৰদান কৰে।(ইছতিছনা বাব ২১ আয়াত ১৫),ছলাতিন বাব-৩ বাব ১১ আয়াত ৩ ৰ অধ্যয়ন কৰক তেতিয়া আপুনি আচৰিত হৈ পৰিব যে সেই মুকলি স্বাধীনতাৰ লগতে ন্যায়সঙ্গত ব্যৱহাৰৰ কোনো বাধ্যবাধকতা ৰখা নাই। নবীসকলৰ বিষয়ে বহু ডাঙৰ মৰ্যদাৰ বিষয় যাৰ পৰা আগত সকলো নবীৰ শৃঙ্খল আৰম্ভ হৈছে যাৰ পৰা আগৰ বংশধৰ সিহঁতৰ দৃষ্টিত পৃথিৱীৰ ত্ৰাণকৰ্তা সৃষ্টি হৈছে,অৰ্থাৎ হজৰত ইব্ৰাহিম (আঃ)। আপোনালোকে জানে যে তেখেত (আঃ)ৰ এজনীতকৈ অধিক স্ত্ৰী আছিল। (পেইদাইশ বাব ১৬ আয়াত ৩,৪ আৰু পেইদাইশ বাব ২৫ আয়াত ১)
এইদৰে হজৰত ইয়াকুব (আঃ)ৰ এজনীতকৈ অধিক স্ত্ৰী আছিল।( পেইদাইশ বাব ২৯, আয়াত ২২ ৰ পৰা ২৪,এইদৰে পেইদাইশ বাব ৩০ আয়াত ২,৩,৪,৯,১০) ছমোয়েল বাব ৩ আয়াত ২ ৰ পৰা ৫ আকৌ ২ ছমোইল বাব ৫ আয়াত ১৩ ত হজৰত দাউদ (আঃ)ৰ কথা উল্লেখ পোৱা যায় ৯৯ স্ত্ৰী আছিল। আৰু এশ পৰিপূৰ্ণ কৰাৰ ইচ্ছা আছিল। আল্লাহ তা'লা বাধা প্ৰদান কৰিছে নতুবা হজৰত দাউদ (আঃ) বাইবেল অনুযায়ী থামি নাথাকিলেহেঁতেন।

যদি পুৰুষৰ শক্তিৰ এই মানচিত্ৰ বাইবেলে টানি আছে,তেতিয়া বাইবেলৰ ফালে আকৃষ্ট হোৱা জন আৰু বাইবেলক সন্মানৰ দৃষ্টিৰে দেখাজন কেতিয়াও এই অধিকাৰপ্ৰাপ্ত নহ'ব যে চাৰি স্ত্ৰীৰ ক্ষেত্ৰত আপত্তি কৰিব। এয়া ন্যায় আৰু তাকৱাৰ বিৰোধমূলক কাম হ'ব। হজৰত ছুলেইমান (আঃ)ৰ স্ত্ৰীৰ উল্লেখ **ছলাতিনত** পোৱা যায় বাব ১১ আয়াত ৩২  আপুনি অধ্যয়ন কৰি চাব পাৰে

## হিন্দুইজম আৰু স্ত্ৰীৰ সংখ্যা

হিন্দুসকলৰ ফালৰ পৰা স্ত্ৰীৰ সংখ্যা সম্পৰ্কে এই আপত্তি কৰা হয়। অৰ্থাৎ হজৰত শ্ৰী কৃষ্ণ (আঃ)ক বিয়া অবিহনে বহু স্ত্ৰী ৰখা বুলি দেখোৱা হৈছে । আৰু বহু হিন্দু বুজুৰ্গসকলৰ বিষয়ে পুস্তক  **হিন্দ** আৰু **ইলাহিত** উল্লেখ পোৱা যায় যে সিহঁতে এজনীতকৈ অধিক বিয়া কৰিছে।( মনু বাব ৯, আয়াত ১২২, মনু বাব ৯, আয়াত ১৪৯, আৰু মনু বাব ৯, আয়াত ১৮৪) লালা লাজিত ৰায় নিজৰ কিতাপ শ্ৰী কৃষ্ণন মহাৰাজৰ পৃঃ ৯৭,৯৮ত লিখিছে কৃষ্ণন জী স্ত্ৰীৰ সংখ্যাত নিয়মিত প্ৰতিশ্ৰুতবদ্ধ আছিল।

## খ্ৰীষ্টান আৰু স্ত্ৰীৰ সংখ্যা

বাইবেলৰ এই শিক্ষা আপুনি চাওঁক হজৰত মছীহ নাচিৰী (আঃ) কতো **আহদ নামা কদিমত** স্ত্ৰীৰিৰ সংখ্যাৰ শিক্ষা বাতিল কৰা নাই। এই কাৰণে খ্ৰীষ্টান সকলৰো এই অধিকাৰ নাই যে সিহঁতে এই শিক্ষাক বাতিল বুলি ভাৱিব,যাৰ সম্পৰ্কে হজৰত মছীহ (আঃ)ৰ এই কথা আছিল যে তেখেত তৌৰাতৰ বিন্দু পৰিমাণ পৰিৱৰ্তন কৰাৰ বাবে অহা নাই,মই সেই শিক্ষা পৰিপূৰ্ণ কৰাৰ কাৰণে আহিছোঁ। অৰ্থাৎ হজৰত মছীহ নাচিৰী (আঃ)ৰ ইৰশাদৰ মাথোন বিৱৰণ দিয়া হয় আৰু তেখেতৰ কাৰ্যাৱলী চোৱা হয় তেতিয়া খ্ৰীষ্টান ধৰ্মত এটা বিয়াৰো অনুমতি হোৱা উচিত নাছিল আৰু

খ্ৰীষ্টান পুৰুষ বিয়াৰ পৰা মুক্ত হোৱা দৰকাৰ আছিল।

কিন্তু আৰু এটা বিষয় খ্ৰীষ্টানসকলৰ বাবে বৰ চিন্তাৰ বিষয় সিহঁতৰ বিশ্বাস অনুযায়ী যদি পুৰুষক এটাতকৈ বেছি বিয়াৰ অনুমতি নাই, তেন্তে হজৰত মছীহ (আঃ)ৰ মাকৰ সম্পৰ্কে পৰিপূৰ্ণ বিশ্বাসৰ সৈতে এয়া বৰ্ণনা কৰে যে তাই একে সময়তে দুইজন স্বামী ৰাখিছে। এক স্বামী (নাউজুবিল্লাহ) আল্লাহ তা'লা আছিল,কাৰণ তাইৰ পেটৰ পৰা যি সন্তান সৃষ্টি হৈছে,সেইজন আল্লাহ তা'লাৰ আছিল,অৰ্থাৎ খ্ৰীষ্টানসকলৰ সমূহ লিটৰেচাৰত কতো এয়া উল্লেখ পোৱা নাযায় যে খোদা তা'লা হজৰত মৰিয়ম (আঃ)ক তালাক দি দিছিল,তাৰ পিছত তাই **ইউছুফ নাজ্জাৰ**ৰ সৈতে বিয়া পাতিছিল। অৰ্থাৎ এই আদৰ্শৰ পৰা খ্ৰীষ্টানসকলৰ এই বিশ্বাস হোৱা উচিত যে একে সময়তে পুৰুষক এটাতকৈ অধিক বিয়াৰ অনুমতি নাই,কিন্তু মহিলাৰ একে সময়তে দুই বিয়াৰ অনুমতি আছে। এই কাৰণে খ্ৰীষ্টানসকলৰ যদি আপত্তি আছে তেতিয়া আপত্তি কৰক,পোন প্ৰথমে নিজৰ শিক্ষাৰ ওপৰত আমল (কাৰ্যকৰি) কৰক। কোনোবাই বিয়া নকৰিব,নিজৰ শিক্ষা দেখা অবিহনে,নিজৰ ধৰ্মৰ গ্ৰন্থ অধ্যয়ন অবিহনে বা জনা সত্ত্বেও তাক এফালে ৰাখি ইছলামৰ ওপৰত আপত্তি কৰা ঠিক নহয়। আমি মাথোন বুজোৱাৰ বাবে এইবিলাক কথাসমূহৰ ফালে দৃষ্টি আকৰ্ষণ কৰি আছো। আমাৰ এই কাৰ্যসূচীত এই ইংৰাজী প্ৰবাদত বৰ্ণনা কৰা হৈছে। Phsician heal thyself.

আচৰিত কথা এয়া যে ইছলামৰ ওপৰত যি স্ত্ৰীৰ সংখ্যাৰ ওপৰত আপত্তি কৰি বেলেগ সকলো ধৰ্মই পাহৰি যায় যে কেৱল ইছলাম হয় যি সংখ্যাৰ পৰিমাণ কম কৰি তাৰ ওপৰত বাধ্যবাধকতা লগাইছে। অন্যান্য ধৰ্মই এটাতকৈ অধিক স্ত্ৰী ৰখাৰ অনুমতি প্ৰদান কৰিছে বা সিহঁতৰ নবীসকলে আৰু পবিত্ৰ মানুহবিলাকে এই আদৰ্শ দেখুৱাইছে যে সিহঁতৰ মাজত সংখ্যাৰ কোনো বাধ্যবাধকতা পোৱা নাযায়।এই কাৰণে যিমান সম্ভৱ অন্যান্য ধৰ্মৰ সম্পৰ্ক যিমান ইচ্ছা বিয়া কৰিব পাৰে সিহঁতৰ মুকলি ভাৱে অনুমতি আছে। কিন্তু কোনো ন্যায়সঙ্গত চৰ্ত সন্মুখত ৰখা নাই যাক কোৰাণ

মজিদে বিস্তাৰিত ভাৱে বৰ্ণনা কৰিছে; আৰু সেই পৱিত্ৰ আদৰ্শ দেখুওৱা নাই যি হজৰত মহম্মদ (ছাঃ)ৰ পৱিত্ৰ আদৰ্শ আছিল।

যদি কোনো মহিলাৰ এই ভয় থাকে যে তাইৰ স্বামী ইছলামী শিক্ষা সন্মুখত ৰাখি মাথোন নিজৰ হৃদয়ৰ তৃপ্তিৰ খাতিৰে দ্বিতীয় বিয়া কৰিব খোজে এনেকুৱা মহিলাৰ বাবে হজৰত ইমাম মাহদী (আঃ)য়ে কৈছে,

যদিওবা এই বিষয়টো ইছলামত প্ৰকাশিত যে চাৰিটা বিয়া কৰাৰ অনুমতি আছে কিন্তু জবৰ (দমন) কোনোবাৰ ওপৰত নাই (পুৰুষৰ ওপৰতো নহয় মহিলাৰ ওপৰতো নহয়)আৰু প্ৰত্যেক পুৰুষ আৰু মহিলাই এই বিষয়টো বৰ ভালকৈ অৱগত,গতিকে সেই মহিলাসকলৰ অধিকাৰ আছে যদি কোনো মুছলমানৰ সৈতে বিয়া কৰিব খোজে তাইৰ প্ৰথম চৰ্ত কৰোৱাই ল'ব যে তাইৰ স্বামী কোনো পদ্ধতিত দ্বিতীয় বিয়া নকৰিব। যদি বিয়াৰ পূৰ্বেই এনেকুৱা চৰ্ত লিখোৱা হয়,এনেকুৱা স্ত্ৰীৰ স্বামী যদি দ্বিতীয় বিয়া কৰে তেতিয়া অপৰাধ ক্ৰটি প্ৰতিশ্ৰুতিত আৱদ্ধ হৈ পৰিব। (ছশমায়ে মাৰুফত,ৰুহানী খাজাইন খণ্ড নম্বৰ ২৩ পৃঃ ২৪৬, চন ১৯৮৪)

কিন্তু এই সংশ্লেষণৰ পৰা অকাৰ্যকৰ ব্যৱহাৰ নকৰিব,য'ত জায়েজ প্ৰয়োজন আছে তাতে সেই জায়েজ প্ৰয়োজনৰ পৰা পৰামুখ নহ'ব আৰু ইছলামৰ বিৰোধ কাম নকৰিব। পুৰুষৰ বাবে জায়েজ প্ৰয়োজন সিহঁতৰ সন্তান। যদি সন্তান নোহোৱাৰ কাৰণ মহিলা হয়,এনেকুৱা মহিলাসকলে নিজৰ স্বামীক দ্বিতীয় বিয়া কৰাৰ অনুমতি আনন্দৰ সৈতে দিয়া উচিত। নহলে তাই খুলা (বিবাহ বিচ্ছেদ) ল'ব পাৰে। আৰু যদি সন্তান নোহোৱাৰ কাৰণ পুৰুষ হয় তেতিয়া পুৰুষৰ বাবে দ্বিতীয় বিয়া কৰাৰ অনুমতি নাই। আৰু যদি তেওঁ সত্য কথা কয় আৰু য'ত বিয়া কৰিব খোজে তাতে কৈ দিয়ে যে তেওঁ সন্তান জন্মাবৰ ক্ষমতা নাৰাখে তেতিয়া ছোৱালীৰ ফালৰ পৰা নিশ্চয় এই বিয়া অস্বীকাৰ কৰিব। এইটোৰ উল্লেখ এই কাৰণেই আহিছে যে কেইমাহ আগত মই খোতবাত এইটো কৈছিলো যে জামাত আহমদীয়া যি দ্বিতীয় শতাব্দীত অন্তৰ্ভুক্ত হৈ আছে গতিকে আমাৰ মনৰ

ইচ্ছা যে খোদা তা'লাৰ চৰণত কিছুমান উপহাৰ উত্থাপন কৰো,আমি বহু টকাৰ কোৰবাণী কৰিছোঁ; আৰু হৃদয়ৰ সংশোধনৰ বাবে প্ৰোগ্ৰাম তৈয়াৰ কৰিছোঁ,যেতিয়া আমি নতুন শতাব্দীত অন্তৰ্ভুক্ত হ'ম,অতি ভাল অৱস্থাত যেন খোদা তা'লাৰ চৰণত নেকীৰ সৈতে উপস্থিত হ'ব পাৰো। এই সময়ত মোৰ ধাৰণা উপজিল যে যি মই বুজিব পাৰো,আমি খোদা তা'লাৰ চৰণত নিজৰ সন্তান সকলক উপহাৰ হিচাপে কিয় উৎসৰ্গ নকৰিম? যিসকলক অহা শতাব্দীৰ মানুহৰ দায়িত্ব গ্ৰহণ কৰাৰ বাবে আমি খোদা তা'লাৰ জমাতৰ অধীনত ন্যস্ত কৰিম। সেই কাৰণে সিহঁতৰ শিক্ষা আৰু প্ৰশিক্ষণ অব্যাহত ৰাখা। আৰু ভৱিষ্যত শতাব্দীৰ মানুহৰ বাবে ইছলামৰ পয়গাম বিস্তাৰৰ বাবে সিহঁতক প্ৰস্তুতি ৰাখক। অৰ্থাৎ মই  তাহৰিক কৰিছোঁ যে খোতবাৰ পিছৰ পৰা ভৱিষ্যত শতাব্দী পৰ্যন্ত আপুনি যদি এই প্ৰতিশ্ৰুতি কৰে যে আমাৰ যিবিলাক সন্তান জন্ম গ্ৰহণ কৰিব আমি খোদাৰ কাৰণে উৎসৰ্গা কৰিম,এয়া বৰ ধুনীয়া উপহাৰ হ'ব; আৰু হ'ব পাৰে তাৰ কল্যাণত কিছুমান ঘৰত যিসকলে সন্তানৰ পৰা বঞ্চিত সিহঁতৰ ঘৰত  আল্লাহ তা'লা সন্তান সৃষ্টি কৰি দিব। এই বিষয়ে কিছুমান সংবাদ শুনিবলৈ পাই আছো খোদা তা'লাৰ কৃপাৰ ফলত  কিছুমান ঘৰত স্বামী স্ত্ৰীয়ে যেতিয়া এই ইচ্ছুক কৰিছে সিহঁতৰ ঘৰত আল্লাহ তা'লা কেইবা বছৰ সন্তানৰ পৰা বঞ্চিত থকা সত্ত্বেও সিহঁতৰ ঘৰত সন্তান জন্মিছে। এই কাৰণে মই বুজিব পাৰো যে আমি এই হিদায়ত কাৰ্যকৰী কৰা উচিত। আৰু বেছি সংখ্যক অহা শতাব্দীৰ প্ৰয়োজন পৰিপূৰ্ণ কৰাৰ বাবে নিজৰ সন্তান উৎসৰ্গা কৰা উচিত। এই তাহৰিকৰ ফলত কিছুমান পুৰুষৰ নাটক আৰম্ভ হৈ গৈছে যে আমাৰ সন্তান প্ৰথমৰ পৰাই আছে কিন্তু আমি এই শতাব্দীৰ বাবে উৎসৰ্গা কৰিব খোজো। ইয়াত মাথোন দুই বছৰ বৈ গৈছে। অতি সোনকালে অনুমতি প্ৰদান কৰক আমি বিয়া পাতি লওঁ যাতে সন্তান জন্মাব পাৰো আৰু ইছলামৰ কাৰণে সন্তান উৎসৰ্গা কৰিব পাৰো। মই কওঁ যে কোনো প্ৰয়োজন নাই যি সন্তান প্ৰথমে আছে সেয়াই ঠিক আছে। সিহঁতক কিয় উৎসৰ্গা কৰা নাই। কৈ

দিয়ে আমি বাধ্য যে নতুন সন্তান জন্ম দিব পৰা নাই। কিন্তু কিছুমান পুৰুষসকলে মহিলাসকলৰ ওপৰত ইমান বোজা অৰ্পন কৰে তাই বাধ্য হৈ অনুমতি দি দিয়ে যে যদি তুমি এই নেক নিয়তৰ সৈতে বিয়া পাতিব খোজা তেন্তে অনুমতি আছে। এয়া আহমদী মহিলাৰ মৰ্যাদা হয়। দুনিয়াৰ পৰ্দাত এনেকুৱা আদৰ্শ আপুনি নাপাব। মাথোন এক খোদা তা'লাৰ সন্তুষ্টিৰ বাবে এই ধাৰণাৰ সৈতে যে যদিওবা আমি এই উপহাৰ উত্থাপন কৰিব পৰা নাই কিন্তু আমাৰ যুৱক স্বামীয়ে শান্তি আনিব পাৰে,যাৰ সন্তান উৎসৰ্গা কৰি নতুন তাহৰিকত অন্তৰ্ভুক্ত কৰিব পাৰে। নিজৰ স্থানত এই কোৰবাণী আৰু সিহঁতৰ চৰিত্ৰ সন্মানৰ যোগ্য হয়। কিন্তু পুৰুষক ভুল নাটক কৰাৰ সুযোগ নিদিব,আৰু এটা নেক তাহৰিকত বেয়া নিয়তক অন্তৰ্ভুক্ত হোৱাৰ সুযোগ প্ৰদান নকৰিব। এই ছিলছিলাৰ (শৃঙ্খলৰ) বাকী বিষয় আল্লাহ তা'লা তৌফিক প্ৰদান কৰক,ইনশা আল্লাহ পিছত বৰ্ণনা কৰিম। খোদা হাফিজ-আচ্ছালামু আলাইকুম ওৱা ৰাহমাতুল্লাহে ওৱা বাৰাকাতুহু।

# পঞ্চম খণ্ড

## হজৰত খলিফাতুল মছীহ ৰাবে (ৰহঃ)২৩ জুলাই ১৯৮৮ চনত জলছা ছালানা ইংলেণ্ডত মহিলাসকলৰ সৈতে প্ৰদান কৰা বক্তব্য

হুজুৰ আনোৱাৰ (আইঃ)য়ে তাশ্বাহুদ তাউজ আৰু চুৰা ফাতিহা পাঠৰ পিছত কৈছে,

وَمَنْ يَّعْمَلْ مِنَ الصّٰلِحٰتِ مِنْ ذَكَرٍ اَوْ اُنْثٰى وَهُوَ مُؤْمِنٌ فَاُولٰٓئِكَ يَدْخُلُوْنَ الْجَنَّةَ وَلَا يُظْلَمُوْنَ نَقِيْرًا ﴿۱۲۵﴾

(4:125)

যিয়ে সজ কাম কৰিব পুৰুষে হওঁক বা মহিলাই হওঁক আৰু তেওঁ মোমিন হয়,এইসকলেই সেই লোক যিসকল বেহেস্তত প্ৰৱেশ কৰিব আৰু খেজুৰৰ বীজৰ ভিতৰত থকা দাগৰ সমানো সিহঁতৰ ওপৰত অত্যাচাৰ কৰা নহ'ব।

ইয়াৰ পূৰ্বতে দুই খণ্ডত এই বিষয়সমূহ আপোনালোকৰ সন্মুখত উত্থাপন কৰা হৈছে। মই সংক্ষিপ্ত ভাৱে আপোনালোকক স্মৰণ কৰাই দিওঁ যে ইয়াৰ পূৰ্বতে এই বিষয়সমূহৰ ওপৰত ইছলাম মহিলাসকলক ধৰ্মত এক বিশেষ স্থান দিয়ে,আৰু কোনোবা ইয়াৰ অন্যায় নকৰে যথা সম্ভৱ মই মোৰ ধাৰণা প্ৰকাশ কৰিছোঁ।

## মহিলা আৰু ধৰ্ম

এতিয়া মই সংক্ষিপ্ত ভাৱে আপোনালোকৰ সন্মুখত কিছুমান নতুন দৃষ্টিকোণ বিভিন্ন ধৰ্মত মহিলা সকলৰ স্থান কি সেয়া উত্থাপন কৰিম। কিছুমান ধৰ্মত মহিলাসকলৰ বিষয়ে কোনো উল্লেখ পোৱা নাযায়। যেনেকুৱা কনফিউছিজম শ্বনটুইজম আৰু বুদ্ধিইজম ইত্যাদি। কিন্তু কিছুমান অন্য

ধৰ্মত য'ত মহিলাসকলৰ বিষয়ে উল্লেখ পোৱা যায় এনেকুৱা নিম্ন স্তৰৰ সৈতে উল্লেখ পোৱা যায় যাৰ ফলত কিছুমান মানুহ এনেকুৱা ধমৰ্ক ঘৃণাৰ দৃষ্টিৰে দেখে।

## হিন্দুইজম

পোন প্ৰথমে মই হিন্দুইজম ধৰ্মৰ উদাহৰণ উত্থাপন কৰিম যে মহিলাসকলৰ বাবে ধৰ্মীয় প্ৰথা পালন কৰাৰ বিষয়ে কি শিক্ষা প্ৰদান কৰিছে। ধৰ্মৰ দৃষ্টিকোণৰ পৰা কিছুমান পদ্ধতিত মহিলাসকলৰ অৱস্থা পশুতকৈয়ো নিকৃষ্ট হিচাপে বৰ্ণনা কৰিছে। হিন্দুসকলৰ ইতিহাস কয় যে ধৰ্মৰ দৃষ্টিকোণৰ পৰা এক দীৰ্ঘ কাললৈ এই শিক্ষাৰ ওপৰত কাৰ্যকৰীও হৈছে। আজি ভাৰতবৰ্ষৰ চৰকাৰৰ ফালৰ পৰা বেয়া প্ৰথাৰ বিৰুদ্ধে চেষ্টা-প্ৰচেষ্টা কৰিব লগা হৈছে। অৰ্থাৎ শাসনকৰ্তাৰ বেছিৰ ভাগ মানুহ হিন্দু হয়। হিন্দু ধৰ্মত মহিলাসকলক বেদ পঢ়াৰ অনুমতিও নাই। আৰু কোনো ধৰণৰ ধৰ্মীয় প্ৰথা মাথোন পুৰুষসকলৰ সেৱা কৰাৰ বাহিৰে নহয়, আৰু মহিলাসকলে অকলে বহি পূজা পাঠ কৰিবও নোৱাৰে।

## খ্ৰীষ্টানসকল

যথা সম্ভৱ বাইবেলৰ সম্পৰ্ক, বাইবেল মহিলাসকলক ধৰ্মৰ দৃষ্টিকোণত  কিবা কাম কৰিব লগীয়া হলে তাৰ পৰা বাধা প্ৰদান কৰে। **কলিছিয়াত** মহিলাসকলক নীৰৱ থকাৰ অনুমতি প্ৰদান কৰে। আৰু এয়া প্ৰকাশ্য আদেশ মহিলা যদি কলিছিয়াত কোনো প্ৰশ্ন দাঙি তোলে বা মানুহৰ উপস্থিতিত কোনো ধৰণৰ প্ৰশ্ন দাঙি ধৰে তেতিয়া তাইৰ বাবে লাজৰ বিষয়। অৰ্থাৎ পোলুছ ৰছুল কৰনথিয়োৰ নামত চিঠিত মহিলাসকলক এই নিৰ্দেশ দিয়ে যে মহিলাসকল কলিছিয়াত একগোটৰ সময়ত নীৰৱ থাকিব। কাৰণ সিহঁতক কিবা কোৱাৰ অনুমতি নাই। অৰ্থাৎ অধীনত থাকিব,যেনেকুৱা তৌৰাতত লিখিছে, যদি কিবা শিকিব লগা আছে তেন্তে ঘৰত নিজৰ স্বামীৰ পৰা শিকিব পাৰে কাৰণ মহিলা কলিছিয়াত একগোট হৈ কিবা কোৱা

লাজৰ বিষয়। (কৰনথিয়ো বাব ১৪ আয়াত ৩৪,৩৫)

## ইছলাম

যথা সম্ভৱ ইছলামৰ সম্পৰ্ক,ইছলামত মহিলাসকলক একত্ৰিত ভাৱে উপাসনাৰ অনুমতি প্ৰদান কৰিছে। অৰ্থাৎ একত্ৰিত ভাৱে নমাজ পঢ়াৰ পৰা বাধা প্ৰদান কৰা নাই। কিন্তু সিহঁতৰ সৃষ্টি হিচাপে সিহঁতৰ ওপৰত ইমান ভাৰ অৰ্পন কৰা নাই যে এবাদত সিহঁতৰ বাবে বাধ্যতামূলক হয়। এই বিষয়সমূহ মই আগতে উল্লেখ কৰিছোঁ গতিকে ইয়াত পুনৰ উত্থাপন কৰাৰ প্ৰয়োজন নহয়।

যথা সম্ভৱ জিহাদৰ ফৰজৰ সম্পৰ্ক,ইয়াতো এই ধৰণৰ ব্যৱহাৰ কৰা হৈছে,অৰ্থাৎ যুদ্ধত মহিলাসকলৰ অংশ লোৱাত ইছলাম বাধা প্ৰদান নকৰে। কিন্তু যুদ্ধত অংশ সিহঁতক এই হিচাপে ল’ব কৈছে যে যদি সিহঁতে ইচ্ছা কৰে তেতিয়া অংশ গ্ৰহণ কৰিব পাৰে,নতুবা সিহঁতৰ বাবে জৰুৰী নহয় যে সিহঁত অংশ গ্ৰহণ কৰিবই লাগিব।

হজৰত মহম্মদ (ছাঃ)ক এবাৰ হজৰত আয়েশা ছিদ্দিকা (ৰাঃ)য়ে সুধে, জিহাদ মহিলাসকলৰ বাবে ফৰজ হয়নে ? তেখেত (ছাঃ)য়ে কয়,হয় কিন্তু সিহঁতৰ জিহাদ যুদ্ধৰ জিহাদ নহয়,অৰ্থাৎ হজ্ব উমৰা আৰু অন্যান্য এই ধৰণৰ কামত অংশ লোৱাটোহে সিহঁতৰ বাবে জিহাদ হৈ যায়।(ছুনন ইবনে মাজা আবুৱাবুল মুনাছিক বাবুল হজ,জিহাদুননিছা)

স্মৰণ ৰাখিবা জিহাদত অংশ লোৱা অৰ্থাৎ ধৰ্মৰ খাতিৰত জিহাদত হত্যা হোৱাত অংশ লোৱা মহিলাসকলৰ বাবে ফৰজ কৰি দিয়া হোৱা নাই। কিন্তু তাৰ ছোৱাবৰ (পুৰস্কাৰৰ) পৰা সিহঁতক বঞ্চিত ৰখা নাই।

যেতিয়া এজন পুৰুষ হজ্ব কৰে তেতিয়া তেওঁ হজ্ব কৰাৰ ছোৱাব পায়। কিন্তু মহিলা যেতিয়া হজ্ব কৰে তেতিয়া আঁ-হজৰত (ছাঃ)ৰ সেই হাদীছ মতে তাই হজ্ব কৰাৰ বাহিৰেও জিহাদৰ ভাগীদাৰী হয়।

নমাজ জিহাদৰ উপপ্ৰতিনিধি বুলি কোৱা নাই। ৰোজা জিহাদৰ উপপ্ৰতিনিধি বুলি কোৱা নাই। অৰ্থাৎ প্ৰকাশ্য ভাৱে হজ্ব আৰু উমৰাক জিহাদৰ উপপ্ৰতিনিধি বুলি কৈছে। মহিলাসকল নিজেই হজ্ব কৰাৰ বাবে ওলাই যোৱা সিহঁতৰ নিজৰ দায়িত্বত হয় আৰু মহিলাসকল ভ্ৰমণ কৰা সময়ত যিবিলাক সমস্যাৰ সন্মুখীন হ'ব লগা হয় সেইবিলাক সমস্যা পুৰুষসকলৰ নাহে। এই কাৰণে বিশেষ কৰি আঁ-হজৰত (ছাঃ)য়ে হজ্ব আৰু উমৰাক জিহাদৰ উপপ্ৰতিনিধি কৰি দিয়াটো বহুত সূক্ষ্ম কথা। আৰু এই শিক্ষাত হজৰত মহম্মদ (ছাঃ)য়ে আৰু কিছুমানক অন্তৰ্ভুক্ত কৰি আৰু বেছি উজ্জ্বলময় কৰি তুলিছে। এসময়ত তেখেত (ছাঃ)য়ে কৈছে বয়োজ্যেষ্ঠ,শিশু,দুৰ্বল আৰু মহিলাসকলৰ বাবে হজ্ব আৰু উমৰা কৰাটোৱে জিহাদ হয়।(ছুনন নিছাই, কিতাবুল মুনাছিকুল হজ,বাব ফজলুল হজ)

এই বিষয়ৰ পৰা এই জ্ঞান অৰ্জন হয় যে মহিলাসকলৰ যি স্থান, তাতে সিহঁতৰ মৰ্যাদা আৰু শক্তিশালী হয়। যদি কেৱল মহিলাসকলৰ বাবে কলেহেঁতেন যে হজ্ব কৰা তোমালোকৰ বাবে জিহাদ হয়,তেতিয়া সিহঁতৰ নিজৰ দুৰ্বলতাৰ অনুভৱ হলেহেঁতেন। কিন্তু চাওঁক হজৰত ৰছুলে কৰিম (ছাঃ)য়ে তাৰ লগতে বয়োজ্যেষ্ঠ, শিশু আৰু অন্যান্য দুৰ্বলসকলকো অন্তৰ্ভুক্ত কৰিছে। বয়োজ্যেষ্ঠসকলৰ বাবে জিহাদ ফৰজ নহয়,শিশুসকলৰ বাবে জিহাদ ফৰজ নহয়,দুৰ্বলসকলৰ বাবে জিহাদ ফৰজ নহয়,এটাই কাৰণৰ বাবে। আৰু যিসকলৰ বাবে জিহাদ ফৰজ নহয় সিহঁতৰ বাবে হজ্ব জিহাদৰ উপপ্ৰতিনিধি বুলি কৰি দিছে।

## মহিলাসকল মুৱাল্লিম (শিক্ষক) আৰু মুৰব্বী

মহিলাসকল কেৱল মহিলাসকলকেই শিক্ষাই দিব নোৱাৰে,বৰং সিহঁতৰ প্ৰশিক্ষণ কৰিবও পাৰে। ইছলাম সিহঁতক পুৰুষসকলৰ মুৰব্বী আৰু মুৱাল্লিম হোৱাৰ অধিকাৰ প্ৰদান কৰিছে। আৰু এয়া সেই অধিকাৰ যাক **কলিছিয়াই** মহিলাসকলক বঞ্চিত ৰাখিছে। যি সৰু সৰু ফিৰকাত মহিলাসকলক পাদৰী হোৱাৰ অধিকাৰ প্ৰদান কৰিছে, ইয়াৰ ওপৰত বহু

সংখ্যক খ্ৰীষ্টানসকলে আপত্তি কৰি থাকে কাৰণ সিহঁতৰ মতে **এহদ নামা জাদিদে** মহিলাসকলক এই অধিকাৰ প্ৰদান কৰা নাই।

যথা সম্ভৱ প্ৰশ্নৰ সম্পৰ্ক, হজৰত আয়েশা ছিদ্দিকা (ৰাঃ)য়ে কৈছে যে আনছাৰ সকলৰ মহিলাসকলক চাওঁক, কিমান ভাল,মোক বৰ ধুনীয়া লাগে। কাৰণ সিহঁতে মুহাজিৰ মহিলাসকলৰ নিচিনা কিবা বিষয়াৱলী সোধাত লাজ নকৰে। আৰু মুকলি ভাৱে হুজুৰৰ ওচৰত আহি প্ৰশ্ন সুধে, মুহাজিৰ মহিলাসকলে প্ৰশ্ন কৰাত লাজ পায়। যাৰ বাবে সিহঁত দুনিয়াৰ শিক্ষাৰ অধীন হৈ আছে। অৰ্থাৎ বৰ্ণনা মতে জানিব পৰা যায় যে,কিছুমান আনছাৰ মহিলা ভিতৰুৱা সমস্যাৱলী মহিলাসকলৰ বিষয়ে সম্বন্ধ ৰখা সমস্যাৱলীৰ বিষয়ে প্ৰশ্ন দাঙি ধৰে। আৰু আজি সিহঁতৰ কাৰণে খোদা তা'লাৰ কৃপাত এই বিষয়াৱলীত আমি হজৰত মহম্মদ (ছাঃ)ৰ হিদায়তৰ পৰা লাভালাভ হৈ আছো।

কোৰাণ মজিদত এজনী মহিলাৰ অভিযোগৰ কথা উল্লেখ আছে যিয়ে নিজৰ স্বামীৰ বিৰুদ্ধে বাৰে বাৰে ৰছুলে কৰিম (ছাঃ)ক উল্লেখ কৰি আছিল। হজৰত মহম্মদ (ছাঃ)য়ে তাইৰ প্ৰশ্নৰ উত্তৰ সম্ভৱত এই কাৰণে দিয়া নাছিল যে আল্লাহ তা'লাৰ ফালৰ পৰা এই বিষয়ে কোনো হিদায়ত অৱতীৰ্ণ হোৱা নাছিল। কিন্তু যেতিয়া এই আয়াত অৱতীৰ্ণ হয়।

قَدْ سَمِعَ اللّٰهُ قَوْلَ الَّتِيْ تُجَادِلُكَ فِيْ
زَوْجِهَا وَتَشْتَكِيْٓ اِلَى اللّٰهِ (58:2)

তাৰ পিছত আঁ-হজৰত (ছাঃ)য়ে সেই ফালে দৃষ্টি কৰে,এই আয়াতৰ অনুবাদ এনেকুৱা যে আল্লাহ সেই মহিলাজনীৰ কথা শুনিছে যি তোমাৰ ওচৰত নিজৰ স্বামীৰ বিৰুদ্ধে নিজৰ অধিকাৰৰ বাবে অভিযোগ কৰিছে।

কিন্তু অভিযোগ তোমাক কৰা নাই অভিযোগ নিজৰ খোদাৰ ওচৰত কৰিছে।

وَاللّٰهُ يَسْمَعُ تَحَاوُرَكُمَا ۭ اِنَّ اللّٰهَ سَمِيْعٌۢ بَصِيْرٌ ۝ (58:2)

আল্লাহ তোমালোকৰ উভয়ৰ কথা শ্ৰৱণ কৰি আছিল। নিশ্চয় আল্লাহ শ্ৰৱণকাৰী, দৃষ্টি ৰাখোতা।

খোদা তা'লা জানে যে কি কথা-বতৰা হৈ আছিল আৰু সেইজনা শ্ৰৱণকাৰী আৰু প্ৰগাঢ় দৃষ্টি ৰাখোঁতা। অৰ্থাৎ সেই মহিলাজনীৰ অভিযোগ খোদা তা'লা শ্ৰৱণ কৰিছিল আৰু তাক গ্ৰহণ কৰিছিল আৰু আঁ-হজৰত (ছাঃ)ক এই সম্পৰ্কে হিদায়ত কৰিছিল আৰু চিৰকালৰ বাবে কোৰাণ মজিদত এই পয়গাম দি দিছে যে যদি তোমাৰ নিজৰ স্বামী সম্পৰ্কে কোনো অভিযোগ আছে তেতিয়া কাজালৈ যাব পাৰে আৰু নিজৰ অধিকাৰৰ বাবে আবেদন কৰিব পাৰে। কিন্তু কাজাত কাজিয়া নকৰিব। তোমাৰ এক খোদা আছে যি তোমাক সুৰক্ষিত ৰাখিব। যদি তুমি আল্লাহৰ ওপৰত ভৰসা কৰা আৰু তাৰ চৰণত পৰি যোৱা তেতিয়া তোমাৰ অধিকাৰৰ সমাধা হৈ যাব। কিন্তু চৰ্ত এয়া যে তুমি নিজৰ অভিযোগত সত্য হ'ব লাগিব। যদি তোমাৰ অভিযোগ সত্য নহয় পুৰুষ সত্য হয় তেতিয়া আল্লাহ তা'লাৰ সহায় সেই পুৰুষৰ সৈতে থাকিব যদিওবা কাজা তাৰ বিৰোধ ফয়চালা কৰিয়ো থাকে।

অৱশেষত এটা উদাহৰণ উত্থাপন কৰো। ৰিৱায়ত বহুত আছে। এই বিষয়ৰ ওপৰত যেতিয়া আপোনালোকে হাদীছ অধ্যয়ন কৰিব তেতিয়া আপোনালোকৰ মস্তিষ্ক আৰু বেছি প্ৰকাশ্য আৰু উজ্জ্বল হৈ উঠিব যে কিমান পৰিমাণে মহিলাক সন্মান আৰু মহান মৰ্যাদা প্ৰদান কৰা হৈছে। কিন্তু হাদীছৰ পূৰ্বতে কোৰাণ কৰিমৰ এটা আয়াত মই আপোনালোকৰ সন্মুখত উত্থাপন কৰিম য'ত মহিলাসকলক এনেকুৱা মৰ্যাদা প্ৰদান কৰা হৈছে যি পৃথিৱীত থকা সকলো ধৰ্মতকৈ উজ্জ্বল হৈ উঠিছে।

وَضَرَبَ اللّٰهُ مَثَلًا لِّلَّذِيْنَ اٰمَنُوا امْرَاَتَ
فِرْعَوْنَ ۘ اِذْ قَالَتْ رَبِّ ابْنِ لِيْ عِنْدَكَ
بَيْتًا فِي الْجَنَّةِ وَنَجِّنِيْ مِنْ فِرْعَوْنَ
وَعَمَلِهٖ وَنَجِّنِيْ مِنَ الْقَوْمِ الظّٰلِمِيْنَ ﴿۱۲﴾ (66:12)

وَمَرْيَمَ ابْنَتَ عِمْرٰنَ الَّتِيْٓ اَحْصَنَتْ
فَرْجَهَا فَنَفَخْنَا فِيْهِ مِنْ رُّوْحِنَا
وَصَدَّقَتْ بِكَلِمٰتِ رَبِّهَا وَكُتُبِهٖ وَكَانَتْ
(66:13) مِنَ الْقٰنِتِيْنَ۝۱۲

কৈছে সেই সকল যিসকলে বিশ্বাস স্থাপন কৰিছে পুৰুষ হওঁক বা মহিলা হওঁক সিহঁতৰ বাবে খোদা তা'লা ফিৰাউনৰ স্ত্ৰীৰ উপমা উত্থাপন কৰিছে। ফিৰাউনৰ স্ত্ৰী এনেকুৱা এজনী মহিলা আছিল ভৱিষ্যতত আহিবলগীয়া সকলো মহিলাৰ বাবে এক আদৰ্শ স্বৰূপ হয়। এই কাৰণে যদি কোনোবা কয় যে পুৰুষ মহিলাৰ বাবে আদৰ্শ স্বৰূপ হ'ব নোৱাৰিব,তেন্তে কোৰাণ মজিদৰ এই আয়াত তাক মিছলীয়া বুলি সাব্যস্ত কৰিব। বহু পুণ্য কামত মহিলাসকল মাথোন আদৰ্শ স্বৰূপেই নহয় বৰং এনেকুৱা বিশেষ নেকীৰ কথা উল্লেখ পোৱা যায় য'ত খোদা তা'লা গোটেই পৃথিৱীত দৃষ্টি ৰাখি মহিলাক উপমাৰ বাবে বাচি লৈছে,যি আল্লাহৰ নবীও নাছিল, অথচ গোটেই কোৰাণ নবীসকলৰ উপমাৰে ভৰ্তি আৰু নবীতকৈ আৰু উত্তম উপমা কি হ'ব পাৰে।

কিন্তু দুটা উদাহৰণ এনেকুৱা যি মহিলাক উপমা হিচাপে বাচি লোৱা হৈছে। আৰু চিৰকাল মানৱৰ বাবে আদৰ্শ স্বৰূপ বনাই দিয়া হৈছে। তাৰ মাজত এজনী ফিৰাউনৰ স্ত্ৰী আছিল।

কৈছে,

اِذْ قَالَتْ رَبِّ ابْنِ لِيْ عِنْدَكَ
بَيْتًا فِي الْجَنَّةِ وَنَجِّنِيْ مِنْ فِرْعَوْنَ
(66:12) وَعَمَلِهٖ وَنَجِّنِيْ مِنَ الْقَوْمِ الظّٰلِمِيْنَ۝۱۱

হে মোৰ প্ৰভু, মোৰ বাবে বেহেস্তত ঘৰ বনাই দিয়া

وَنَجِّنِيْ مِنْ فِرْعَوْنَ وَعَمَلِهٖ

আৰু মোক ফিৰাউন আৰু তাৰ কামৰ পৰা মুক্তি দিয়া।

وَنَجِّنِيْ مِنَ الْقَوْمِ الظّٰلِمِيْنَ ﴿١١﴾

আৰু অত্যাচাৰী জাতিৰ পৰা মোক ৰক্ষা কৰা। ইয়াত কিমান মডেল আছে আৰু পুৰুষৰ বাবে উত্তম উপদেশ আছে। যথা সম্ভৱ মহিলাসকলৰ নিজৰ স্বামীৰ সৈতে যি ৰিস্তা আছিল,পুৰণি যুগত বিশেষ কৰি এয়া এনেকুৱা ৰিস্তা আছিল যে মহিলা নিজৰ স্বামীৰ অধীনস্ত আৰু পৰাজয়প্ৰাপ্ত আছিল। যদি স্বামী কোনো বাদশ্বাহ হৈছিল তেতিয়া আৰু বেছি ভয় কৰি থাকিব লগা হৈছিল। সাধাৰণতে স্বামীৰ পৰা সিহঁত স্বাধীন নাছিল আৰু মহিলা নিশ্চিত ভাৱে পুৰুষৰ অধীনস্ত আছিল,কিন্তু তেওঁ স্বামী আকৌ বাদশ্বাহও। আৰু বাদশ্বাও এনেকুৱা যাৰ বিষয়ে বাইবেল, কোৰাণ আৰু ইতিহাসত উল্লেখ পোৱা যায়। কঠোৰ অত্যাচাৰী আৰু খোদা তা'লাৰ শত্ৰু আৰু নিজকে খোদা বুলি দাবী কৰা,তাতকৈ বেছি ঈমানৰ প্ৰতি ভয় কোনোবাৰ উত্থাপন হোৱা নাই যেনেকুৱা ফিৰাউনৰ স্ত্ৰীৰ হৈছিল। তাই কেৱল ভীতিমূলক অৱস্থাত নিজৰ ঈমানৰ সুৰক্ষাই কৰা নাই বৰঞ্চ ঈমান সুৰক্ষা কৰাৰ পদ্ধতিও খোদা তা'লা তাইক কৈ দিছিল। কৈছে, সেই অত্যাচাৰী ফিৰাউনৰ অত্যাচাৰৰ পৰা ৰক্ষা পোৱাৰ বাবে নিজৰ ঈমান ৰক্ষাৰ বাবে মাথোন নিজৰ ইচ্ছাৰ ওপৰত ভৰসা কৰাই নাছিল,নিজৰ প্ৰভুৰ ওচৰত বিনম্ৰ ভাৱে প্ৰাৰ্থনাও কৰিছিল। ফিৰাউনৰ স্ত্ৰী আছিয়া ভয়ঙ্কৰ পৰিস্থিতি সৃষ্টি হোৱা অৱস্থাতো হজৰত মুছা (আঃ)ৰ ওপৰত বিশ্বাস স্থাপন কৰিছিল।

অৰ্থাৎ প্ৰত্যেক মোমিন যাৰ ওপৰত কোনো বাধ্যবাধকতা ব্যৱস্থাপনা অৰ্পিত হয় তেতিয়া তাৰ ধৰ্ম অতি সোনকালে পৰিৱৰ্তন কৰাৰ চেষ্টা কৰে। কম পক্ষে সেই মহিলাৰ সমান সাহস দেখুওৱা উচিত। কিন্তু তাইৰ নিচিনা সাহস যদিওবা সৃষ্টি নহয়,কমপক্ষে খোদা তা'লাৰ পৰা সহায় বিচাৰি খোদা তা'লাৰ চৰণত নত হ'ব। এই উদাহৰণ মহিলাৰ উপৰিও পুৰুষসকলৰ বাবেও হয়। কিছুমান মহিলাৰ স্বামী বিধৰ্মী আৰু ধৰ্মৰ পৰা পৃথক হৈ যায়

লগতে নিজৰ স্ত্ৰীৰিৰ ধৰ্মও পৰিৱৰ্তন কৰিব খোজে। কিন্তু এই সম্পৰ্কে তেওঁ ফিৰাউনতকৈ বেছি বল প্ৰয়োগ কৰিব নোৱাৰে। অৰ্থাৎ কোনো প্ৰকাৰেই মহিলা নিজৰ স্বামীক ভয় কৰি নিজৰ ধৰ্ম পৰিৱৰ্তন কৰা উচিত নহয়। আৰু অবিৰাম দোৱাত মগ্ন থকা উচিত যে আল্লাহ্ তা'লা তেওঁক যেন ক্ষমতা প্ৰদান কৰে।

আৰু এটা উদাহৰণ যি ফিৰাউনৰ স্ত্ৰীৰিৰ উপমাতকৈ উচ্চ সেয়া হজৰত মৰিয়ম (আঃ)ৰ উপমা উত্থাপন কৰে,কৈছে

وَمَرْيَمَ ابْنَتَ عِمْرٰنَ الَّتِيْٓ اَحْصَنَتْ فَرْجَهَا

আৰু মৰিয়ম বিনতে ইমৰানক চোৱা তাই কেনেকৈ নিজৰ সতীত্বক ৰক্ষা কৰিছে,

فَنَفَخْنَا فِيْهِ مِنْ رُّوْحِنَا

আমি তেওঁৰ ভিতৰলৈ আমাৰ জীৱনী শক্তিৰ নিশ্বাস প্ৰৱেশ কৰিবলৈ দিলোঁ,স্মৰণ ৰাখিব ইয়াত (فِيْهِ) শব্দ ব্যৱহাৰ হৈছে **ফিহা** নহয়। অৰ্থাৎ আমি মৰিয়মক নহয় তাৰ ল'ৰাক নিজৰ নিশ্বাস প্ৰৱেশ কৰিছোঁ। কাৰণ ইয়াত জমিৰ পুংলিঙ্গ ব্যৱহাৰ হৈছে। কিছুমান মুফাছছিৰিণ(বিৱৰণকাৰী) ইয়াৰ ফলাফল ওলায় (فِيْهِ) ৰ অৰ্থ সেই কেচুৱা যি তেওঁৰ পেটত আছিল। কিন্তু বেলেগ ঠাইত এই বিষয়টো বৰ্ণনা কৰা হৈছে যে আমি সেই মৰিয়মক নিজৰ নিশ্বাস প্ৰৱেশ কৰিছোঁ। এই মহিলাজনীৰ ভিতৰত নিশ্বাস প্ৰৱেশ কৰা হৈছে। ইয়াত পাৰ্থক্য কিয়? পাৰ্থক্য এই কাৰণে হয় যে ইয়াত মোমিনসকলৰ উদাহৰণ দিয়া হৈছে। আৰু মৰিয়মৰ কথা কৰোঁতে মোমিনক জমিৰৰ ফালে উভতাই লোৱা হৈছে যে সেই মোমিন যি মৰিয়মৰ মৰ্যাদা অৱলম্বন কৰে এই কাৰণে তেওঁ মৰিয়মৰ মৰ্যাদা ৰাখে, তাত আমি নিজৰ নিশ্বাস প্ৰৱেশ কৰো। প্ৰত্যেক সেই মোমিন যিয়ে নিজৰ আত্মাক সুৰক্ষা কৰে এনেকুৱা পৰিত্ৰতা অৱলম্বন কৰে যে খোদা তা'লাৰ প্ৰিয় দৃষ্টি তাৰ পৰিত্ৰতাৰ ওপৰত পৰে, যাৰ ফলত তেওঁক আধ্যাত্মিক সন্তানৰ সৌভাগ্য প্ৰদান হয়। আৰু তাত নিশ্বাস প্ৰৱেশ কৰা হয়,সেয়া আল্লাহ

তা’লাৰ ফালৰ পৰা তাৰ পৱিত্ৰতাৰ ফলত তাৰ ভিতৰৰ পৰা আৰু এটা উন্নত ধৰণৰ আধ্যাত্মিক মানৱ সৃষ্টি কৰি দিয়ে। বাহ্যিক দৃষ্টিত পুৰুষৰ মৰিয়মৰ নিচিনা শিশু হয়তো হ’ব নোৱাৰে কিন্তু আধ্যাত্মিক ভাৱে তাৰ ভিতৰৰ পৰা আল্লাহৰ এক আৰু মৰ্যাদাপ্ৰাপ্ত মানৱ সৃষ্টি হ’ব পাৰে।

অৰ্থাৎ মৰিয়ম সম্বন্ধে খোদা তা’লা কৈছে

وَصَدَّقَتْ بِكَلِمٰتِ رَبِّهَا وَكُتُبِهٖ وَكَانَتْ

مِنَ الْقٰنِتِيْنَ﴿۱۳﴾

তেওঁ খোদা তা’লাৰ কলিমাৰ সততা বৰ্ণনা কৰিছে আৰু তাৰ কিতাপৰ সততা বৰ্ণনা কৰিছে আৰু তাই নম্ৰ অৱলম্বন কৰা মহিলা আছিল।

অৰ্থাৎ ইয়াৰ অৰ্থ এয়া যে কোনো মোমিন উচ্চ শ্ৰেণীৰ আধ্যাত্মিক উন্নতি লভিব নোৱাৰে যেতিয়ালৈকে নফছৰ খোৱাহিশৰ (প্ৰবৃত্তিৰ ইচ্ছুকৰ) পৰা নিজকে সুৰক্ষিত নকৰে আকৌ আল্লাহ তা’লাৰ কলিমাত আৰু কিতাপৰ সততা বৰ্ণনা কৰিবলৈ গৈ সেই পদ্ধতি অৱলম্বন নকৰে যি মৰিয়ম (আঃ)য়ে অৱলম্বন কৰিছিল তেওঁ নিজকে নফছানি খোৱাহিশাতৰ (প্ৰবৃত্তিৰ ইচ্ছুকৰ) পৰা সুৰক্ষা কৰি নিজকে পৰিপূৰ্ণ ভাৱে বচোৱাৰ পিছত সকলো কলিমাৰ সত্যতা বৰ্ণনা কৰে। সকলো গ্ৰন্থক সত্য বুলি মানি লয় আৰু খোদা ভীতি হয়। অৰ্থাৎ এই সকলোবোৰ অৰ্জন নকৰাৰ ইচ্ছা ৰাখি যদি কোনোবা মৰিয়ম (আঃ)ৰ নিচিনা শিষ্টাচাৰ হয়, আল্লাহ তা’লা তাৰ শিষ্টাচাৰ গ্ৰহণ কৰি তাৰ মৰ্যাদা উৰ্দ্ধ কৰিব। আহমদীয়া জামাতৰ প্ৰতিষ্ঠাতাৰ এটা কবিতা এই বিষয়ৰ সম্পৰ্কে উল্লেখ আছে,

**“বদতৰ বনো হৰ এক ছে আপনে খিয়াল মে**
**শায়েদ উছি ছে দখল হো দাৰুল ৱিছাল মে”**

অৰ্থঃ তুমি আনৰ তুলনাত মানুহৰ পৰা নিজকে নিম্ন বুলি ভৱা,সম্ভৱত এই নম্ৰতা আল্লাহ তা’লাৰ পছন্দ হৈ যায় আৰু তেওঁ নিজৰ মৃত্যুৰ ঘৰত প্ৰৱেশ কৰি ল’ব পাৰে।

হজৰত আকদছ মছীহ মাওউদ (আঃ)য়ে এই মোমিনসকলৰ মাজৰে এজন মোমিন হয় যাৰ ওপৰত এই আয়াত সম্পূৰ্ণ ৰূপে ঢাল খায়। অৰ্থাৎ তেখেত (আঃ)য়ে এই আয়াতৰ ফালে ইঙ্গিত কৰি কৈছে,

মোৰ ওপৰত এনে অৱস্থা আছিল, মই মৰিয়মৰ নিচিনা আছিলো আৰু আকৌ মৰিয়মী অৱস্থাত মোৰ ভিতৰৰ পৰা ঈছা শিশু জন্ম লয় আৰু মই ইবনে মৰিয়ম হৈ যাওঁ।

এই বিষয়টো নুবুজাৰ কাৰণে বিভিন্ন বিৰোধী আৰু নিকৃষ্ট মস্তিষ্ক আলিমসকলে হজৰত মছীহ মাওউদ (আঃ)ক কঠোৰ ঠাট্টাৰ চিকাৰ বনাইছিল। বহু বেয়া ধৰণৰ কথা কৈছে আৰু বেয়া ধৰণৰ অশ্লীল ভাষা প্ৰয়োগ কৰে যে যেতিয়া আপুনি মৰিয়ম আছিল তেতিয়া কি হ'ল,কেনেকৈ আপোনাৰ পেটত শিশু জন্মিছে আৰু তেওঁ কেনেকৈ জন্ম গ্ৰহণ কৰিলে ইত্যাদি ইত্যাদি।

অতিশয় অযথা কথা, অত্যাচাৰমূলক কথা সিহঁতে কয়, এই কাৰণেই কয় যে সিহঁত কোৰাণ মজিদৰ ফালে দৃষ্টি নিক্ষেপ কৰা নাছিল। এবাৰ মোৰ প্ৰশ্ন উত্তৰৰ বৈঠকত কাৰাচীৰ এটা দলৰ সৈতে এজন মৌলৱী চাহাব উপস্থিত হয়। যেতিয়া সিহঁতে দেখিব পাৰিলে যে অন্যান্য অআহমদীসকলৰ ওপৰত প্ৰশ্ন উত্তৰৰ ভাল প্ৰভাৱ হৈ আছে। তেতিয়া তেওঁ দাম্ভিকতাৰ সৈতে থিয় হৈ এই প্ৰশ্ন কৰে যে মিৰ্জা চাহাব, বাকী কথা এৰি দিয়ক,মোক এয়া কওঁক জামাত আহমদীয়াৰ প্ৰতিষ্ঠাতা যেতিয়া মৰিয়ম হৈছিল কেনেকৈ মৰিয়ম হৈছিল আৰু মহিলাৰ বৈশিষ্ট তেওঁৰ ভিতৰত আছিলনে,আৰু শিশু কেনেকুৱা কষ্টৰ সৈতে সৃষ্টি হৈছিল ? এইবিলাকৰ বিস্তাৰিত উত্তৰ আমাক শুনাওঁক। মই কলো মৌলৱী চাহাব ! আপোনাক দেখি মই বৰ দুঃখিত হৈছোঁ যে আপুনি কোৰাণৰ বিষয়ে জ্ঞান নাৰাখে আৰু আপত্তি কৰি আছে। কিয় আপুনি চুৰা তাহৰিমৰ এই আয়াত উপলব্ধি কৰা নাই নে,আপোনাৰ কোৰাণ কৰিমৰ ওপৰত ঈমান নাই নে ? কোৰাণ কৰিম আপোনাক অনুমতি প্ৰদান কৰা নাই নে ? কৈছে যে যদি তুমি মোমিন হোৱা তেতিয়া তুমি সেই

দুইজনী মহিলাৰ উপমা অৱলম্বন কৰিবা, যদি তুমি মৰিয়ম হ'ব নোৱাৰা কমপক্ষে ফিৰাউনৰ স্ত্ৰীতো হ'ব পাৰিবা। যদি তুমি ফিৰাউনৰ স্ত্ৰী হ'ব নোৱাৰা তেন্তে মই আপোনাক সুধিম যে আপোনাৰ ফিৰাউনৰ সৈতে কেনেকুৱা সম্পৰ্ক আছিল আৰু কেনেকুৱা পৰিস্থিতি অতিবাহিত হৈছে,তেতিয়া আপুনি কি উত্তৰ দিব। আপুনি বাট অতিক্ৰম কৰি যাব নোৱাৰিব, সেই অবিহনে যে তুমি কোৱা মই মোমিন নহয়। নতুবা আপুনি হজৰত মছীহ্ মাওউদ (আঃ)ৰ ওপৰত যি আক্ৰমণ কৰিছে সেয়া উভতাই ল'ব লাগিব। অৰ্থাৎ যেতিয়া মই উত্তৰ দিওঁ তেওঁ বাৰে বাৰে কয় এতিয়া হ'ব, মোৰ সৈতে বহুত হৈ গৈছে, আৰু এতিয়া মানুহৰ সন্মুখত মোক অপমান নকৰিব, সঁচাকৈয়ে কোৰাণ কৰিমৰ গূঢ়াৰ্থ নুবুজাৰ ফলত খোদা তা'লাৰ পৱিত্ৰ ভৃত্যৰ ওপৰত আপত্তি কৰি থাকে,আৰু হজৰত মছীহ মাওউদ (আঃ)ক এই আপত্তিৰ চিকাৰ বনোৱা হৈছিল। কিন্তু এই সময়ত এয়া গ্ৰহণ কৰা আৱশ্যকীয় যে আজি পৃথিৱীত হজৰত মছীহ (আঃ)ৰ চেহেৰাত মছীহিয়ত দ্বিতীয় বাৰ জন্ম গ্ৰহণ কৰিছে,তাতেও এজনী মহিলাৰ দয়া,কৃপা আছে,মৰিয়মৰ এহছান আছে,আৰু মৰিয়মী অৱস্থা দ্বিতীয়বাৰ সৃষ্টি হৈছে; তেতিয়া মছীহৰ জন্ম হৈছে। কিমান মৰ্যাদাপ্ৰাপ্ত স্থান হয়, যি মহিলাক প্ৰদান কৰা হৈছে। কিন্তু মানুহে কৈ থাকে মহিলাক ইছলামত কোনো মৰ্যাদা প্ৰদান কৰা নাই। এয়া মাথোন সিহঁতৰ জ্ঞান নথকাৰ কাৰণে অজ্ঞতাৰ কাৰণে আপত্তি কৰি থাকে।

# ষষ্ঠম খণ্ড

# হজৰত খলিফাতুল মছীহ ৰাবে (ৰহঃ) ২৩ জুলাই ১৯৮৮ চনত জলছা ছালানা ইংলেণ্ডত মহিলাসকলৰ সৈতে প্ৰদান কৰা বক্তব্য

## ইছলামৰ শিক্ষা আৰু মহিলাসকলৰ বিভিন্ন অৱস্থা

এতিয়া এই হাদীছ উল্লেখ কৰো যে আঁ-হজৰত (ছাঃ)য়ে মহিলাসকলক মান সন্মানৰ প্ৰতি পুৰুষসকলৰ ওপৰত ওৱাজিব কৰি দিছে। প্ৰত্যেক মোমিন যদিওবা সি সৰু শ্ৰেণীৰে হওঁক বা ডাঙৰ শ্ৰেণীৰে হওঁক এই হাদীছৰ ওপৰত কাৰ্যকৰী হোৱা আৱশ্যকৰণীয়। তেখেত (ছাঃ)য়ে কৈছে, তোমাৰ বেহেস্ত তোমাৰ মাকৰ ভৰিৰ তলত হয়। যদি দুনিয়াৰ অন্যান্য গ্ৰন্থসমূহৰ পৰা নবীসকলৰ কোনো এই ধৰণৰ বাক্য ওলায় আমাক দেখোৱাওক। পৃথিৱীৰ যিমান বিশ্বাসী পুৰুষ আছে সিহঁতক মহিলাৰ ভৰিত নত হোৱাৰ বাবে বাধ্য কৰি দিছে যে সিহঁতৰ ভৰিৰ পৰা সিহঁতে বেহেস্ত বিচাৰিব। মোৰ প্ৰথমে এই ইচ্ছা আছিল যে পৃথিৱীৰ ডাঙৰ ডাঙৰ ধৰ্মাৱলম্বী পৰিৱেশ আৰু সভ্যতাৰ পৰা উদাহৰণ দি তুলনা কৰি দেখুওৱাও। কিছু মই ইয়াৰ আৰম্ভণী কৰিছোঁ তাৰ পিছত মোৰ ধাৰণা হ'ল যে যদি মই এয়া আৰম্ভ কৰি দিও তেতিয়া এই বিষয়বোৰ বহুত দীৰ্ঘ হৈ যাব। আপুনি যেতিয়া অন্য ধৰ্মৰ শিক্ষা আৰু কোৰাণ কৰিমৰ শিক্ষা যি মহিলা সকলৰ সম্পৰ্কে আছে তুলনা কৰিব, তেতিয়া প্ৰত্যেক পক্ষপাতশূন্য মানুহক উভয়ৰ মাজত বহুত ডাঙৰ পাৰ্থক্য দেখিবলৈ পাব।

## মহিলাসকল কন্যাৰ সদৃশ

এই বিষয়ৰ ওপৰত যেনেকুৱা মই বৰ্ণনা কৰিছোঁ আপুনি দৃষ্টি কৰিব আৰু অন্যান্য ধৰ্ম চাওঁক সেই তিনিটা কথা ইয়াতো দেখিবলৈ পাব। কন্যাৰ হয়তো কোনো উল্লেখ নাই যেনেকুৱা সিহঁতে কন্যা নহয়ে, বা উল্লেখ পোৱা

যাব যে সিহঁতৰ অধিকাৰ ছিন্ন হিচাপে, গাই, ম'হ আৰু ছাগলীৰ নিচিনা কন্যাৰ উল্লেখ পোৱা যায়।
অৰ্থাৎ এই তিনিওটা কথা যি মই আৰম্ভণীত বৰ্ণনা কৰিছিলোঁ তাৰ বৰ্ণনা ইয়াতো হ'ব। এই বিষয়ে আঁ-হজৰত (ছাঃ)য়ে কৈছে,

**ইন্নাল্লাহা হাৰৰামা আলাইকুম উকুকুল উম্মাহাতি ওৱা মানআও ওৱা হাতি ওৱা ওৱাদিল বানাতি** (ছহী বুখাৰী কিতাবুল আদব বাব উকুকুল ওৱাদদিনি)

অৰ্থাৎ আল্লাহ তা'লাই তোমাৰ ওপৰত মাকক অসন্মানী কৰা সিহঁতৰ অধিকাৰ পালন নকৰা, সম্পত্তি বিভাজন কৰা আৰু ছোৱালীক জীৱিত দফন কৰা হাৰাম কৰি দিছে।

যথা সম্ভৱ ছোৱালীসকলক জীৱিত দফন কৰি দিয়া হাৰাম কোৰাণ মজিদত প্ৰকাশ্য ভাৱে শিক্ষা প্ৰদান কৰিছে। এই হাদীছ তাৰেই ব্যাখ্যা। সেই পুৰণি যুগত আৰু আজিও কিছুমান এলেকাত, আফ্ৰিকাত আৰু কিছুমান এলেকাত য'ত আজি নতুন পৃথিৱীৰ পোহৰ সম্পূৰ্ণ ভাৱে বিস্তাৰিত হোৱা নাই তাতে মহিলাসকলৰ সৈতে এনেকুৱাই ব্যৱহাৰ হৈ আছে। মহিলাক মা-দেউতাৰ মালিক বুলি গন্য কৰা হয় আৰু তাই যি ইচ্ছা কৰে আইন একোৱে কৰিব নোৱাৰে। এই কাৰণে এই শিক্ষা কেৱল পুৰণি যুগৰ কথা নাছিল। আজিও এই শিক্ষা প্ৰচলিত হৈ আছে।

হজৰত আবু ছাঈদ খুদৰী (ৰাঃ)ৰ পৰা বৰ্ণিত যে ৰছুল কৰিম (ছাঃ)য়ে কৈছে যাৰ তিনিজনী ছোৱালী আছে আৰু সিহঁতৰ প্ৰশিক্ষণ ভালদৰে কৰে,সিহঁতৰ সৈতে ভাল ব্যৱহাৰ কৰে তেতিয়া তাৰ বাবে বেহেস্ত হ'ব।(ছুনন আবি দাউদ, কিতাবুল আদব)

আকৌ আৰু এটা বিষয় যি হজৰত আবু ছায়িদ খুদৰি (ৰাঃ)ৰ পৰা বৰ্ণিত যে তেখেত (ছাঃ)য়ে কৈছে যাৰ তিনি জনী ছোৱালী আছে আৰু তিনিজনী ভনী আছে আৰু তেওঁ সিহঁতৰ সৈতে ভাল আচৰণ কৰে তেওঁ বেহেস্তত প্ৰৱেশ কৰিব। (ছুনন তিৰমিজি আবৱাবুল বাৰৰি ওৱাছ ছালাত, বাব মা জা ফি তাকাকিতি আলাল বানাতি ওৱালআখৱাত)

আৰু এটা বৰ্ণনা আছে যে দুই ছোৱালী আৰু দুই ভনীৰ উল্লেখ পোৱা যায়। এই বিষয় সম্পৰ্কে এই বিষয়ৰ ওপৰত মোৰ কিছু সলনি এই কথাৰ ওপৰত আছিল যে তিনিজনী ছোৱালীৰ প্ৰশিক্ষণত ছোৱাব আছে,আৰু চাৰি জনীত আৰু পাঁচ জনীত নাই,এয়া এক আচৰিত কথা আৰু সঁচাকৈয়ে বৰ্ণনাকাৰী বৰ্ণনা শুনাত কিবা কোনো ভুল হ'ব পাৰে। কেতিয়াবা বৰ্ণনা এই কাৰণে পৰিৱৰ্তন হৈ যায় যে উদাহৰণ স্বৰূপ যিজনী মহিলাক সন্মুখত ৰাখি তেখেত (ছাঃ)য়ে কৈছে, হয়তো তেওঁৰ তিনি জনী ছোৱালী আছিল,যেতিয়া তেখেত (ছাঃ)য়ে কৈছে তুমি তিনি ছোৱালীক ভাল প্ৰশিক্ষণ কৰিছা গতিকে তুমি বেহেস্তত প্ৰৱেশ কৰিবা,শুনা জনে ভাৱিছে যে তিনি জনীয়ে যদি হয় তেতিয়া বেহেস্তত প্ৰৱেশ কৰিব আৰু যদি চাৰি জনী হয় তেতিয়া বেহেস্ত তাৰ হাতৰ পৰা গৈছে,এয়া সঠিক নহয়।

এইদৰে হজৰত আয়েশা ছিদ্দিকা (ৰাঃ)ৰ এটা বৰ্ণনা পোৱা যায় তাই (ৰাঃ)য়ে এজনী মাতৃক যিয়ে নিজৰ দুই জনী ছোৱালীক কোলত লৈ আছিল,তাইৰ সৈতে বৰ ভাল আৰু নম্ৰতামূলক আচৰণ কৰা দেখিবলৈ পোৱা গ'ল। যেতিয়া তেওঁ এই ঘটনা আঁ-হজৰত (ছাঃ)ক উল্লেখ কৰে, তেতিয়া তেখেত (ছাঃ)য়ে কয় তাৰ ওপৰত বেহেস্ত ওৱাজিব হয়। গতিকে এই হাদীছৰ পৰা উল্লেখ পোৱা যায় তিনি ছোৱালীৰ ঘটনা এটা নিৰ্ধাৰিত ঘটনা আছিল আৰু দুই জনী ছোৱালীৰ ঘটনাও এটা নিৰ্ধাৰিত ঘটনা আছিল। গতিকে দুই বা তিনিৰ কাজিয়া নহয়,যদি এজনী ছোৱালীও হয় আৰু যদি তাইক ভাল প্ৰশিক্ষণ কৰা হয়,তাইৰ বাবে সকলো ধৰণৰ কোৰবাণী কৰিব তেতিয়া আল্লাহ তা'লা নিশ্চয় তেওঁক প্ৰতিদান হিচাপে বেহেস্ত প্ৰদান কৰিব। অৰ্থাৎ সংখ্যা অবিহনে সন্তান সকলক ভাল প্ৰশিক্ষণ কৰা আৰু সিহঁতৰ সৈতে ভাল ব্যৱহাৰ কৰাৰ উল্লেখ হজৰত আয়েশা ছিদ্দিকা (ৰাঃ)ৰেই আৰু এটা বৰ্ণনাত উল্লেখ পোৱা যায়। তাই (ৰাঃ)য়ে কৈছে যে মই ৰছুলুল্লাহ (ছাঃ)ৰ পৰা এয়া কওঁতে শুনিছোঁ যে আল্লাহ তা'লা যি ব্যক্তিক সেই ছোৱালীৰ জৰিয়তে পৰীক্ষাৰ সন্মুখীন কৰে আৰু তাই নিজৰ ছোৱালীৰ

সৈতে উত্তম ব্যৱহাৰ কৰে তেতিয়া তাইক দোজখৰ পৰা মুক্ত কৰা হ'ব।

(বুখাৰী কিতাবুল আদব)

ইয়াৰ এয়া অৰ্থ নহয় যে প্ৰত্যেক ব্যক্তি যাৰ ছোৱালী জন্ম গ্ৰহণ কৰিব সি বেহেস্তত প্ৰৱেশ কৰিব। অৰ্থ এয়া যে ছোৱালীৰ জৰিয়তে পৰীক্ষাৰ সন্মুখীন হ'ব লগা হৈছে। দুই ধৰণৰ পৰীক্ষা হয়। কিছুমান এলেকাত ছোৱালীসকলক ইমান নিম্ন শ্ৰেণীৰ বুলি ভাৱে যে যদি কোনোবাৰ ছোৱালী জন্ম পায় তেতিয়া সেয়া লাজৰ বিষয়, মুখখন ঢাকি ফুৰে। আৰু কোৰাণ মজিদত ইয়াৰ উল্লেখ পোৱা যায়,এনেকুৱা ব্যক্তি নিশ্চয় পৰীক্ষাৰ সন্মুখীন হয়। যদি তাই খোদাৰ সন্তুষ্টিৰ খাতিৰে পৃথিৱীৰ অসন্মানক কোনো ধৰণৰ ভ্ৰূক্ষেপ নকৰে আৰু ক্ষমতা আৰু উৎসাহ দেখুওৱায় আৰু সিহঁতৰ প্ৰশিক্ষণ আৰু সিহঁতৰ সৈতে ভাল আচৰণ কৰাত কোনো ধৰণৰ দুৰ্বলতা নেদেখুওৱায় তেতিয়াহে সি বেহেস্তবাসী হ'ব। কাৰণ তাইৰ সৈতে ভাল আচৰণ কৰা মা-দেউতাৰ কাৰ্যকলাপ নহয় অৰ্থাৎ খোদা তা'লাৰ ভাল পোৱাৰ খাতিৰৰ কাৰ্যকলাপ হয়। এনেকুৱা আৰু বহু ধৰণৰ পৰীক্ষা আছে যি ছোৱালীৰ সৈতে সম্পৰ্ক ৰাখে।

## ইছলামত মহিলাক বিয়া-বাৰু কৰাৰ স্বীকৃতি

যথা সম্ভৱ মহিলাৰ বিয়া-বাৰু কৰাৰ সম্পৰ্ক ইছলাম পৃথিৱীত এনে এক ধৰ্ম যিয়ে মাথোন এই স্বীকৃতি প্ৰতিষ্ঠিত কৰাই নাই অৰ্থাৎ আজিৰ পৰা চৌধশ বছৰ পূৰ্বতেই প্ৰতিষ্ঠিত কৰিছে।(অৰ্থাৎ মাথোন কিছুমান পৰিৱেশত য'ত প্ৰথা অনুযায়ী কিছুমান বিশেষ কবিলাৰ মহিলাসকল পুৰুষৰ ওপৰত অগ্ৰাধিকাৰ লাভ কৰিছিল,পৃথিৱীৰ সকলো ঠাইত ইতিহাসত মহিলাসকল অত্যাচাৰিত আৰু পৰাজয় দেখিবলৈ পোৱা যায়) ডেকা গাভৰু ছোৱালীৰ বিষয়ে কতো উল্লেখ পোৱা নাযায় যে তাই নিজৰ স্বামীক নিজৰ পছন্দ অনুযায়ী বাচি ল'ব পাৰে। কেৱল ইছলামেই হয় যি এই অধিকাৰ প্ৰদান

কৰিছে আৰু সেই যুগত প্ৰতিষ্ঠিত কৰিছে যে সিহঁতৰ সৈতে বৰ বেয়া আচৰণ হৈ আছিল।

হজৰত ইবনে আববাছ (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে **আন্না জাৰিয়াতান বাকৰান আতাত ৰাছুলুল্লাহ ছাল্লাল্লাহু আলাইহিছ ছাল্লামা ফাজাকাৰা ইন্না আবাহা জাওজাহা ওৰা হিয়া কাৰিহাতুন ফাখায়য়াৰাহান নাবিয়া ছাল্লাল্লাহু আলাইহিছ ছাল্লামা।**

অৰ্থাৎ এজনী গাভৰু ছোৱালী আঁ-হজৰত (ছাঃ)ৰ ওচৰত আহে আৰু বৰ্ণনা কৰে যে তাইৰ দেউতাই তাইৰ নিকা কৰি দিছে আৰু এই নিকা তাইৰ পছন্দ নহয়। হজৰত মহম্মদ (ছাঃ)য়ে স্বীকৃতি দিছে যে ইচ্ছা কৰিলে নিকা প্ৰতিষ্ঠিত ৰাখিব পাৰা বা নাৰাখিবও পাৰা। (ছুনন আবু দাউদ বাব ফিল বাকৰি ইয়াজাওজাহা আবুহা ওৰা লা ইশ্বাৰুহা)

আৰু এটা বৰ্ণনা পোৱা যায় যে এজন ব্যক্তিয়ে এজনী ছোৱালীৰ বিয়া এজন ধনৱান ব্যক্তিৰ সৈতে কৰি দিছিল যাক ছোৱালীজনীয়ে অপছন্দ কৰিছিল। ছোৱালীজনী হজৰত মহম্মদ (ছাঃ)ৰ ওচৰত আহি অভিযোগ কৰে যে হে ৰছুলুল্লাহ (ছাঃ) ! এই ল'ৰাজন মোৰ পছন্দ নহয় আৰু দ্বিতীয়তে মোৰ দেউতা সম্পত্তিৰ লোভত মোক বিয়া কৰাব খুজি আছে, কিন্তু মই এই বিয়া অপছন্দ কৰো। ছোৱালীজনী বহু নেক আৰু নম্ৰতা আছিল। ৰছুলে কৰিম (ছাঃ)য়ে কৈছে, তুমি স্বাধীন,কোনোবা তোমাৰ ওপৰত জবৰদস্তি কৰিব নোৱাৰে। তাইৰ পৱিত্ৰ হৃদয় চাওঁক, কৈছে যে ইয়া ৰাছুলুল্লাহ (ছাঃ)! মই নিজৰ দেউতাক ক্ৰোধান্বিত কৰিব নুখুজো তাৰ সৈতেও মোৰ সম্পৰ্ক আছে। মই এই কাৰণে উপস্থিত আছিলো যাতে মহিলাৰ অধিকাৰ প্ৰতিষ্ঠিত কৰি দেখুওৱাও, যাতে পৃথিৱীত প্ৰমাণিত হ'ব পাৰে কোনো দেউতা নিজৰ ছোৱালীক তাইৰ ইচ্ছাৰ বিৰোধ বিয়া দিব নোৱাৰে। আঁ-হজৰত (ছাঃ)য়ে এতিয়া অধিকাৰ প্ৰতিষ্ঠিতি কৰি দিছে। যদিওবা মোৰ কষ্ট হয় মই নিজৰ দেউতাৰ খাতিৰে এই কোৰবাণীৰ বাবে প্ৰস্তুত আছো। (মছনদ আহমদ জিলদ ৬ পৃঃ ১৩৬,ইবনে মাজা আবুৱাবুন নিকাহ বাব মিন জাওজি ইবনাতা ওৰা হিয়া কাৰিহাতুন)

বুখাৰীত আৰু এটা বৰ্ণনা পোৱা যায় যে যাৰ পৰা জানিব পৰা যায় যে আঁ-হজৰত (ছাঃ)য়ে মহিলাসকলক যদিওবা তাই বিধৱা বা তালাক লৈছে বা যুৱতী হয় তাইৰ বিয়া সম্পৰ্কে এয়া স্বীকৃতি প্ৰদান কৰিছে যে তাইৰ অনুমতি অবিহনে তাইৰ নিকা কৰোবাত কৰোৱাব নোৱাৰে। (বুখাৰী কিতাবুন নিকাহ) বিশেষ কৰি এতীম সম্বন্ধে তেখেত (ছাঃ)য়ে কৈছে **লা তানকিহুল ইয়াতামা হাত্তা তাছতামিৰুহুন্না** এতীম (মাউৰা) ছোৱালী সকলৰ সম্বন্ধে কৈছে যে সিহঁতৰ নিকা সিহঁতৰ ইচ্ছাৰ বিৰোধ যাতে নহয়।

(দাৰে কুতনি কিতাবুন নিকাহ)

আঁ-হজৰত (ছাঃ)য়ে এই অধিকাৰ বৰ প্ৰবলতাৰ সৈতে জাৰি কৰিব খুজিছিল যে নিজেই, আৰু নিজে আল্লাহৰ প্ৰেৰিত ৰছুল হোৱা সত্ত্বেও কোনোবাক আদেশ দিব খুজিছিল তেতিয়া দিছিল, কিন্তু আঁ-হজতৰ (ছাঃ)য়ে সেয়া ইহতিৰাজ কৰিছিল (তাৰ পৰা বিৰত থাকিছিল)। অৰ্থাৎ এসময়ত এজনী মহিলাই প্ৰকাশ্য ভাৱে এই বিষয়ে বিৱৰণ খোজে যে হে ৰছুলুল্লাহ (ছাঃ) ! আদেশ দি আছেনে পৰামৰ্শ দি আছে? অৰ্থাৎ এই বৰ্ণনা বৰ মনোহৰ, এজনী দাসী যাৰ নাম আছিল **বাৰিৰা**। তাইৰ বিয়া **মুগেছ** নামৰ এজন ল'ৰাৰ সৈতে হয়। অৰ্থাৎ বিয়া হৈ যোৱাৰ পিছত তাই দাসী নাথাকে তাই স্বাধীন হৈ যায়, এই কাৰণে তাই স্বাধীনতাৰ নিচিনা সকলো ধৰণৰ অধিকাৰ লাভ কৰে। এসময়ত **বাৰিৰা** ৰছুলে কৰিম (ছাঃ)ৰ ওচৰত উপস্থিত হয় আৰু কয় যে হে ৰছুলুল্লাহ (ছাঃ) ! মোৰ অধিকাৰ আদায় কৰি দিয়ক। তেখেত (ছাঃ)য়ে মুগেছক কয় তেওঁক এৰি দিয়া,তেওঁ নিজৰ স্ত্ৰীৰিৰ প্ৰতি ইমান মৰম স্নেহ কৰিছিল যে তেওঁ কান্দিব ধৰিলে আৰু ৰছুলে কৰিম (ছাঃ)ৰ ওচৰত অনুৰোধ কৰিব ধৰিলে। তেওঁ কান্দি কান্দি **বাৰিৰাৰ** পিছে পিছে দৌৰিব ধৰিলে আৰু ক'ব ধৰিলে উভতি আহা, মই তোমাৰ অবিহনে থাকিব নোৱাৰো। হজৰত ৰছুলে কৰিম (ছাঃ)য়ে এই দৃশ্য দেখি তাৰ প্ৰতি দয়া উপজে যে তেখেত (ছাঃ)য়ে বাৰিৰাক কলে, বাৰিৰা খোদাৰ প্ৰতি ভয় কৰা। তেওঁ কালিলৈকে তোমাৰ স্বামী আছিল। তাৰ জৰিয়তে

তোমাৰ সন্তান জন্মিছে,এই কাৰণে হৃদয়ত দয়া সৃষ্টি কৰা,আৰু তাৰ প্ৰতি দয়া কৰা। বাৰিৰা মুখ ঘূৰাই এয়া কয় যে **আ তামুৰুণি বিজালিকা** হে ৰছুলুল্লাহ (ছাঃ) ! আপুনি মোক আদেশ দি আছেনে ? ৰছুলে কৰিম (ছাঃ)য়ে কয় নহয়; মই মধ্যস্থতা কৰি আছো। এই কথাত বাৰিৰা হজৰত মহম্মদ (ছাঃ)ৰ উপদেশ গ্ৰহণ কৰাত অস্বীকাৰ কৰি দিয়ে।

(বুখাৰী কিতাবুত তালাক,বাব শ্বাফাআতুন নাবি (ছাঃ) ফি জাওজি বাৰিৰা,ছুনন আবু দাউদ,কিতাবুত তালাক ফি মলুকাতুল আতাক)

**বাৰিৰা** হজৰত মহম্মদ (ছাঃ)ৰ কথা অমান্য কৰি যদিওবা সঠিক আচৰণ কৰা নাছিল কিন্তু এয়া সত্ত্বেও হজৰত মহম্মদ (ছাঃ)য়ে তাইৰ অধিকাৰ বুলি ভাৰি তাইক বাধ্য কৰা নাই,আৰু কিয়ামত পৰ্যন্ত এনেকুৱা পদ্ধতিত মহিলাসকলৰ এই অধিকাৰৰ প্ৰতি বিশেষ সহায় কৰিছে আৰু এই উদাহৰণ প্ৰতিষ্ঠিত কৰি দিছে যে খোদা তা'লা যি অধিকাৰ প্ৰদান কৰিছে তাত ৰছুল কৰিম (ছাঃ)য়েও কেতিয়াও দখল দিব নোৱাৰে। কোন আছে যিয়ে ইছলামত থাকি মহিলাসকলক সিহঁতৰ অধিকাৰৰ পৰা বঞ্চিত কৰিব ?

## মহিলা মাতৃৰ সদৃশ

যদিওবা কোৰাণ কৰিমৰ শিক্ষাত বিভিন্ন আয়াত মা-দেউতা উভয়ৰ অধিকাৰৰ ফালে আকৃষ্ট কৰিছে, কিন্তু সেইসমূহ আয়াত আছে যি বিশেষ কৰি মহিলা হিচাপে মা হয় তাৰ উল্লেখ পোৱা যায়। আৰু তাইক পুৰুষতকৈ এক উচ্চতৰ স্থান প্ৰদান কৰে,যদিওবা মা-দেউতা উভয়ৰ সৈতে ভাল ব্যৱহাৰ আৰু আচৰণৰ সম্পৰ্ক নিম্ন লিখিত দুয়ো আয়াতৰ পৰা উভয়ৰ প্ৰতি সম পৰিমাণে অধিকাৰ পালন কৰাৰ উল্লেখ পোৱা যায়।

اِمَّا يَبۡلُغَنَّ عِنۡدَكَ
الۡكِبَرَ اَحَدُهُمَاۤ اَوۡ كِلٰهُمَا فَلَا تَقُلۡ
لَّهُمَاۤ اُفٍّ وَّلَا تَنۡهَرۡهُمَا وَقُلۡ لَّهُمَا
قَوۡلًا كَرِيۡمًا ۝٢٤

وَاخۡفِضۡ لَهُمَا جَنَاحَ الذُّلِّ مِنَ الرَّحۡمَةِ
وَقُلۡ رَّبِّ ارۡحَمۡهُمَا كَمَا رَبَّيٰنِىۡ
صَغِيۡرًا ۝٢٥

(17:24,25)

অনুবাদ ঃ যেতিয়া তোমাৰ মাতৃ-পিতৃৰ এজনে, অথবা দুয়ো বুঢ়া বয়স পায় দুয়োৰে সৈতে অপ্ৰীতিকৰ এটি শব্দও উচ্চাৰণ নকৰিবা; আৰু তেওঁলোক দুয়োকে গৰিহা নকৰিবা, আৰু তেওঁলোকৰ সৈতে আদৰ সন্মানৰ কথা পাতিবা।

আৰু তুমি উভয়কে মৰমেৰে বিনয়ৰ পাখিৰে ঢাকি ল'বা, আৰু এইদৰে পাৰ্থনা কৰিবা হে মোৰ প্ৰভু ! শিশু অৱস্থাত যিদৰে দুয়ো মোৰ পোহপাল কৰিছিল সেইদৰে তুমিও তেওঁলোকৰ প্ৰতি কৰুণা বৰ্ষণ কৰা।

অৰ্থাৎ কৈছে যে যেতিয়া তোমাৰ মা-দেউতাৰ এজন বা দুয়োজনে বুঢ়া বয়স পায় فَلَا تَقُلۡ لَّهُمَاۤ اُفٍّ সিহঁতক অপ্ৰীতিকৰ এটি শব্দও উচ্চাৰণ নকৰিবা وَّلَا تَنۡهَرۡهُمَا আৰু তেওঁলোক উভয়কে গৰিহা নকৰিবা। সিহঁতক টান কথা নকবা وَقُلۡ لَّهُمَا قَوۡلًا كَرِيۡمًا ۝٢٤ আৰু তেওঁলোকৰ সৈতে আদৰ সন্মানেৰে কথা পাতিবা। قَوۡلًا كَرِيۡمًا ৰ অৰ্থ হয় অতিশয় নম্ৰৰ সৈতে আৰু ভাল আচৰণৰ সৈতে কথা কোৱা। এই কাৰণে কৈছে যে এয়া নেতিবাচক শিক্ষা নহয় যে তুমি তাক উফ বুলি নক'ব অৰ্থাৎ তোমাৰ অধিকাৰ হয় যে যেতিয়াই সিহঁতৰ সৈতে কথা পাতিবা অতিশয় সন্মানৰ সৈতে কথা পাতিবা।

দ্বিতীয় আয়াতত মা-দেউতাৰ সৈতে এনেকুৱা ব্যৱহাৰ কৰাৰ উল্লেখ পোৱা যায় যেনেকুৱা কোনো চৰাই নিজৰ পোৱালীৰ সৈতে কৰে। কৈছে যে দুয়োজনৰ লগত নম্রতাৰ সৈতে আচৰণ কৰিব আৰু এই দোৱা কৰিব যে হে মোৰ প্রভু ! এই দুয়োজনৰ ওপৰত এনেকুৱা কৃপা কৰা যেনেকুৱা বাল্যকালত আমাক প্রশিক্ষণ কৰিছে।

এই আয়াতৰ পৰা এই কথাও জানিব পৰা যায় যে যি মা-দেউতা শৈশৱ কালত সন্তানৰ সৈতে নম্রতাৰ সৈতে ব্যৱহাৰ কৰা নাই তেওঁ ভাল প্রশিক্ষণ কৰা নাই,সিহঁতৰ সন্তান সিহঁতৰ বাবে এই দোৱা কৰিবই নোৱাৰে।

আমাৰ পৰিৱেশত য'ত কিছুমান বংশধৰ একত্রিত বাবে বসবাস কৰে আৰু অবিবাহিত ল'ৰা-ছোৱালীৰ বাহিৰেও বিয়া-বাৰু কৰা সন্তানও সেই ঘৰতেই বাস কৰে তাত এনেকুৱা কিছুমান বোৱাৰী দেখিবলৈ পোৱা যায় যি নিজে শাশুৰীক অৰ্থাৎ নিজৰ স্বামীৰ মাকক গোটেই দিন কিবা কিছু কৈয়ে থাকে। এনেকুৱা ঘৰত বাস কৰা সকলোৰে জীৱন কাৰাদণ্ডৰ নিচিনা হৈ পৰে। এইদৰে কেতিয়াবা শাশুৰীৰ ভুল হয়। তেওঁ নিজৰ বোৱাৰীৰ ওপৰত অত্যাচাৰ কৰি থাকে নিজৰ ল'ৰাৰ মৰমৰ কাৰণে যেতিয়া তেওঁ (ল'ৰা) নিজৰ স্ত্রীক ফুৰিবৰ বাবে বাহিৰত লৈ যায় আৰু উভতি অহাত পলম কৰে তেতিয়া নানা ধৰণৰ নাটক কৰি কয় যে তুমি পলম কৰি মোক নানা ধৰণৰ সন্দেহত আৰু কষ্টত পেলাই দিছা জানিব পৰা যায় যে তুমি নিজৰ স্ত্রীৰ সৈতে তোমাৰ মাকতকৈ বেছি মৰম কৰা।

পশ্চিমীয়া দেশবোৰত ইয়াৰ বিপৰীত দৃশ্য দেখিবলৈ পোৱা যায়। বিয়া কৰা সন্তান নিজৰ মা-দেউতাৰ প্রতি লক্ষ্য ৰখা সেয়া পাহৰি যায়। আৰু কিছুমানে কিবা উৎসৱৰ কাৰণে ঘৰৰ ফালে উভতিয়ে নাহে। যদিওবা ভুল বশতঃ ঘৰত আহি যায় তেতিয়া বুঢ়া মা-দেউতা কয় তুমি আমাৰ সৈতে বৰ ভাল ব্যৱহাৰ কৰিছা যে আমাৰ খা-খবৰ লোৱাৰ বাবে

আহি গৈছা। ইয়াত বহুত ব্যতিক্ৰমসমূহ হৈছে আৰু হৈয়ে থাকে। কিন্তু নিজৰ মা-দেউতাৰ প্ৰতি বেছিৰ ভাগ অসতৰ্ক। যদি সিহঁতৰ দুইজনৰ কোনোবা বেছি অসুস্থ হৈ পৰে সিহঁতৰ খা-খবৰ লোৱাৰ পৰিৱৰ্তে সিহঁতক হাস্তপাতালত  বা Old People home ৰ দয়া আৰু কৃপাত এৰি আহে। কিছুমান মা-দেউতা নিজৰ কষ্ট সহ্য কৰিব নোৱাৰি আত্মহত্যা কৰি লয়।

কোৰাণ মজিদ মাথোন মা-দেউতাৰ অধিকাৰৰ কথাই কোৱা নাই বৰং যেনেকুৱা পূৰ্বত উল্লেখ হৈছে যে অতিশয় নম্ৰ আৰু আদৰৰ সৈতে ব্যৱহাৰ কৰিব কৈছে।

আৰু এখন বৰ্ণনাত পোৱা যায় কেৱল উপদেশ কৰাই নাই অৰ্থাৎ অচিয়তো কৰা হৈছে। আৰু আৰবীত উপদেশ আৰু অচিয়তৰ মাজত পাৰ্থক্য আছে। উপদেশ সাধাৰণতে ভাল কথা বুজোৱাক কোৱা হয়। কিন্তু অচিয়তৰ অৰ্থ হ'ল সেয়া বাধ্যতামূলক আদেশ হয় যাক ইফাল সিফাল কৰিব নোৱাৰে। অৰ্থাৎ আল্লাহ তা'লা কৈছে যে

وَوَصَّيْنَا الْإِنْسَانَ بِوَالِدَيْهِ إِحْسَانًا ۖ
حَمَلَتْهُ أُمُّهُ كُرْهًا وَوَضَعَتْهُ كُرْهًا ۖ

(46:16)

আৰু আমি  মানৱক পিতৃ-মাতৃৰ প্ৰতি সুহৃদ হ'বলৈ আদেশ দিছোঁ। অৰ্থাৎ নিজৰ পিতৃ-মাতৃৰ সৈতে উত্তম ব্যৱহাৰ কৰিব। আকৌ এই আয়াত পিতৃক এৰি বিশেষ কৰি মাতৃৰ উল্লেখৰ ফালে আকৃষ্ট কৰে,  কৈছে,

وَحَمْلُهُ وَفِصَالُهُ ثَلَاثُونَ شَهْرًا

তেওঁৰ গৰ্ভধাৰণৰ বাহিৰেও পিয়ন এৰুৱাত ত্ৰিশ মাহ লাগে। অৰ্থাৎ ন মাহ পেটৰ ভিতৰত ৰাখে তাৰ পিছত ত্ৰিশ মাহ শিশুক গাখিৰ পিয়ন কৰাব লাগে।

তেওঁৰ মাতৃ কিমান কষ্টৰ সৈতে গৰ্ভধাৰণ কৰে,আৰু কিমান কষ্টেৰে প্ৰসৱ কৰে।

যেতিয়া শিশু জন্ম হয় তেতিয়া কিমান মাতৃৰ কষ্ট হয়;

**যি নম্ৰ শ্ৰেণীৰ সন্তান হয় তেওঁ নিজৰ বুঢ়া বয়সলৈকে নিজৰ মাতৃৰ প্ৰতি ভাল আচৰণ কৰাক পাহৰি নাযায়। মাতৃৰ জৰিয়তে খোদা তা'লা পৰ্যন্ত গৈ পাব পাৰে। যিয়ে মাতৃৰ অধিকাৰ পালন নকৰে তেওঁ খোদা তা'লাৰ অধিকাৰো পালন নকৰে।**

এই দ্বিতীয় বিষয় যি হজৰত মহম্মদ (ছাঃ)য়ে বৰ্ণনা কৰিছে। অৰ্থাৎ নিজৰ আত্মীয়-স্বজনৰ সৈতে থকা সম্পৰ্কৰ ৰিস্তাৰ অধিকাৰ পালন কৰিবলগীয়া সকলৰ বিষয়ে কোৰাণ আৰু হাদীছত অধিক পৰিমাণে সু-সংবাদ পোৱা যায়। আৰু সকলোতকৈ ডাঙৰ সু-সংবাদ এয়া হয় যে যিয়ে নিজৰ আত্মীয়-স্বজনৰ অধিকাৰ পালন কৰে তেওঁ নিজৰ প্ৰভুৰ সন্তুষ্টি লভিব পাৰে। এইদৰে যিয়ে মাতৃৰ আত্মীয় সম্পৰ্কক ছিন্ন কৰে তেওঁ নিজৰ প্ৰভুৰ ৰিস্তাৰ পৰাও ছিন্ন হৈ যায়।

মহিলাৰ পৰা তোমালোকৰ আৰম্ভণী হয়। যেনেকুৱা খোদা তা'লা বিশ্বক সৃষ্টি কৰিছে। তুমি গৰ্ভস্থলত থাকি নিজৰ উদ্দেশ্যক এনেকৈ অৰ্জন কৰিছা যেনেকুৱা খোদা তা'লা সৃষ্টিৰ আৰম্ভণীৰ পৰা উন্নতি প্ৰদান কৰি বিশ্বক এই উচ্চ আৰু উন্নত স্থানলৈ পৌচাই দিছে আৰু এই দুয়োটা সম্পৰ্ক এটা আনটোৰ সংযুক্ত হৈ গৈছে যে এটাক যদি পৃথক কৰা তেন্তে দ্বিতীয়টো পৃথক হৈ পৰিব।

সেয়েহে মই অৱশেষত এই উপদেশ দিওঁ যে আত্মীয় সম্পৰ্কক সুৰক্ষাৰ বাবে প্ৰস্তুত হৈ যাওঁক, মই বৰ দুঃখিত যে এয়া মানিবলৈ বাধ্য যে এতিয়াও জমাতত বহু সংখ্যক লোকে আত্মীয় সম্পৰ্কক ছিন্ন কৰে আৰু সিহঁতৰ অধিকাৰ কাঢ়ি লয়। সিহঁতে অলপো চিন্তা নকৰে যে সিহঁতে নিজৰ চকুৰ শিৰাৰ ওপৰত ক্ষুৰ চলাব ধৰিছে আৰু পাৰ্থিৱ জীৱনৰ লোভত আৱদ্ধ হৈ নিজৰ প্ৰভুৰ পৰা চিৰকালৰ বাবে সম্পৰ্ক ছিন্ন কৰি আছে। কিন্তু সিহঁতে আজি নহলেও কালি খোদাৰ চৰণত উপস্থিত হ'বই লাগিব। সিহঁতে এয়া পছন্দ কৰিবনে যে এনেকুৱা অৱস্থাত খোদা তা'লাৰ চৰণত উপস্থিত হ'ব যে সিহঁত সেইসকলৰ সৈতে অন্তৰ্ভুক্ত হ'ব যিসকলৰ বিষয়ে আল্লাহ তা'লা

কৈছে, সিহঁতৰ ওপৰত খোদাৰ দৃষ্টি নপৰিব।

অৰ্থাৎ যদি আল্লাহ্ তা'লাৰ পৰা কৃপাৰ আশা কৰা তেন্তে ঘনিষ্ঠ সম্পৰ্কৰ ৰিস্তাক সুৰক্ষিত কৰা। পাৰ্থিৱ জীৱনৰ ক্ষন্তেকীয়া লাভৰ বাবে ঘনিষ্ঠ সম্পৰ্ক ছিন্ন নকৰিবা। খোদা আপোনালোকৰ সৈতে থাকক আৰু জমাতক সদায় ঘনিষ্ঠ সম্পৰ্কক প্ৰতিষ্ঠিত ৰখাৰ বাবে উন্নত আদৰ্শবান বনাওঁক।